# ডিমাছা সাধু কথা



307.7
HAG

শ্ৰীমতী নিৰুপমা হাগজেৰ

"**Dimasa Sadhu Katha**" written by Smt. Nirupama Hagjer with the financial assistance of Assam Institute of Research for Tribals and Scheduled Castes, Guwahati-22.

Published by :
**Smt. Nirupama Hagjer**

© The Author

First Edition, 1998

Price : Rs.

Printed by :
**Bahniman Printers**
Guwahati-22.

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Social Justice and Empowerment (erstwhile Ministry of Welfare) have been providing grants-in-aid to authors for publication of books written on different aspects of tribals and scheduled castes. The scheme is basically known as 'Grants-in-Aid for Literary Works for Scheduled Castes and Scheduled Tribes'. The Scheme receives very good response from different authors. In fact, it is difficult to accommodate all the authors under the scheme. As a part of this popular scheme, the book on "**Dimasa Sadhu Katha** by **Nirupama Hagjer**" has been sponsored by the Institute for publication. It is expected that the readers will receive the book with pleasure. We look forward for comments and suggestions from the readers.

I am thankful to the Ministry of Social Justice and Empowerment for providing financial assistance for the scheme. I am also thankful to the Government of Assam, department of WPT & BC for giving financial assistance for the scheme. Finally, I like to thank M/S. Bohniman Printers, Guwahati for their help and co-operation for bringing out the book.

AIRTSC, LIBRARY
CLASS NO. 307.7
BOOK NO.
ACC. NO. 5344
DATE

Dated Guwahati
the 16th February, 1999

**R. Zaman**
Director
**Assam Institute of Research for Tribals and Scheduled Castes**
Guwahati-22

Assam Institute of Research for Tribals and Sch. Castes Library
Jawahar Nagar, Guwahati-781022
DATE..........

## ✵ পাতনি ✵

"ডিমাছা সাধুকথা" নামকৰণত এই সৰু কিতাপখন উলিয়াবলৈ প্ৰয়াস কৰা হ'ল। বিশেষকৈ ১৯৯৩ ইং অসম জনজাতি আৰু অনুসূচিত জাতিৰ গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক মহোদয় মিঃ লংকি ফাংচ' দেৱে মোৰ সাধুকথাৰ পাণ্ডুলিপি জমা দিয়া হ'লেও তেখেত অইন বিভাগত বদলী হৈ যোৱাত প্ৰকাশ নহ'ল। ফাংচুদেৱৰ পৰৱৰ্ত্তী সঞ্চালক মহোদয় শ্ৰীবিমল হাজৰিকাৰ কাৰ্য্যকালতো বিভিন্ন কাৰণত প্ৰকাশ হৈ নুঠিল। বৰ্ত্তমানৰ সঞ্চালক মহোদয়, ৰফিকুজ জামানে এইখন প্ৰকাশ কৰি দিয়াৰ দায়িত্ব লোৱাত তেখেতৰ প্ৰতি মোৰ চিৰ কৃতজ্ঞতা থাকিল।

শ্ৰীমতি এনি হাজৰিকা (লেঙ্গুইষ্টিক অফিচাৰ) আৰু শ্ৰীমতি নীলিমা দেউৰী দত্ত (ডেপুটি চেক্ৰেটেৰী, সমাজ কল্যাণ বিভাগ)ই মোৰ "ডিমাছা সাধুকথা"ৰ পাণ্ডুলিপি চাই-মেলি ভুল-ত্ৰুটিবোৰ শুধৰণী কৰি দিয়াৰ বাবে মোৰ হিয়াভৰা আশীৰ্ব্বাদ থাকিল। লগতে মোৰ ডাঙৰ জীয়ৰী শ্ৰীমতি মাৰ্মী হাগজেৰ বৰ্মণে ওপৰোক্ত দুগৰাকী মহিলা বিষয়াক লগ ধৰি শুধৰণীৰ ব্যৱস্থা কৰি দিয়াত আৰু ছপাশালৰ মালিক শ্ৰীমান অশোক বৰুৱাই মোৰ "ডিমাছা সাধুকথা" ছপা হৈ উলিয়াই দিয়াৰ ক্ষেত্ৰত বিশেষ যত্ন লোৱাত দুয়োজনৰ প্ৰতিও মোৰ হিয়াভৰা আশীৰ্ব্বাদ থাকিল।

শেষত পঢ়ুৱৈ সমাজে "ডিমাছা সাধুকথা" পঢ়ি ভাল পালে মোৰ পৰিশ্ৰম সাৰ্থক হ'ব।

নিৰুপমা হাগজেৰ
১১/১২/৯৮ ইং

# সুচী পত্ৰ


| | | | |
|---|---|---|---|
| (১) দাউ ৰাজানী খাৰমুন | (ভীমৰাজ চৰাইৰ সাধু) | ঃ | ১ |
| (২) মাউগূসা জাং জেঙ্গাইলুমা | (বান্দৰ আৰু জোনাকী পৰুৱা) | ঃ | ৬ |
| (৩) মাউগূসা জাং ঠৰগানী খাৰমূন | (বান্দৰ আৰু দুৰাকাছ) | ঃ | ১০ |
| (৪) ঘানা জাং গূজানি খাৰমূন | (কণা আৰু কুঁজাৰ সাধু) | ঃ | ১৪ |
| (৫) জূবূ চাংসাঙ্গৈবানী খাৰমূন | (সাপ সৃষ্টিৰ সাধু) | ঃ | ১৮ |
| (৬) মসঃ বঘ্রং গবানী খাৰমূন | (হৰিণা পহুৰ শিং খহি পৰাৰ সাধু) | ঃ | ২২ |
| (৭) দাউ কাক্লিং মানী খাৰমূন | (শ্যেন চৰাইৰ সাধু) | ঃ | ২৫ |
| (৮) মুসূভূৰ্ণানী খাৰমূন | (ভালুকৰ সাধু) | ঃ | ৩৩ |
| (৯) য়াউজো মাঃ নী খাৰমূন | (হাত টুকুৰা জনীৰ সাধু) | ঃ | ৩৭ |
| (১০) বেপাৰী বাছা | (বেপাৰী লৰা) | ঃ | ৪৪ |
| (১১) ছিব্লীংডি-জাং মাইৰাংডি | (তিলজনী আৰু চাউলজনী) | ঃ | ৪৯ |
| (১২) জাব্লা-স্নীনী খাৰমূন | (অজলা সাতজনৰ সাধু) | ঃ | ৫৪ |
| (১৩) হিমব্রুনী খাৰমূন | (ভেকুলীৰ সাধু) | ঃ | ৬০ |
| (১৪) যেংগ্লঙ মান্দেৰনী খাৰমূন | (ৰামধেনু সৃষ্টিৰ সাধু) | ঃ | ৬৪ |

# দাউ ৰাজানী খাৰমূন

## [ভীমৰাজ চৰাইৰ সাধু]

তোমালোকে ভীমৰাজ চৰাইৰ সাধু কেতিয়াবা শুনিছানে? আৰু ভীমৰাজ চৰাই দেখিছানে? ভীমৰাজ চৰাই দেখাত খুব ধুনীয়া নহয়। ফেছু চৰাইৰ দৰে কিছু ক'লা। এই চৰাইৰ নেজৰ মাজত এডাল দীঘলকৈ পাখী ওলাই থাকে। কিন্তু এনে ধুনীয়া নোহোৱা চৰাইক কিয় চৰাইবিলাকৰ ৰজা পাতিলে তাকে কওঁ শুনা।

অতি পুৰণি কালত মানুহক যেনেকৈ সৃষ্টি কৰ্ত্তাই সৃষ্টি কৰিছিল তেনেকৈ চৰাই চিৰিকতিকো সৃষ্টি কৰিছিল। মানুহৰ বহুতো জাতি, ভিন ভিন আকৃতি-প্ৰকৃতি সৃষ্টি হোৱাৰ দৰেই চৰাইৰ ভিতৰতো ভিন ভিন আকৃতি-প্ৰকৃতিৰ ৰং-বিৰঙৰ চৰাইৰ সৃষ্টি হৈছিল। কালক্ৰমত চৰাইবিলাকে সিহঁতৰ ৰজা নথকা কথাটো বৰ অপমানজনক বুলি ভাবিলে। মানুহৰতো ৰজা আছেই, জন্তুৰো ৰজা আছে, যাক আমি বনৰ ৰজা বুলি কওঁ। কিন্তু চৰাইৰ ৰজা নোহোৱাকৈ থাকে কেনেকৈ? চৰাই বিলাক কি ভগবানৰ সৃষ্টি নহয়নেকি? এইটো হবই নোৱাৰে সোনকালে সিহঁতৰ ৰজা বাছিব লাগে বুলি ঠিক কৰিলে আৰু এদিন চৰাইৰ নেতাজনে এখন উপবনৰ মাজত মেল আহ্বান কৰিলে। নিৰ্দ্দিষ্ট এটা দিনত চৰাই বিলাক আহি উপবনত পতা মেলত গোট খালেহি।

ধনেশ চৰাইয়ে মেললৈ বুলি আকাশেদি উৰি যোৱাৰ সময়ত এটা ফেঁচা চৰাইক দেখিবলৈ পালে। ফেঁচাটো এন্ধাৰত গছৰ ডাল এটাত বহি আছিল। ফেঁচাটো মন মাৰি বহি থকা দেখি ধনেশ চৰায়ে মাত দিলে—"হেৰা সখী! তুমি মন মাৰি বহি আছা কিয়? আজি সেই ধুনীয়া উপবনত চৰাই বিলাকৰ ৰজা পতাৰ এখন মেল বহিব নহয়;

তুমি গম পোৱা নাই নেকি?” ফেঁচাই উত্তৰ দিলে গম পাইছো। কিন্তু কি হ'ব? মই সেই মেলত গৈ কি কৰিম? মোক অইন চৰাই বিলাকে দেখিলে হাঁহিব-ইতিকিং কৰিব। কব মোৰ মুখমণ্ডল মেকুৰীৰ দৰে গোলাকৃতি। চকু দুটা ডাঙৰ ডাঙৰ, কাণ দুখন থিয়। গতিকে মই মেললৈ গ'লেও বহাৰ ঠাই নেপাম বুলি মেললৈ যাবৰ মন কৰা নাই। তুমি যোৱা। মেললৈ গৈ কি দেখিলা কি শুনিলা মোক কৈ যাবা।” এই বুলি কৈ ফেঁচাটোৱে এটা দীঘল হুমুনিয়াহ কাঢ়িলে, তাৰ চকুৰেদি চকুলো বৈ আহিল। ফেঁচাৰ মনৰ দুখৰ কথা বুজি পাই ধনেশ চৰাইৰ সহানুভূতি উপজিল। ধনেশে ফেঁচাক সান্ত্বনা দি ক'লে “ফেঁচা ভাই তুমি দুখ নকৰিবা। তুমি দেখিবলৈ ধুনীয়া নহ'ব পাৰা কিন্তু তুমিও ঈশ্বৰেই সৃষ্টি। গতিকে তুমি চৰাইৰ মেলত নিশ্চয় যোগ দিয়া উচিত। তোমাক মই মোৰ ডেউকাৰ ভিতৰতে লুকুৱাই মেললৈ লই যাম। তোমাক কোনেও দেখা নাপাব আৰু তোমাক কোনেও নেদেখিলে কোনে কষ্ট দিব? আনহাতে তুমি মেলৰ কথা বতৰা সকলো শুনিবলৈ পাবা।” ধনেশৰ কথা শুনি ফেঁচাৰ সাহস হ'ল আৰু ধনেশৰ কথা মানি ললে। সি ধনেশ চৰাইৰ ডেউকাৰ তলতে লুকাই মেলত যোগ দিবলৈ গ'ল। ফেঁচাক বুজাই মেলি লগত নিয়াত সিহঁতৰ মেলত উপস্থিত হোৱাত কিছু পলম হ'ল।

ইতিমধ্যে মেলত চৰাইৰ সমাজৰ ৰজা পতাৰ বাবে আলোচনা আৰম্ভ হৈ গৈছিল। কিছুমান চৰাইৰ মাজত ম'ৰা চৰাইক চৰাই সমাজৰ ৰজা পতা কথা লৈ তৰ্ক বিতৰ্ক চলি আছিল। বগলী চৰায়ে তৰ্ক-বিতৰ্কৰ কথাবোৰ শুনি আছিল। হঠাৎ সি ভাবিলে ম'ৰা চৰাইক ৰজা পতা উচিত নহ'ব। সি এটা চুকৰ পৰা দীঘল গলধনটো আৰু অলপ দীঘল কৰি দীঘল ঠোঁটেৰে কলে—“ম'ৰা চৰাই দেখিবলৈ ধুনীয়া আৰু ধুনীয়া দীঘল কান আছে বুলি আৰু দিনে ৰাতিয়ে মাত মাতিব পাৰে বুলি ৰজা হোৱাৰ যোগ্য বুলি ভাবি লৈছে নেকি? ৰজা হ'বলৈ হ'লে সেই চৰাই, প্ৰকৃততে জ্ঞানী আৰু ভদ্ৰ স্বভাৱৰ হ'ব লাগিব।” ম'ৰা চৰায়ে তেতিয়া সভাপতিক তাৰ উপযুক্ততা দেখুৱাবলৈ নিজৰ স্বভাৱৰ মতে কেক্ কেক্ ৰৱ তুলি ধুনীয়া কানকোছা মেলি পেখম ধৰি মেলৰ সকলোকে দেখুৱাব ধৰিলে। এনে মুহূৰ্তত ধনেশ চৰাই গৈ মেলত উপস্তিত হ'লগৈ। ধনেশ চৰাইক দেখি অইন সকলো চৰায়ে ফুচ-ফুচাব ধৰিলে “ধনেশ চৰাইৰ ঠোঁট দীঘল বহল আৰু হালধীয়া বৰণেৰে দেখাত যে কিমান ধুনীয়া তাৰোপৰি দনেশ চৰাই গহীন গম্ভীৰ। চোৰাচোন চোৱা, ৰজা হোৱাৰ যোগ্যতা ধনেশ চৰাইৰ হে আছে। এই কথা বতৰা ধনেশ চৰায়েও শুনিবলৈ পালে। সি আনন্দতে নিজৰ দেহাতো ভালকৈ মেলত উপস্থিত থকা সকলোকে দেখুৱাবলৈ চেষ্টা কৰিলে। আৰু ডেউকাৰ তলত যে ফেঁচা চৰাইক লুকাই আনিছিল, সেই কথা সি পাহৰিয়েই গ'ল। সি নিজে বহি থকা ঠাইৰ পৰা সভাপতিৰ ভালকৈ চকু পৰাকৈ ওচৰ চাপি বহিবগৈ বুলি ভাবি তাৰ ডেউকা দুখন মেলি দিয়াৰ লগে লগে ডেউকাৰ তলৰ পৰা ফেঁচাটো ধুপুচকৈ মাটিত পৰি গ'ল। তাকে দেখি অইন চৰাই বোৰে ধনেশ চৰাইৰ কপটতা জানি চিঞৰ বাখৰ লগালে আৰু ধনেশ চৰাইক ৰজা পতা উচিত নহ'ব বুলি মেলত সিদ্ধান্ত লোৱা হ'ল।

মেলত ভীমৰাজ চৰাই এটা চুকত মনে মনে বহি আছিল। ক'লা বৰণৰ দেহা এটা মাথোন। পাখী দীঘল; কোনো পধ্যেই সি ৰজাৰ বাবে যোগ্য নোহোৱাৰ বিবেচনাৰে মনে মনে আছিল। হঠাতে কোনোবাই প্ৰস্তাৱ কৰিলে যে, “আজিৰ মেলত ভীমৰাজ চৰাইকেই ৰজা পতা যাওক।” অইন কেইবাটাও চৰায়ে চিঞৰি চিঞৰি ভীমৰাজ চৰাইৰ ৰজা নিৰ্ব্বাচন হোৱাৰ যোগ্যতাৰ বিষয়ে জানিবলৈ বিচাৰিলে। তেতিয়া শালিকা চৰায়ে কলে “মই ঘৰচীয়া আৰু বনৰীয়া চৰাই চিৰিকতিৰ বিষয়ে জানো আৰু কোন কি প্ৰকৃতিৰ ভালকৈ কব পাৰোঁ। মই থাকো মানুহ থকা ঠাইৰ ওচৰৰ গছ-গছনিত আৰু আহাৰ খাবলৈ বনলৈ যাওঁ গতিকে মই সকলো চৰাইৰ চৰিত্ৰৰ বিষয়ে জানো। ভীমৰাজ চৰাইকে চৰাই সমাজৰ ৰজা হোৱাৰ যোগ্যতা আছে। তাৰ দেহাটো সৰু হ'ব

পাৰে, কিন্তু সি গহীন-গম্ভীৰ। কাৰো ক্ষতি নকৰে। ভীমৰাজ চৰায়ে মানুহৰ বাৰীৰ ফলমূল খাই ক্ষতি কৰে বুলি কোনোবাই শুনিছেনে? কেতিয়াও শুনা নাই। গতিকে ভীমৰাজ চৰাইৰ হে মাথোন ৰজা হোৱাৰ যোগ্যতা আছে। সকলোৱে একমত হৈ ভীমৰাজ চৰাইকে চৰাই সমাজৰ ৰজা পতা যাওঁক।” শালিকা চৰাইৰ যুক্তিপূৰ্ণ প্ৰস্তাৱ শুনি সকলো চৰায়ে হয়ভৰ জনালে। চৰাই চিৰিকতি বোৰে যাৰ যেনে মাত এবাৰ সকলোৱেই ৰব কৰি সৰ্ব্বসন্মতিক্ৰমে ভীমৰাজ চৰাইক ৰজা পাতিলে। অকণিহঁত; তোমালোকে জানানে? ভীমৰাজ চৰায়ে নিজে নিজৰ খাদ্য বিচাৰি নেখায়। ভীমৰাজ চৰাই তলৰ ডালত বহি থাকে ওপৰৰ পৰা শালিকা, মইনা, বুলবুলি, ফেঁচু আৰু তেনেই সৰু সৰু চৰাইবোৰে ফল-মূল, পোক পৰুৱা আনি দিয়ে। যিহকে অনা হয় তাকে ওপৰৰ পৰা তললৈ পেলাই দিয়ে আৰু তাকে তলত বহি থাকি ভীমৰাজ চৰায়ে থাপ মাৰি গিলি খায়। ভীমৰাজ চৰায়ে এনেকৈয়ে জীৱন ধাৰণ কৰে।

দেখিছা; চৰাই চিৰিকতিৰ মাজতো কিমান সন্মান। ৰজা হোৱাৰ কাৰণে নিজৰ আহাৰো নিজে বিচাৰি নেখায়। অইন চৰাইৰ কথা ভাবি চোৱা। চিলনী, কাউৰী আদিয়ে অইন চৰাইৰ পোৱালী থাপ মাৰি লৈ যায়, মাৰি খাই পেলায়। শগুনে মৰা জন্তুৰ পঁচা মঙহ খায়। গতিকে চৰাইৰ ৰজা মনোনীত কৰিবলৈ উপযুক্ত চৰাই সহজতে পোৱাই টান, কেৱল দেখাত ধুনীয়া আৰু মাত শুৱলা হলেই নহয়, ম'ৰা চৰাই আৰু কুলি চৰাইৰ কথাকে চোৱাচোন—ম'ৰা চৰাই, চৰাই সমাজত দেখাত অইন জাতিৰ চৰাইতকৈ ধুনীয়া। তথাপিতো ৰজা হোৱাৰ পৰা বঞ্চিত হ'ল। কাৰণ ম'ৰা চৰায়ে দিনে ৰাতিয়ে হেনো কেক্ কেকাই থাকে। কুলি চৰাইৰ কণ্ঠ সুললিত বুলি বিখ্যাত; কিন্তু কুলি চৰাইক ৰজা নেপাতিলে কাৰণ কুলি চৰায়ে অইন চৰাইৰ কণী খাই পেলায়। অকল খায়েই গুচি যায় তেনে নহয়। সেই চৰাইৰ বাঁহত কণী পাৰি থৈ আহে। যাৰ বাঁহত থৈ যায় সেই চৰাইবোৰেহে উমনি দিব লগা হয়। উমনিত বহি কণী ফুটি পোৱালী ওলালে সিহঁতেই আহাৰ খুৱায়।



পোৱালী ক্ৰমান্বয়ে ডাঙৰ হৈ আহিলে আকৃতি প্ৰকৃতিত কুলি চৰাইৰ ৰূপ লয়। দেখিছা কুলি চৰাইৰ কিমান কপট বুদ্ধি। নিজে কষ্ট নকৰি নিজৰ পোৱালী ডাঙৰ নকৰি আনক খটুৱাই সন্তান প্ৰতিপাল কৰায়। গতিকে কুলি চৰাইৰ মাত অতি মধুৰ হলেও চৰাই সমাজে কুলি-চৰাইক ৰজা মনোনীত কৰা নাই। তোমালোকে ধনেশ চৰাই দেখিছা? ধনেশ চৰাই কাউৰীতকৈ কিছু ডাঙৰ। ক'লাই ব'গাই সানমিহলি তাৰ গাৰ বৰণ। হালধীয়া ৰঙৰ ডাঙৰ ঠোঁট। মূৰত পানী ৰখা ভৰাল। দেখাত মূৰত টুপী এটা পিন্ধি থকা যেন লাগে। সকলো হালধীয়া বৰণৰ। ৰজাৰ দৰে গহীন-গম্ভীৰ। তথাপি তাকো ৰজা নেপাতিলে। কাৰণ ধনেশ চৰায়ে যে চতুৰালি কৰি ফেঁচা চৰাইক তাৰ ডেউকাৰ তলত লুকুৱাই আনিছিল সেই বাবে। ফেঁচা চৰাইক তো ৰজা মনোনীত কৰাৰ কথা বাদেই দিয়া তাক আন চৰাই এটাৰ ডেউকাৰ তলত লুকাই গোপনে মেলৰ আলোচনা শুনিবলৈ অহা বুলি মেলত উপস্থিত থকা চৰাইবোৰে ইতিকিং কৰিলে। ফেঁচা চৰায়ে মাত মাতিব নোৱাৰি বহি থাকিল। অইন চৰাইবোৰে তাক সেই ধুনীয়া উপবনৰ পৰা খেদি পঠিয়ালে। লাজত সি মন মাৰি বনৰ মাজত সোমালগৈ। গছৰ মাজত গাঁত হোৱা ঠাই বিচাৰি মনে মনে লুকাই থাকিল। সেই দিন ধৰি ফেঁচাই লাজতে দিনৰ পোহৰত নোলায়। এন্ধাৰ ৰাতিহে ওলায়।

দেখিছা, ৰজা মহাৰজা মনোনীত কৰিবৰ বাবে চৰাই চিৰিকতিৰ সমাজতো কিমান বাছ-বিচাৰ। ধুৰ্ত্ত, কপট, চতুৰ, বেছি কথকী সকলক বাদ দিহে উপযুক্ত ৰজা বাছি উলিয়াইছে।

ভীমৰাজ চৰাই দেখাত ধুনীয়াও নহয়, শালিকা, ময়না, কুলি চৰাইৰ সমান মাথোন ডাঙৰ। তথাপি ভীমৰাজ চৰাইকে ৰজা পাতিলে। কাৰণ ভীমৰাজ চৰাই নিৰহঙ্কাৰী আৰু সহজ সৰল আৰু কপট বুদ্ধিৰ নহয়।

# মাওগৃসা জাং জেঙ্গাইলুমা

## [বান্দৰ আৰু জোনাকী পৰুৱাৰ সাধু]

অতি পুৰণি কালত বান্দৰে কথা কব পাৰিছিল। অকল বান্দৰেই নহয় জোনাকী পৰুৱাইও কথা কব পাৰিছিল। জন্তুৰ লগত পৰুৱাই মিতিৰালি পাতি কথা পাতি ৰঙ ধেমালি কৰাৰ ফলত যি পৰিণাম হৈছিল সেয়েই বান্দৰ আৰু জোনাকী পৰুৱাৰ সাধু।

বহু দিনৰ আগৰ কথা। বান্দৰ আৰু পৰুৱাই মিতিৰালি পাতি দুয়ো মিলিজুলি জুম খেতি কৰিছিল। এদিন দুয়োটাই মিলি জুমত কাম কৰি আছিল। বেলি মাৰ যাবৰ হ'ল। তাকে দেখি বান্দৰে কলে—"অ সখী বোলো ঘৰলৈ যোৱা যাওক, ৰাতি হ'লে বাট-পথ নেদেখা হ'ব।" জোনাকীয়ে কলে—"সখী তুমি ইমান ভয় কৰিছা কিয়? এন্ধাৰ হলে মই আছো নহয়। মই পোহৰ দি থাকিম, তেতিয়া তুমি এজোপা গছৰ পৰা অইন এজোপা গছলৈ জাপ মাৰি গৈ থাকিবা। ইমান চিন্তা কৰিবলৈ কিনো আছে আৰু কিছু সময় দুয়ো মিলি জুমৰ কাম কৰি লওঁ আহা। বান্দৰে—"বাৰু তেনেহলে" বুলি দুয়ো আৰু আধা ঘণ্টামান কাম কৰিলে। বান্দৰে নিজৰ থকা ঠাইলৈ যাবৰ বাবে অস্থিৰ হ'ল আৰু কলে—সখী এতিয়া আৰু নগলে নহয়। সৌৱা চোৱা একেবাৰে এন্ধাৰ হবলৈ ধৰিছে।" তেতিয়া জোনাকী পৰুৱা মান্তি হ'ল আৰু দুয়ো নিজ নিজ থকা ঠাইলৈ যোৱাৰ বাবে যাত্ৰা আৰম্ভ কৰিলে। কিছুদূৰ গৈ বান্দৰে কলে—অ' সখী মই নেদেখা হৈছো পোহৰ দিয়া। জোনাকী পৰুৱাই তাৰ নিজৰ পেটৰ পোহৰ উলিয়ায় আৰু বান্দৰে এজোপা গছৰ পৰা অইন এজোপা গছলৈ জপিয়াই যায়। এনেকৈ জোনাকী পৰুৱাই পোহৰ দিলেই বান্দৰে জপিয়াই এজোপা গছৰ পৰা অইন গছলৈ গৈ আছিল কিন্তু জোনাকী পৰুৱাই যেতিয়া সঘনে পোহৰ দিবলৈ ধৰিলে তেতিয়া বান্দৰেও খৰকৈ



Research for Tribals and Sch. Caste Library
Jawahar Nagar
DATE

জপিয়াবলৈ ধৰিলে ফলত এঠাইত গৈ বান্দৰে ডালত ধৰিব নোৱাৰি তললৈ পৰি গ'ল। এনেকুৱা ঠাইত পৰি গ'ল যে ঠাই ডোখৰ বোকাই বোকা আছিল। বান্দৰে গছৰ ওপৰৰ পৰা পৰাত দেহৰ আধা বোকাত সোমাই পৰিল। নিজে নিজে লৰচৰ কৰি বোকাৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰিও নোৱাৰিলে। গতিকে বান্দৰে বাটৰুৱা বোবক মাতি মাতি বিনম্ৰ অনুৰোধ জনালে। পোনতে এটা শিয়াল সেই ঠাইৰ কাষেদি গৈ থকা দেখি বান্দৰে মাতিলে, আৰু কলে—"বন্ধু দয়া কৰি মোক বোকাৰ পৰা উঠাই দিয়া। মই নিজে নিজে উঠিব নোৱাৰো।" উত্তৰত শিয়ালে কলে—"মই নোৱাৰিম কাৰণ মই মোৰ সৰু সৰু পোৱালী বিলাকৰ কাৰণে খাদ্য বিচাৰি ওলাইছো। মই ইয়াত এক দণ্ডও ৰব নোৱাৰো। তোমাৰ দুখত মই দুঃখী কিন্তু সহায় কৰিবলৈ মোৰ উপাই নাই।" এইবুলি শিয়ালে সেই ঠাইৰ পৰা আঁতৰি গ'ল।

এন্ধাৰ ৰাতি বোকাৰ মাজৰ পৰা ওলাব নোৱাৰি আৰু অইন কোনেও সহায় কৰি বোকাৰ পৰা নোতোলাত বান্দৰে কান্দি আছিল। এনে সময়তে এটা বনৰীয়া গাহৰি বান্দৰৰ সন্মুখেৰে গৈ আছিল তাকে দেখি বান্দৰে আকৌ মাত লগালে—"বন্ধু দয়া কৰি এই বোকাৰ পৰা উঠাই মোক সহায় কৰা। মইয়ো ভৱিষ্যতে তোমাক উপকাৰ কৰি দিম।" কিন্তু গাহৰিয়ে সময় নাই আৰু তাক বোকাৰ পৰা টানি তুলিবলৈ অক্ষম বুলি কৈ আঁতৰি গ'ল। কোনেও তাক বোকাৰ পৰা নুঠলে বুলি নিৰুপায় হৈ বান্দৰে কান্দিবলৈ ধৰিলে। ৰাতি দুপৰ হ'ল। এটা বাঘে আহাৰ বিচাৰি বিচাৰি সেই ঠাইত উপস্থিত হ'লহি। বাঘক দেখি বান্দৰে কলে বন্ধু মই বোকাত পৰি গৈছো, মই নিজে নিজে ইয়াৰ পৰা উঠিব পৰা নাই। আপুনি অনুগ্ৰহ কৰি মোক বোকাৰ পৰা উঠাওক আৰু মোক খায় যদি খাব পাৰে। বাঘে ভাবিলে সন্ধিয়াৰ পৰা সি আহাৰ বিচাৰি ঘুৰি আছে কিন্তু ক'তো আহাৰ যোগাৰ কৰিব পৰা নাই। যদি বান্দৰটোক বোকাৰ পৰা উঠায় তেন্তে বান্দৰটোৱেই তাৰ আহাৰ হৈ যায়। সেই ভাবি বাঘে বান্দৰক বোকাৰ পৰা ধৰি তুলি অনাৰ সিদ্ধান্ত ল'লে। বাঘে

বান্দৰৰ ডিঙিত কামুৰি ধৰি ওপৰলৈ টানি আনিলে। বাঘে ক'লে— "তুমি কথা দিছিলা নহয় যে তোমাক বোকাৰ পৰা তুলি খাওঁ যদি খাব পাৰিম।" বান্দৰৰ চৰিত্ৰ সদায়েই ধূৰ্ত্ত। বান্দৰে বুদ্ধি এটা উলিয়াই কলে—"তুমি মোক নিশ্চয় খাবা, কিন্তু মই বোকাত লুতুৰি-পুতুৰি হৈ আছো কেনেকৈ খাবা? মোক নদীলৈ লৈ ব'লা আৰু গা-পা ধুই চাফ-চিকুণ হোৱাৰ পিছত খাবা।" বান্দৰৰ কথাত বাঘ মান্তি হ'ল। বাঘে কলে "বাৰু নৈলৈ নি তোমাক আগতে ধুৱাই লম তাৰ পাছত খোৱা যাব" বুলি বান্দৰক পিঠিত উঠাই নৈলৈ গ'ল আৰু পানীত নমাই ভালকৈ গা ধুৱালে। বাঘে বান্দৰৰ গাত য'ত বোকা বেছি আছিল সেইবোৰ ভালকৈ ঘঁহি দিলে। গা ধুওৱা হোৱাৰ পিছত পানীৰ পৰা পাৰলৈ তুলি আনি কলে—"এতিয়া তোমাক মই খাব পাৰো।" বান্দৰে কলে মোৰ গাটো ভিজা হৈ আছে। এতিয়াই খাবানে? মোৰ গাটো অলপ শুকুৱাবলৈ দিয়াছোন।" এই বুলি বান্দৰে নৈৰ পাৰত ৰদত বহি থাকিল। এঘণ্টা মানৰ পাছত যেতিয়া বান্দৰৰ গা শুকাই আহিল, তেতিয়া বাঘে ক'লে— "তোমাৰ গাটো শুকাই গৈছে এতিয়া তোমাক খাওঁ।" বান্দৰে চতুৰালি কৰি বাঘক কলে মোৰ গাটো শুকাই গলে কি হ'ব মোৰ কাযলতি শুকুৱা নাই নহয়। এটা কাম কৰা যাওক সৌৱা এজোপা বাহ গছ দেখিবলৈ পাইছো তালৈকে যাওঁ বলা। মই বাঁহ গছতে ধৰি মোৰ কাষলতি শুকাবলৈ দিওঁ।" বাঘ বান্দৰৰ কথাত মান্তি হ'ল দুয়ো বাঁহনিৰ ফালে গ'ল। বাঁহনিত গৈ বান্দৰে তাৰ হাত দুখন ওপৰলৈ উঠাই বাঁহত ধৰি কাষলতি শুকুৱাৰ ভাও ধৰি বহি থাকিল। কিন্তু সময় পাৰ হোৱাৰ পাছত বাঘে অইন ফালে চাই থকা মুহূৰ্ততে বান্দৰে জাপ মাৰি বাঁহ গছৰ আগলৈ উঠি গ'ল আৰু তাৰ পৰা কবলৈ ধৰিলে "অ বাঘ! মোৰ হাতখন খাবিনে? ল খা—এই বুলি তাৰ হাতখন দীঘল কৰি দিলে। মোৰ ঠেংখন খাবিনে? ল খা।" এই বুলি ঠেঙটো দীঘল কৰি দিয়ে।" "মোৰ মূৰটো খাবিনে? ল খা" এই বুলি তল মূৰ কৰি দিলে। বাঘে খঙত তৎ নাইকীয়া হৈ ভাবিবলৈ ধৰিলে অকৃতজ্ঞ বান্দৰ, তাক বোকৰ পৰা ওলাব নোৱাৰা হৈ থকা অৱস্থাত নিশ্চিত মৃত্যুৰ হাতৰ পৰা উদ্ধাৰ



কৰিলো। তাৰ কথামতে গা-পা ধুৱাই দিলো কিন্তু শেষত মোক হে ঠগালে নে? এতিয়া কি কৰা যায় এই অকৃতজ্ঞ বান্দৰক মাৰিব নোৱাৰিলে মই নিজে মৰি যোৱাই ভাল। এই ভাবি বাঘে বান্দৰটো মাৰিম বুলি মনে মনে শপত খালে আৰু কি উপায়েৰে মাৰিব পৰা যায় তাৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। যেনে চিন্তা তেনে কাম। এদিন গাঁৱত বহা বজাৰলৈ বেপাৰী সকলে নানান মাল বস্তু শিকিয়াত কৈ কান্ধত লৈ গৈ আছে। এজন সুকান মাছৰ বেপাৰীয়েও তেনেকৈ শুকান মাছ পাছিত ভৰাই শিকিয়াতকৈ কান্ধত লৈ গৈ আছিল। বাঘে কোনে কি লৈ গৈ আছে লুকাই মনে মনে চাই আছিল। শুকান মাছৰ বেপাৰীজন আহি পোৱাৰ লগে লগে বাঘে বেপাৰীজনকে খেদা মাৰিলে। বেপাৰীজনে শুকান মাছৰ পাচি পেলাই থৈ নিজৰ প্ৰাণটো লৈ পলাই গ'ল।

আনহাতে বাঘে বেপাৰীজনৰ শুকান মাছৰ পাচি বগৰাই দি শুকান মাছ বিলাক মাটিত পেলাই সেই শুকান মাছৰ ওপৰত বাগৰি থাকিল। বাঘৰ গাত শুকান মাছৰ গোন্ধ লাগিল। গোটেই গাতে শুকান মাছৰ গোন্ধ লগাই বাঘে সেই ধূৰ্ত্ত বান্দৰ থকা বাঁহনিৰ তললৈ গ'ল আৰু মৰি যোৱা ভাও জুৰি দীঘল দি শুই থাকিল। বাঘৰ গাত শুকান মাছৰ গোন্ধ লগাত মাখি ভেন্ ভেন্ কৰি আহি বাঘৰ গাত পৰিবলৈ ধৰিলে। বান্দৰে বাঁহৰ আগত বহি চাই আছিল। সি ভাবিলে যে বাঘটো মৰি থাকিল। মৰাটোৰ গাত মাখিবোৰ পৰিছেহি এতিয়া আৰু তাৰ শত্ৰু নাই। গতিকে কোনো চিন্তা নাই বুলি ভাবি বাঁহৰ আগৰ পৰা তললৈ নামি আহিল আৰু ওচৰ চাপি আগৰ দৰে তাৰ হাতখন আগবঢ়াই দি কলে, "ল মোৰ হাতখন খা।" আকৌ ভৰিখন আগবঢ়াই দি কলে, "ল মোৰ ভৰিখন খা।" যেতিয়া বান্দৰে তাৰ মূৰটো বাঘৰ মুখৰ আগলৈ নি ক'লে, "ল মোৰ মূৰটো খা" মুহূৰ্ততে বাঘে মুখ বহল কৰি হালুমকৈ বান্দৰক ধৰি খাই পেলালে।

❖ ❖ ❖

# মাওগ্‌সা জাং ঠৰগানী খাৰমূন

## [বান্দৰ আৰু দুৰা কাছৰ সাধু]

অতি পুৰনি কালত চৰাই চিৰিকতি, জন্তু আৰু পোক পৰুৱাইও কথা কব পাৰিছিল। কথা কব পাৰিছিল বুলিয়েই জীৱ জন্তুৱেও এটাৰ লগত আনটোৱে বন্ধুত্ব পাতি মানুহৰ দৰে কাম-কাজ, বেহা-বেপাৰ কৰিছিল। এদিন বান্দৰে বনৰ পৰা মৌ যোগাৰ কৰি আনিবলৈ দুৰা কাছক লগ ধৰিলে। দুয়ো হাবিলৈ গ'ল। বান্দৰে গছ বগাব পাৰে কিন্তু দুৰা কাছই নোৱাৰে। গতিকে মৌ ক'ত আছে ক'ত নাই তাকে চাই দিয়া কামত দুৰা কাছই সহায় কৰিছিল। দুৰা কাছই তলৰ পৰা গছৰ ওপৰত মৌ বাঁহ ক'ত আছে চাই দিছিল।

এদিনাখন বান্দৰ আৰু দুৰা কাছ দুয়ো একেলগে দুৰৈৰ হাবিলৈ গ'ল। এটি মৌ বাঁহ দেখি দুৰা কাছই বান্দৰক দেখুৱালে। বান্দৰ গছৰ ওপৰত উঠি গ'ল। মৌ বাঁহ পোৱাত বান্দৰে মৌ-চাক বাঁহৰ পৰা উলিয়াই উলিয়াই খাবলৈ ধৰিলে। ইপিনে দুৰা কাছই তলৰ পৰা চাই আছিল। সি বান্দৰক কলে—"হেৰা সখী! তুমি মৌ-চাক অকলে অকলে খাই আছা। মোক নিদিয়া কিয়? বান্দৰে নিজে খোৱা মৌ সিতাবোৰ "ল-খা" বুলি দুৰা কাছলৈ পেলাই দিয়ে। দুৰা কাছই মনৰ দুখেৰে কয়—"তুমি সাৰটো খাই জাবৰটোহে মোক দিছা? তুমি কেনেধৰণৰ সখী হে।" বান্দৰে শুনিও নুশুনাৰ ভাও ধৰি খায়েই থাকিল। ওপৰৰ পৰা বান্দৰে চিঞৰি দুৰা কাছক মাতিলে—"হেৰা সখী! তুমি গছৰ ওপৰলৈ উঠি আহানা। আঃ মৌ ৰস যে কিমান সোৱাদ।" দুৰা কাছই কলে "তেনেহলে মোকো দিয়া মই মুখখন ওপৰ ফালে হা কৰি থাকিম, তুমি ওপৰৰ পৰা মোৰ মুখত ঢালি দিয়া।" বান্দৰে মৌ ৰসৰ সলনি মুতি হে দিলে। দুৰা কাছই সখীয়েকৰ এনে কুকৰ্ম দেখি বৰ দুখ পালে। দুৰা কাছই মনে মনে কান্দি থাকিল। কিন্তু "পাপৰ ফল প্ৰায়শ্চিত্তত



যায়" বোলা কথা এষাৰ আছে। বান্দৰৰ এনে কুকৰ্মৰ ফলত পাপ লাগিল। সি শাস্তি ভুগিব লগা হ'ল। বান্দৰে এটা মৌ বাঁহৰ ৰস শেষ হৈ যোৱাত আৰু বেলেগ মৌ বাঁহ বিচাৰি ফুৰিছিল। গছৰ ওপৰত এটা ডাঙৰ ফুটা আছিল। ফুটাটোৰেদি মৌ ওলোৱা সোমোৱা দেখি বান্দৰে নিশ্চয় মৌ বাঁহ আছে বুলি ফুটাৰ ভিতৰত হাত সুমুৱাই দিলে কিন্তু হাতখন উলিয়াই আনিব নোৱাৰিলে। গছৰ ফুটাত কেনেবাকৈ হাতখন লাগি ধৰিল। মৌ মাখিবোৰে তাৰ হাতত এটাৰ পিছত অইনটোৱে বিন্ধি থাকিল। গছৰ ওপৰত বান্দৰে চিঞৰ-বাখৰ, কন্দা-কটা কৰি হাঁহাকাৰ লগালে। তেতিয়া তলফালে চিঞৰি দুৰা কাছক কলে "সখী! মই হাতখন টানি উলিয়াব পৰা নাই। তুমি আমাৰ ঘৰলৈ গৈ মাক খুজি দাখন লৈ আহগৈ। গছৰ ফুটাটো কাটি ডাঙৰ কৰিলেহে মোৰ হাতখন উলিয়াই আনিব পাৰিম। 'বাৰু' বুলি দুৰা কাছই বান্দৰৰ মাকক খবৰ দিবলৈ গ'ল। সি মনে মনে বান্দৰে শাস্তি পোৱা দেখি সুখী হৈছিল। গতিকে দুৰা কাছই বান্দৰৰ মাকৰ আগত বেলেগ খবৰ হে দিলেগৈ। সি কলে "মা মোৰ সখীয়ে মৌ ৰস পাই বৰ ব্যস্ত হৈ আছে। তাৰ বৰ ভোক পিয়াহ লাগিছে। সোনকালে মিঠৈ জলপান সখীলৈ লৈ যাবৰ কাৰণে মোক পঠিয়োইছে।" কথাৰ লগে লগে বান্দৰৰ মাকে ঘৰত যি আছে সান্দহ, চিৰা, মিঠৈৰ টোপোলা এটা আনি দুৰা কাছৰ পিঠিত বান্ধি দিলে। দুৰা কাছই খৰধৰকৈ আহি বান্দৰ থকা গছৰ তল পালেহি। দুৰা কাছই ওপৰ ফালে চাই বান্দৰক মাতি কলে "অ' সখী! তললৈ আহা, তোমাৰ মাৰাই তোমাৰ কাৰণে জা-জলপান দি পঠাইছে। আহি খোৱাহি মই খাই আছো।" বান্দৰে ওপৰত হাতখন টানি উলিয়াব নোৱাৰা অৱস্থাত বহি চিঞৰি চিঞৰি কবলৈ ধৰিলে "তোমাক মই দাখন আনিবলৈ পঠিয়ালো আৰু তুমি লৈ আহিছা জলপান।" পাৰিলে বান্দৰে দুৰা কাছক কিলায়, কিন্তু হাতখন যে টানি আনিব পৰা নাই। উপাই নাই। গতিকে বান্দৰে চিঞৰি চিঞৰি আকৌ কলে "সখী অ'! পুনৰ মাৰ ওচৰলৈ যোৱা আৰু দাখন লৈ আহাগৈ। এইবাৰ মোৰ হাতখন উলিয়াই লব পাৰিলে তোমাক নিশ্চয় মৌ ৰস খুৱাম।" দুৰা কাছই তলৰ পৰা



5344

উত্তৰ দিলে “বাৰু হ’ব। মই আগতে জলপান খাই শেষ কৰি লওঁ বুলি বান্দৰক দেখুৱাই জলপান খাই থাকিল। বান্দৰে দুখ-যন্ত্ৰণা সহ্য কৰি থাকিব লগা হ’ল। জলপান খাই শেষ হলত দুৰা কাছ পুনৰ বান্দৰৰ মাকৰ ওচৰলৈ গ’ল। মাকৰ ওচৰলৈ আহি দুৰা কাছই ক’লে “অ’ মা! তোমাৰ পুতেৰে আজি ইমান মৌ ৰস পাৰি আছে যে আনিলে তোমাৰ ঘৰ ভৰ্তি হ’ব। সি পাৰিয়েই আছে, পাৰিয়েই আছে ঘৰলৈ অহাৰ নামেই নলয়। তুমি দিয়া জলপানেৰে তাৰ ভোক পিয়াহ পলোৱা নাই। গতিকে এইবাৰ ভাতকে ৰান্ধি দিয়া মাছ, মঙহ, কণিৰ আঞ্জাৰে সৈতে লৈ যাবলৈ মোক পঠিয়াইছে। তুমি সোনকালে ৰান্ধি দিয়া সখীৰ কিমান যে ভোক লাগিছে।” বান্দৰৰ মাকে ল’ৰাৰ আদেশ বুলি ভাবি মাছ, মঙহ, কণীৰ আঞ্জা ৰান্ধি টোপোলা বান্ধি দুৰা কাছৰ পিঠিত বান্ধি পঠিয়ালে। দুৰা কাছ পুনৰ গছৰ তল পালেগৈ। আৰু ওপৰ ফালে বান্দৰক চাই মাতিলে “অ’ সখী! তুমি তললৈ নামি আহা। এইবাৰ তোমাৰ মাৰাই মাছ, মঙহ, কণীৰ আঞ্জা দি পঠিয়াইছে। আহা! মই খাবলৈ ললো।” কিন্তু বান্দৰে দুৰা কাছৰ কথা শুনি খঙত টিঙিৰি তুলা হৈ পৰিল। কিন্তু তললৈ আহে কেনেকৈ? তাৰ হাতখন যে টানি আনিব পৰা নাই। ইপিনে গছৰ তলতো দুৰা কাছই বান্দৰক দেখুৱাই দেখুৱাই খাই আছে আৰু কৈ আছে আঞ্জা বৰ সোৱাদ হৈছে। “অ’ মাছৰ আঞ্জাতকৈ মঙহৰ তৰকাৰী বেছি সোৱাদ হৈছে। তুমি নামি নাহা কিয়? মই শেষ কৰিম।” এই বুলি বান্দৰক দেখুৱাই দুৰা কাছই খাইয়ে থাকিল। গছৰ ওপৰত বান্দৰে চটফটাই আছে আৰু কান্দি আছে। সি ক’লে “তোক মই বাৰে বাৰে দা খন আনিবলৈ পঠিয়াইছো আৰু তই বাৰে বাৰে খোৱা বস্তু হে লৈ আনিছ। ৰ মোৰ হাত খন উলিয়াব পাৰিলে তোক আৰু জীয়াই নেৰিম।” এই বুলি হাতখন নানান উপায়েৰে টানি থাকি, বাৰে বাৰে টানিয়ে থাকিল এনেদৰে টানি থাকোতে কেনেবাকৈ হাতখন ওলাই আহিল। পিছে বান্দৰৰ হাতৰ ছাল উঠি গ’ল। খঙতে তাৰ হাতৰ ছাল উঠি যোৱাৰ বাবে যন্ত্ৰণা অনুভৱে কৰিব নোৱাৰিলে। গছৰ তললৈ নামি আহি জাবৰ-ঝোথৰ যোগাৰ কৰি



একুৰা জুই ধৰিলে আৰু দুৰা কাছক থাপ মাৰি ধৰি কলে “তোক এই জুইত জীয়াই জীয়াই পুৰি মাৰি পেলাম।” দুৰা কাছই হাঁহি উত্তৰ দিলে “ভাল হ’ব তাকে কৰা জুই ফুওৱাৰ আৰাম কৰি থাকিব পাৰিম।” বান্দৰে তেতিয়া আকৌ কলে “তেনেহলে তোক জুইত নেপেলাও পানীতহে পেলাই দিম।” তাকে শুনি দুৰা কাছই কান্দি কান্দি অস্থিৰ হৈ কলে “সখী! তেনে নকৰিবা, তেনে কৰিলে মই পানীৰ ভিতৰত উশাহ নেপাই মৰি থাকিম।” এই বুলি কোৱাৰ লগে লগে বান্দৰে দুৰা কাছক এখন বিলৰ মাজত পেলাই দিলে। দুৰা কাছৰ আনন্দ আৰ কোনে চায়। দুৰা কাছই তাৰ চেপেটা হাতখন ডাঙি লড়াই লড়াই বান্দৰৰ পৰা বিদাই ললে আৰু হাঃ হাঃ হাঃ হাঁহি এটা মাৰি পানীৰ তললৈ ৰং মনেৰে সোমাই গ’ল। বান্দৰে দুৰা কাছৰ বুদ্ধি দেখি আচৰিত হ’ল আৰু বুজি পালে যে দুৰা কাছৰ ওচৰত সি হাৰিল।

*উপসংহাৰ ঃ পোনতে বান্দৰে দুৰা কাছক ঠগিছিল আৰু ফলত বান্দৰে নিজেও ঠগ খালে। অন্তৰংগ বন্ধুৰে প্ৰতিশোধ লোৱাৰ বাট বিচাৰি প্ৰতিশোধ ল’লে। গতিকে দেখা যায় যে বিশ্বাসঘাটকে এদিন নহয় এদিন নিজেও একেদৰে কষ্ট পাব লগীয়া হয়। আৰু বুদ্ধিৰ বল থাকিলে দুৰা কাছটোৰ দৰে মৃত্যুৰ হাতৰ পৰাও বাচিব পৰা যায়। বান্দৰ আৰু দুৰা কাছৰ সাধুটোৱে এই কথাৰ প্ৰমাণ দিছে।*

❖ ❖ ❖

# ঘানা জাং গূজানি খাৰমূন

## [কণা আৰু কুঁজাৰ সাধু]

অতি পুৰনি কালত এজন কণা আৰু এজন কুঁজা ডেকা ল'ৰা আছিল। দুয়োজনে কাম-বন কৰিব নোৱাৰাৰ কাৰণে মগনীয়া হৈ মাগি খাইছিল। এদিন এজনে হঠাৎ আনজনক লগ পালে। কুঁজাই বাটত খোজ কঢ়াত কষ্ট হলেও সকলো বস্তু দেখা পায়। কণাই লাঠিডাল হাতত লৈ মাগি খুজি খাই ফুৰা দেখি কুঁজাৰ মনত কষ্ট হ'ল। সি কুঁজাক কলে—"হেৰা কণা! তুমি মোৰ লগ হোৱা দুয়োজনে সখী পাতিম। দিনটোত খুজি মাগি যি পাওঁ দুয়োজনে এঠাইত ৰান্ধি-বাঢ়ি খাম।" কণাই বৰ আনন্দ পালে আৰু আনন্দ মনেৰে কুঁজাৰ কথাত মান্তি হ'ল। কণাই ভাবিলে সি চকুৰে নেদেখে সদায় গৈ নথকা ঠাইলৈ গলে বাট চিনিব নোৱাৰি কত পৰি যায় ঠিক নাই। গতিকে দেখুৱাবলৈ লগৰীয়া থাকিলে তাৰ যে কিমান ভাল হ'ব। এদিন দুয়োজনে মাগিবৰ বাবে গাঁৱৰ পৰা ৰাওনা হ'ল। কুঁজাজন আগে আগে আৰু কণাই কুঁজাৰ কান্ধত হাত খন ৰাখি বাট বুলি গৈ থাকিল। গৈ গৈ এঠাইত মৰা কাউৰী এটা বাটত পৰি থকা দেখা পালে। কুঁজাই ভৰিত নলগাকৈ পাৰ হৈ গুচি গ'ল, কিন্তু কণাৰ ভৰিত লাগিল। কণাই সুধিলে—"সখী! মোৰ ভৰিত কিবা বস্তু এটা লগা যেন লাগিল এইটো কি?" কুঁজাই কলে "এটা মৰা কাউৰী।" তেতিয়া কণাই মৰা কাউৰীটো লগত লবলৈ ক'লে। তেতিয়া কুঁজাই কলে মৰা কাউৰীটো নি কি হ'ব? কণাই কলে "তুমি নাজানা—মৰা কাউৰীও দৰৱত লাগে।" "মই নাজানো দেই" বুলি কুঁজাই উত্তৰ দিলে। মৰা কাউৰীটোকে ভৰি দুটাত বান্ধি লাঠি ডালত ওলোমাই দুয়ো গৈ থাকিল। গৈ গৈ আৰু এটা ঠাইত ভঙা কুৰ



এটা কণাৰ ভৰিত লাগিল কণাই সুধিলে কি বস্তুনো ভৰিত লাগিল? কুঁজাই উত্তৰত এটা ভঙা কুৰ বুলি ক'লে। কণাই কলে উঠাই লোৱা ভঙা কুৰো কামত আহিব পাৰে। আমি দুয়োজনেই অইন গাঁৱৰ মানুহ কেতিয়া কি বিপদ ঘটে তাৰ ঠিক নাই। ভঙা-চিঙা যিয়েই নহওক লগত নিয়াই ভাল।" এই বুলি কণাই ভঙা কুৰটোও লবলৈ কলে। কুঁজাই কুৰৰ কাণত লাঠি ডাল সৰকাই লৈ গ'ল। গৈ গৈ অইন এঠাইত কণাৰ ভৰি লাগি তুং কৰি এটা শব্দ ওলাল। কণাই কি বস্তু ভৰিত লাগিছে বুলি সুধিলে আৰু কুঁজাই উত্তৰত এটা ভঙা মাদল বুলি কলে। কণাই ভঙা মাদলটোও লবলৈ কলে। কুঁজাই বেজাৰ কৰি কলে তুমি কি মানুহ হে বাটত যিহকে পাওঁ তাকেই লবলৈ কোৱা। দিনৰ দিনটো বাট বুলি গা অস্থিৰ কৰিছে আৰু তুমি লগত লৈছা মৰা কাউৰী, ভঙা কুৰ, ভঙা মাদল। এইবোৰে আমাক কি কাম দিব। মিছামিছি আমাৰ বোজা হে বেচি হৈ পৰিছে।" কণাই কয় নহয়, নহয় সময়ত এই সকলো বস্তু কামত আহিব পাৰে কি ঠিক।"

দুয়ো সখীয়ে গোটেই দিনটো খোজ কাঢ়ি গাঁৱলৈ উভতি আহিব নোৱাৰিলে। বেলি মাৰ যাবলৈ ধৰিছে সিহঁতে দিনটো জিৰণি লোৱা নাছিল। ইপিনে সিঁহতে সিদিনা পেট ভৰাই খাবলৈও পোৱা নাছিল। বৰ ভাগৰি পৰিছিল। কিছু সময়ৰ পিছত কুঁজাই জিৰণি লওঁ বুলি বহি পৰিল আৰু ক'লে "হাবিত থকা মানুহবোৰ বৰ বেয়া। গতিকে আমি ৰাতিটো ক'ত থাকিম চিন্তা কৰাচোন। ওচৰত মানুহৰ ঘৰ-দুৱাৰ আছেনে নাই বিচাৰিব লাগিব। ব'লা, এতিয়া আৰু বহি থাকিলে নহ'ব মানুহৰ ঘৰ-দুৱাৰ বিচাৰোগৈ।" গৈ গৈ কুঁজাই কলে "সৌৱা কিছু দূৰত জুম খেতিৰ মাজত ধানৰ ভঁৰাল যেন দেখিবলৈ পাইছো, তালৈকে যাওঁ।" দুয়ো গৈ সেই ঘৰ পালেগৈ আৰু তাতে ৰাতি কটাবলৈ ঠিক কৰিলে। কুঁজাই কণাক ধৰি ধৰি ভঁৰালৰ দুৱাৰেদি ভিতৰলৈ লৈ গ'ল তাতেই দুয়োটাই ফতা কানি পাৰি বাগৰ দিলে। কেতিয়া যে টোপনী আহিল কবকেই নোৱাৰিলে। দুয়ো টোপনীত লালকাল দি পৰি আছিল। তেতিয়া দুপৰ ৰাতি। ৰাক্ষস এটা আহি ডাঙৰকৈ চিঞৰি কবলৈ ধৰিলে, "মোৰ

ধানৰ ভঁৰালৰ ভিতৰত মানুহৰ গোন্ধ পাইছো কোন আছা ওলাই আহা! মই গিলি পেলাম," ভয়তে দুয়োৰে জীও নাইকীয়া যেন লাগিল। ৰাক্ষসে ভঁৰাল পিতপিতাই আছে আৰু কৈ আছে মই মানুহৰ গোন্ধ পাই আছো সোনকালে ওলা, নহলে মই ভিতৰত সোমাই তহঁতক খাম। এতিয়া কি কৰা যায়। দুয়ো কাণে কাণে ফিচ্ ফিচাই কলে এতিয়া ভয় কৰিলে আৰু নহ'ব। ৰাক্ষসৰ গৰাহৰ পৰা প্ৰাণ বচাবলৈ বুদ্ধি কৰিব লাগিব। কণাই কলে তুমিনো কোন? এনে প্ৰশ্ন শুনি ৰাক্ষসৰ দুগুণ খং উঠিল। দীঘল দীঘল নখ থকা ডাঙৰ ডাঙৰ আঙুলিৰে ভঁৰালৰ বেৰাটো ধৰি ফালি পেলাবলৈ চেষ্টা কৰিলে তেতিয়া উপাই নেদেখি কণাই বুদ্ধি কৰি কলে "তুমি যে আমাক খাবা তোমাৰ দাঁতবোৰ মেলি দেখুওৱাচোন।" ৰাক্ষসে মুখ মেলি দাঁত দেখুৱালে। তেতিয়া কণা আৰু কুঁজা দুয়ো "আমাৰ দাঁত চা" বুলি লগত অনা ভঙা কুৰটো দেখুৱালে। ৰাক্ষসে তাৰ দাঁততকৈ ডাঙৰ দেখি ভয় খালে। ৰাক্ষসৰ মাত কিছু ক্ষীণ হৈ আহিল। কণা আৰু কুঁজাই ৰাক্ষসে কিছু ভয় খোৱাৰ উমান পাই কলে, তুমি যে আমাক খাবা, বুলি কৈছা তোমাৰ মূৰৰ জকাটো দেখুওৱাচোন কিমান ডাঙৰ।" ৰাক্ষসে দেখুৱালে। "এতিয়া আমাৰ মূৰৰ ওকণিটো চোৱা" বুলি মৰা কাউৰীটোকে আগবঢ়াই দিলে। ৰাক্ষসে ভয়তে কিছু পিচুৱাই গ'ল। তাকে দেখি কণা আৰু কুঁজাৰ সাহস বাঢ়িল আৰু কলে "তুমি হাত চাপৰি দি শুনুৱাচোন কাৰ জোৰ বেছি।" ৰাক্ষসে হাত চাপৰি দিলে। কণাই "তোমাৰ হাতৰ চাপৰৰ শব্দতকৈ আমাৰ বেচি ডাঙৰ হ'লে তোমাক আমি খাম বুলি কৈ লগত অনা ভঙা মাদলটো বজালে। ৰাক্ষসে শুনি ভয় খালে। হাত চাপৰৰ শব্দ যদি ইমান ডাঙৰ হয় তেন্তে মোক নিশ্চয় খাই পেলাব বুলি ভাবি তাৰ পৰা পলাই পতং দিলে। ৰাক্ষসে পুনৰ আগবাঢ়ি আহবলৈকো সাহস নকৰিলে।

কণা আৰু কুঁজা দুয়ো সখীয়ে বৰ আনন্দ পালে। কণাই কলে "সখী! দেখিছা, আমি লগত অনা মৰা কাউৰী, ভঙা কুৰ, আৰু ভঙা মাদলে কেনে কাম দিলে। কুঁজাই কলে "ডাঙৰ কামত লাগিল। এইবোৰ বস্তু আজি লগত নেথাকিলে কিজানি ৰাক্ষসে আমাক খাই পেলালে



হেঁতেন। তুমি চকুৰে নেদেখিলে কি হ'ব, তুমি বৰ বুদ্ধিয়ক। আজিৰ পৰা তোমাৰ কথামতে চলিম" বুলি কণাৰ শলাগ ললে। বাকী ৰাতিটো দুয়ো সখীয়ে নিশ্চিন্ত মনেৰে শুই কটালে। পিছদিনা ৰাতি পুৱালত কুঁজাৰ ৰাক্ষসৰ ভঁৰাল ঘৰৰ ভিতৰত কাঁহি-বাতি, কাপোৰ-কানিও দেখিলে। বস্তুবোৰৰ কথা কণাই কুঁজাক কলে। কণাই কলে লোৱা যিমান পাৰা লোৱা কোনো কথা নাই।" বস্তু কেইটা গোটাই ডাঙৰ টোপোলা বান্ধি কণাই মূৰত লৈ ল'লে আৰু সেই ঠাইৰ পৰা গুচি আহিল। গৈ গৈ সিহঁত দুজনৰ নিজৰ নিজৰ গাঁৱৰ ওচৰ পালেগৈ। গাঁৱৰ ওচৰ পাই কুঁজাই কলে—"এতিয়াতো আমি নিজৰ নিজৰ ঘৰলৈ গুচি যাম। গতিকে আমি লগত অনা বস্তবোৰ এই ঠাইতেই বহি ভগাই লোৱা যাওঁক।" দুয়ো বহি পৰিল আৰু বস্তুবোৰ কুঁজাই ভগালে। কণাই তাকে খেপিয়াই খেপিয়াই চাই ভাল ভাগটো ললে। তেতিয়া কুঁজাই সুদিলে তুমি চকুৰে নেদেখাকৈ এই ভাগটো কেনেকৈ ল'লা?" কণাই কুঁজাৰ কথা শুনি "তেতিয়াহলে আকৌ ভগাই পেলাম" বুলি দুভাগ কৰা ভাগটো আকৌ ভগাবলৈ লৈছিল। এনে মুহূৰ্তত কুঁজাই কৰবাৰ পৰা এমুঠি বালি আনি কণাৰ চকুত ঘঁহি দিলে। কণাই তেনে কৰাত খঙত কুঁজাক ধৰি কুঁজাৰ পিঠিত ভুকুৱাবলৈ ধৰিলে। কিল খাই কুঁজাৰ পিঠিটো পোন হৈ গ'ল। কুঁজাই কণাৰ চকুত বালি ঘঁহি দিয়াৰ ফলত কণায়ো চকুৰে দেখিবলৈ পোৱা হ'ল। দুয়ো সখীয়ে মনত বৰ ৰং পালে আৰু সন্তোষ মনেৰে নিজৰ নিজৰ ঘৰলৈ বুলি উভতি গৈ কণা হৈ থকাৰ কষ্ট আৰু কুঁজা হৈ থকাৰ কষ্ট নাইকীয়া হোৱাত দুয়ো স্বাভাৱিক জীৱন যাপন কৰি থাকিল।

❖ ❖ ❖

# জূবূ চাং-সাঙ্গবানী খাৰমূন

## [সাপৰ সৃষ্টিৰ সাধু]

পৃথিৱী সৃষ্টি হোৱাৰ লগে লগে সৃষ্টিকৰ্তাই পোনতে মানুহক সৃজন কৰিলে। কিন্তু মানুহ অকলে পৃথিৱীত থাকে কেনেকৈ? ঘৰত চোৰ সোমালে খেদাবলৈ লাগিল কুকুৰ, হাল বাবলৈ লাগিল গৰু, ম'হ, তেনেকৈ নানান ধৰণৰ জন্তু, চৰাই চিৰিকতি, পোক পৰুৱাও সৃষ্টি কৰিলে। তাৰ ভিতৰত ভেকুলীকো সৃষ্টি কৰিব লগা হ'ল। কিয়নো ভেকুলী নাথাকিলে বৰষুণ মাতিব কোনে? তাৰোপৰি পোক পৰুৱা খাই পেলাব কোনে? ভেকুলী সৃষ্টি কৰাৰ ফলত দেখা গ'ল যে ভেকুলীৰ সংখ্যা অতিপাত বৃদ্ধি পাবলৈ ধৰিলে। ভেকুলীৰ উৎপাতত থাকিব নোৱাৰি সৰগৰ দেবতাসকলে এখন মেল পাতিবলৈ বাধ্য হ'ল। মেলত সকলোৱেই একমত হৈ ভেকুলীৰ উৎপাতৰ পৰা কেনেকৈ ৰক্ষা পোৱা যায় তাৰ উপাই উলিয়াবলৈ সৃষ্টিকৰ্তাক খাটনি ধৰিলে। সৃষ্টিকৰ্তা সকলোৰে আগত জব্দ হৈ বিবুদ্ধিত পৰিল। কোনো উপাই নেদেখি সৃষ্টিকৰ্তাই নিজৰ পত্নীক উপায় এটা উলিয়াবলৈ কলে। পত্নীয়ে স্বমীৰ বিপদৰ কথা শুনি উপায় চিন্তা কৰি উলিয়াবলৈ এৰাতি সময় হাতত ললে।

পিছদিনা ঘৈণীয়েকে সৃষ্টিকৰ্তাৰ ওচৰত উপায় নিবেদন কৰি ক'লে "ভেকুলীবোৰক মাৰিবৰ বাবে আন এটা প্ৰাণী স্ৰজিব লাগিব। এই নতুন প্ৰাণীটোৰে পানীতেই হওঁক বা মাটিতেই হওঁক ভেকুলীবোৰক খেদা মাৰি ধৰিব পাৰিব লাগিব।" সৃষ্টিকৰ্তাই এই প্ৰাণীটো কেনেধৰণৰ



কি আকৃতিৰ হ'ব লাগিব সেই বিষয়ে একো ধাৰণা কৰিব নোৱাৰিলে। সেয়েহে ঘৈণীয়েকক কলে "মই তোমাৰ কথা শুনি একো ধৰিব পৰা নাই। প্ৰাণীটোৰ আকৃতি কেনেধৰণৰ হ'ব সেইটো তুমিয়েই মাটিৰে তৈয়াৰ কৰি দেখুৱাই দিব লাগিব।" ঘৈণীয়েক মহা বিপদত পৰিল। উপায়হীন ঘৈণীয়েকে ৰাতিটো ঈশ্বৰক স্তুতি কৰিবলৈ ধৰিলে। সপোনত ঈশ্বৰে সাপৰ আকৃতি কেনে ধৰণৰ হ'ব লাগে সকলো বুজাই দিলে। ঘৈণীয়েকে সপোনত নিৰ্দ্দেশ পোৱা মতে মাটিৰে এটা সাপ তৈয়াৰ কৰি দেখুৱালে।

আনপিনে সৰগৰ দেৱতাসকলে পৃথিৱীৰ মানুহৰ পৰা বহুতো কথাৰ কাৰণে আমনি পাই আছিল। গতিকে দেৱতাসকলেও মানুহৰ সংখ্যা কিছু কম কৰাৰ বাবে সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছিল। সৃষ্টিকৰ্তাই পুনৰ ঘৈণীয়েকক পৃথিৱীত মানুহৰ সংখ্যা কম কৰাৰ উপায় উলিয়াবলৈ ক'লে। ঘৈণীয়েকে আগৰ দৰেই এৰাতিৰ সময় বিচাৰি ল'লে আৰু সেইদিনা ৰাতি শোৱাৰ সময়ত ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাত ঈশ্বৰেও পুনৰ সপোনত নিৰ্দ্দেশ দিলে। ঈশ্বৰৰ নিৰ্দ্দেশ মতে ঘৈণীয়েকে পিছদিনা আন এটা কিম্ভুট কিমাকাৰ সাপ মাটিৰে সাজি দিলে। সৃষ্টিকৰ্তাই চিন্তা কৰি চালে, অকল মাটিৰ এটা আকৃতি সাজি দিয়াতেই কাম শেষ হোৱা নাই। জীউ দিব লাগিব বুলি সেই কিম্ভুত কিমাকাৰ মাটিৰ সাপত প্ৰাণ দিলে। এতিয়া সেইটো জীৱন্ত প্ৰাণী হ'ল। সি মানুহ, ডাঙৰ ডাঙৰ জন্তুও গিলি খাব পাৰিব আৰু তাৰ কাম হ'ব মানুহৰ গাত বিষ ঢালি দিয়া। সি যদি মানুহৰ ভৰিৰ ছাপত বিষ ঢালি দিয়ে তেন্তে সেই মানুহজন মৰি থাকিব।

এনেকৈয়ে সৰু সৰু সাপ, ভেকুলী আৰু মানুহক মাৰিবৰ কাৰণে অজগৰ সাপৰ সৃষ্টি হ'ল। সৃষ্টি হোৱাৰ কিছুদিনৰ পাছত অজগৰ সাপে ভাবিলে সৃষ্টিকৰ্তাই তাক সৃজন কৰিলে আৰু বৰ দিলে যে সি মানুহৰ হেঁচা পৰিলে যদি সি তাৰ মোনাত থকা বিষ ঢালি দিয়ে তেন্তে মানুহ মৰিব। কথাষাৰ সঁচা নে মিছা তাৰ প্ৰমাণ চাবলৈ অজগৰ সাপৰ মন গ'ল। তাৰ বাবে ছেগ বিচাৰি আছিল। এদিন এজন ডেকা ল'ৰাই

বনৰীয়া শাক তুলিবলৈ হাবিলৈ গৈছিল। ডেকা ল'ৰাজনে বনৰ চৰাই চিৰিকতিবোৰে চিঞৰি থকা শুনিবলৈ পালে। ডেকাজনে তাৰ কাৰণ জানিব নোৱাৰি কেৱল আচৰিত হৈ চৰাইবোৰ হে চাই আছিল। আচলতে চৰাইবোৰে এটা অজগৰ সাপ দেখি চিঞৰি আছিল। অজগৰটোৱে ডেকা ল'ৰাজনৰ ভৰিৰ হেঁচা লাগিলে বিষ ঢালি দিবৰ কাৰণে একেবাৰে লৰচৰ নকৰাকৈ লুকাই আছিল।

ডেকাজনে সেই ঠাইৰ পৰা গৈ থাকোতে অজগৰটোৱে হাবিৰ পৰা ওলাই ডেকাজনৰ ভৰিৰ খোজ পৰা ঠাইত লুকাই আছিল। ডেকাজনৰ ভৰিৰ হেঁচা পৰাত অজগৰ সাপটোৱে তাৰ বিষ ঢালি দিলে। ডেকাজন উভতি গৈ ঘৰ পালেগৈ কিন্তু সাপৰ বিষৰ যাতনাত ধৰফৰনি আৰম্ভ কৰিলে। ওচৰৰ গাঁৱত থকা বহু বেজ আহি জাৰি ফুঁকিও ভাল কৰিব নোৱাৰিলে আৰু ডেকাজন মৰি থাকিল। অজগৰটোৰ ডেকাজনৰ কি হ'ল জানিবৰ কাৰণে বৰ আগ্ৰহ হ'ল। সি পিছদিনা এটা সৰু সাপক ডেকাজন থকা গাঁৱলৈ পঠিয়ালে আৰু ক'লে "তুমি যোৱাচোন সেই গাঁৱত আজি ডাঙৰ ভোজ পাতিছে বুলি জানিব পাৰিছো। তুমি গম লৈ আহাচোন কিহৰ বাবেনো ভোজ পাতিছে। পিছদিনা সৰু সাপটোৱে অজগৰ সাপৰ আদেশ অনুসৰি সেই গাঁৱলৈ গ'ল আৰু দেখিলে গাঁৱত বিৰাট ভোজভাত আয়োজন কৰা কথা সঁচা কিন্তু গাঁৱৰ মানুহে অতি ভাল ডেকা ল'ৰা এঠা সাপৰ বিষত মৰাৰ কাৰণে ৰাইজৰ মনত বিষাদৰ ছাঁ পৰিছে। ডেকাজনৰ মৃত্যু হোৱাত ৰান্ধি থোৱা ভোজভাত কোনেও নোখোৱাকৈ নষ্ট হ'ল। গাঁৱৰ মানুহে ডেকা ল'ৰাটোৰ কাৰণে দুখ বেজাৰ কৰি আছে। "মোৰ কথা বিশ্বস নকৰিলে তুমি নিজে গৈ চাই আহিব পাৰা।" বুলি সৰু সাপটোৱে আহি অজগৰক জনালে। অজগৰে কোনো দৰকাৰ নাই গাঁৱৰ মানুহে মোক দেখিলে মাৰিবলৈ খেদি আহিব" বুলি ক'লে কিন্তু অজগৰে ভিতৰে ভিতৰে অতি দুখ পাইছিল। তাৰ কুকৰ্ম্মৰ কাৰণেই ডেকাজন মৰিল বুলি ভাবি অজগৰে বেজাৰ পাই লৰচৰ নকৰাকৈ এঠাইত স্তব্ধ হৈ থাকিল। তাৰ বিষৰ কাৰণে ল'ৰাজন মৰিব লগীয়া হ'ল বুলি ভাবি নিজৰ ওপৰত নিজেই খং কৰি তাৰ বিষৰ



মোনাটো গাৰ পৰা টানি উলিয়াই হাবিৰ ফালে দলিয়াই দিলে। বিষৰ মোনাটো মাটিত পৰাৰ লগে লগে বিষবোৰ চাৰিওফালে ছিটিকি পৰিল। অজগৰটোৱে নিজৰ ওপৰত খং কৰি বেজাৰ মনেৰে সেই ঠাইৰ পৰা আঁতৰি গৈ গভীৰ বনৰ জান জুৰিৰ কাষলৈ গুচি গ'ল।

কিন্তু অজগৰৰ মনত শান্তি নাই। সি খঙত দলিয়াই দিয়া বিষৰ মোনাটোৰ পৰিণতি কি হ'ল চাবৰ মন গ'ল। তাকে চাবলৈ গভীৰ বনৰ পৰা ওলাই আহি মোনা দলিয়াই দিয়া ঠাইলৈ আকৌ আহিল। সি দেখিবলৈ পালে যে সি দলিয়াই দিয়া বিষৰ মোনাৰ পৰা ছিটিকি পৰা বিষবোৰ বুটলি সৰু সৰু সাপবোৰে নিজৰ নিজৰ দাঁতত লগাই লৈছে। তাকে দেখি অজগৰে নিজৰ ভুলটো ধৰিব পাৰিলে। আগ-পিছ নেভাবি ক্ষন্তেকৰ খঙত বিষৰ মোনাটো পেলাই দিয়াত নিজৰ হে ক্ষতি হ'ল। তেতিয়াৰ পৰা অজগৰ সাপৰ বিষ নোহোৱা হ'ল। আৰু আনহাতে সৰু ডাঙৰ অইন কিছুমান সাপ বিষযুক্ত হ'ল।

*উপসংহাৰ ঃ দেখিছা অকণিহঁত। যি কোনো কাম কৰাৰ আগতেই ভাবি চিন্তি কৰিব লাগে। যাতে নিজৰ আৰু সমাজৰ ক্ষতি নহয়। খঙৰ ভমকত অজগৰে বিষৰ মোনাটো দলিয়াই দিয়াৰ ফলত পেলোৱা জনৰ আৰু লগতে সমাজৰো ক্ষতি হ'ল। অজগৰ ডাঙৰ সাপ হৈয়ো বিষহীন হৈ থাকিব লগীয়া হ'ল।*

❖ ❖ ❖

# মসঃ বগ্ৰং গবানী খাৰমূন

## [হৰিণা পহুৰ শিং খহি পৰাৰ সাধু]

আকণিহঁত তোমালোকে হৰিণা পহু দেখিবলৈ পাইছানে? নিশ্চয় পাইছা। কিয়নো আজিকালি বনত গৈ নেদেখিলেও চিৰিয়াখানালৈ গ'লেই দেখা পায় নহয়। হৰিণা বৰ নিৰীহ জন্তু। সি অইন কোনো জন্তুৰ ক্ষতি নকৰে। সিহঁতক বাঘ আদি হিংস্ৰ জন্তুৱে ধৰি মাৰি খাই পেলায়। হৰিণাৰ চখু দীঘলকৈ বৰ ধুনীয়া আৰু মৰম লগা। গতিকে মানুহৰ চকুও যাৰ দীঘল হয় তাকে হৰিণা চকু বা মৃগ নয়ন আৰু মৃগনয়নী বুলি কয়। আন আন জন্তু পৃথিৱীত সৃষ্টি হোৱাৰ লগে লগে এনে ধুনীয়া আৰু নিৰীহ জন্তুও সৃষ্টি হৈছিল। যেনেদৰে কুকুৰ আৰু মেকুৰীৰ শিং নাই তেনেতে পোনতে হেনো হৰিণাৰো শিং নাছিল।

তেনেহলেনো বৰ্তমান হৰিণাৰ শিং কেনেকৈ হ'ল আৰু কিয় খহি পৰে তাকেই কবলৈ লৈছো। আক্ৰমণৰ কাৰণে নহ'লেও আত্মৰক্ষাৰ কাৰণে সকলোকে কিবা নহয় কিবা এটা লাগে। কুকুৰ, মেকুৰীৰ শিং নাথাকিলেও সিহঁতৰ দীঘল নখ আৰু চোকা দাঁত আছে। হৰিণাৰ একোৱেই নাই। গতিকে হৰিণা সমাজে গোট খাই আলোচনা কৰি সিদ্ধান্ত কৰিলে যে সিহঁতেও সৃষ্টিকৰ্তাৰ ওচৰত শিং দাবী কৰিব নহ'লে বাঘৰ কথাটো বাদেই ঘোং শিয়াল আদিয়েও সিহঁতক হত্যা কৰিব। এনেকৈ থাকিলে পৃথিৱীত সিহঁতৰ বংশ লোপ পাব।

পুৰণি যুগত কিন্তু জন্তু, চৰাই চিৰিকতিৰো বছৰি এবাৰ মেল বহিছিল। সেই মেলত হৰিণাবোৰেও সিহঁতৰ দাবী সৃষ্টিকৰ্তাৰ ওচৰত জনাবলৈ



উপস্থিত হ'লগৈ। মেলত সিহঁতে অভিযোগ তুলিলে যে, সিহঁত অতি নিৰীহ জীৱ। তাৰোপৰি সিহঁতৰ আত্মৰক্ষাৰ বাবে কোনো অঙ্গ নাই কাৰণে হিংস্ৰ জন্তু বিলাকে মাৰি মাৰি খায়। গতিকে সিহঁতৰো শিং থাকিব লাগে। হৰিণা সমাজৰ এনে অভিযোগ শুনি অইন জন্তুবোৰেও সমৰ্থন জনাই ক'লে "নিশ্চয় নিশ্চয়, এইটো সৃষ্টিকৰ্তাৰ ভুল হৈছে। আত্মৰক্ষাৰ বাবে সিহঁতৰ শিং সৃষ্টি কৰা বৰ জৰুৰী। এই বুলি অইন অইন জন্তু বিলাকেও সমৰ্থন জনালে।

জন্তুৰ মেলটো সৰ্বসন্মতি দাবী জনাইছে যেতিয়া সৃষ্টিকৰ্তাই হৰিণাৰ শিং কৰি দিয়া যাব বুলি অঙ্গীকাৰ কৰিলে। সৃষ্টিকৰ্তাই হৰিণাবোৰক জনালে যে, সিহঁতৰ বাবে নানা ধৰণৰ শিং সজোৱা হ'ব। শিং সজোৱা কাম শেষ হোৱাৰ পাছত সিহঁতক মতা হ'ব আৰু তেতিয়া সিহঁতে আহি সকলো চাই চিতি মনোমত শিং দেখুৱাই যাব লাগিব। তেতিয়াহে সিহঁতৰ বাছনি মতে শিং সাজি দিয়া হ'ব।

বহুত দিন পাৰ হ'ল। হৰিণাবোৰে সৃষ্টিকৰ্তাৰ পৰা কোনো খা-খবৰ নোপোৱাত অধৈৰ্য্য হৈ সিহঁতে ঠিক কৰিলে যে সৃষ্টিকৰ্তাৰ শিং সজাৰ কাম কিমান হৈছে আৰু কিমান দেৰি হ'ব তাকে মনে মনে চাই আহিব। আনহাতে সৃষ্টিকৰ্তাৰ শিং সজোৱা কাম প্ৰায় শেষ হৈ আহিছিল। সম্পূৰ্ণ হ'বলৈ কিছু মাথোন বাকী আছিল। এদিন সৃষ্টিকৰ্তাই শিং বিধে বিধে সজাই দুপৰীয়া সময়ত ভাগৰ লগাত কিছু সময়ৰ কাৰণে জিৰণি লবলৈ ঘৰৰ ভিতৰলৈ গৈছিল। এনে সময়তে হৰিণাবোৰে গৈ সৃষ্টিকৰ্তাৰ চোতাল পালেগৈ। সিহঁতে দেখিলে বহুতো শিং সজাই থোৱা আছে। হৰিণাবোৰে ভাবিলে ইমান শিং সজা হৈ গ'ল তথাপি লৈ যাবলৈ খবৰ দিয়া নাই। গতিকে আজি নিজে নিজেই মনে মনে লৈ বনলৈ পলাই যাওঁ বুলি হৰিণাবোৰে শিং লৈ হাবিলৈ পলাল।

কিছু সময় জিৰণি লোৱাৰ পাছত সৃষ্টিকৰ্তাৰ শিং সজাই থোৱা ঠাইলৈ আহি দেখিলে যে, সাজি থোৱা শিংবোৰ সেই ঠাইত নাই। সৃষ্টিকৰ্তা বৰ দুঃখিত হ'ল আৰু এনে কাম কোনে কৰিলে তাকে জানিবলৈ

ধ্যানমগ্ন হ'ল। ধ্যান কৰি সৃষ্টিকৰ্তাই জানিব পাৰিলে যে শিংবোৰ তেওঁৰ ওচৰত শিঙৰ দাবী কৰা হৰিণাবোৰেই চুৰ কৰি নিলে। সৃষ্টিকৰ্তাৰ আদেশ নামানি মনে মনে চুৰ কৰি লৈ যোৱাৰ বাবে বৰ খং উঠিল। খং চম্ভালিব নোৱাৰি সৃষ্টিকৰ্তাই হৰিণাবোৰক এই বুলি শাও দিলে যে, চুৰ কৰা অপৰাধত সিহঁতৰ শিং বছৰি এবাৰকৈ খহি পৰিব আৰু আকৌ শিং গজি আগৰ দৰে নোহোৱালৈকে সিহঁত অসহায় হৈ থাকিব লাগিব।

*উপসংহাৰ ঃ দেখিছা অকণিহঁত! হৰিণাবোৰ অধৈৰ্য্য নোহোৱা হলে এনে শাপগ্ৰস্ত হ'ব নেলাগিলহেঁতেন। সিহঁতে সৃষ্টিকৰ্তাৰ আদেশ অমান্য কৰিলে তাৰোপৰি শিং চুৰ কৰিবলৈ গ'ল। এনে দুটা অপৰাধৰ ফলত শাপগ্ৰস্ত হ'ব লগা হ'ল। গতিকে তোমালোকে ডাঙৰৰ আৰু গুৰুজনৰ কথা মানি চলিবা আৰু অধৈৰ্য্য হৈ কোনো বেয়া কাম নকৰিবা।*

❖ ❖ ❖



# দাউ কাক্লিংমানী খাৰমূন

## [শ্যোন চৰাইৰ সাধু]

অতি পুৰণি কালত এঠাইত এহাল মানুহ বাস কৰি আছিল, তেওঁলোকে দুজনী জীয়ৰী সৈতে সুখ আৰু শান্তিৰে দিন পাৰ কৰিছিল। সুখ আৰু শান্তিৰে থকা দেখি এজনী বাৰী তিৰোতায় তেওঁলোকক হিংসা কৰিছিল। বাৰীজনী মনত কুচিন্তা কৰিবলৈ ধৰে। তাই ঘৈণীয়েক জনীক যি কোনো প্ৰকাৰে মাৰি পেলাব পাৰিলে বৰলা গিৰীয়েকক লৈ নতুন সংসাৰ পাতিব পাৰিব বুলি মনতে পাঙিলে। এদিন তাই এটা বুদ্ধি উলিয়াই লৈ মানুহজনীক দূৰৰ জান এটালৈ শামুক বুটলিবলৈ বুলি চলেৰে লৈ যাব আৰু তাতেই মাৰি পেলাব বুলি থিৰ কৰিলে।

বাৰীজনীয়ে তিৰোতাজনীক সদায় শামুক বুটলিবৰ কাৰণে লগ ধৰে, কিন্তু তাই কিবা এটা অজুহাত দেখুৱাই যাব নোৱাৰিব বুলি কৈ পঠিয়ায়। বাৰীজনীয়ে সদায় লগধৰি থকাত এদিন বাৰীজনীৰ লগত যাবলৈ মান্তি হ'ল। এদিন জাকৈ খালৈ লগত লৈ বাৰীজনীৰ লগত তিৰোতাজনী লগ লাগি জানৰ পিনে গ'ল। জানটো পোৱাৰ পিছত ঘৈণীজনীয়ে পানীত নামি পানীৰ তলৰ পৰা শামুক খেপিয়াই ধৰিবলৈ ল'লে, কিন্তু বাৰীজনীয়ে তলে তলে বিষাক্ত পোক-পৰুৱাহে বিচাৰি থাকিল। তাই বিছা, সাপ, ছেলা, বৃশ্চিক আদি ধৰি খালৈত ভৰাই থাকিল। আনপিনে ঘৈণীজনীয়ে বহুত সময় শামুক বুটলাৰ পিছত ঘৰলৈ উভতিবৰ কাৰণে বাৰীজনীক লগ ধৰিলে। বাৰীজনীয়ে অলপ ৰ'বলৈ কৈ চকুৰ আগত বিষাক্ত পোক-পৰুৱা যিহকে পাই তাকে ধৰি খালৈত ভৰাই দেৰি কৰি থাকিল। কিছু সময় যোৱাৰ পিছত 'যাওঁ বল' বুলি আহিবলৈ ধৰিলে যদিও যোৱা বাটৰে নাহি অইন বাটৰে আহিবলৈ ল'লে। এঠাইত দেখিবলৈ পালে যে এডাল লেতেকু গছত থোকা-থোকে হালধীয়া হৈ

লেতকু পকি আছে, তাকে দেখি বাৰীজনীয়ে ঘৈণীজনীক লেতেকু গছত উঠি লেতেকু পাৰিবলৈ কলে। উপায়হীন ঘৈণীজনীয়ে লেতেকু গছত উঠি লেতেকু পাৰিবলৈ ধৰিলে, আৰু লেতেকু পাৰি তলত বাৰীজনীক ধৰিবলৈ কৈ পেলাই দি থাকিল। বাৰীজনীয়ে বুটলি বুটলি কাপোৰত টোপোলা বান্ধি ললে। আৰু মনে মনে লগত অনা সাপ, বিচা, ছেলা আৰু অন্যান্য বিষাক্ত পোক-পৰুৱা বোৰক লেতেকু গছত বগাই উঠি যাবলৈ মেলি দিলে। ঘৈণীজনীয়ে লেতেকু গছৰ ওপৰত ভয়তে চিঞৰি চিঞৰি আধামৰা হ'ল।

দূৰৈৰ এখন নৈত ইন্দ্ৰ ৰজাৰ সাতজনী জীয়ৰীহঁতে গা ধুই আছিল। তাৰ ভিতৰত আটাইতকৈ সৰুজনীয়ে শুনিবলৈ পালে যে কোনোবাই আই-ঐ আই-ঐ বুলি কন্দা-কটা কৰিছে। তাই বায়েকহঁতক কলে, বাইহঁত শুনাচোন শুনা কোনোবাই আই-ঐ আই-ঐ বুলি কান্দিছে। বায়েকহঁতে সৰু ভনীয়েকক ধমক দি কলে, "নুশুনিবি, এইবোৰ। যি হয় হওঁক।" তথাপি কান্দোন শুনি দুখ লগাত পুনৰ কলে বোলে, "বাইহত! শুনা বৰ দুখ লগা কান্দোন। তিৰোতা মানুহৰেই কান্দোন। আমি বিচাৰি যাওঁ বলা।" সৰু ভনীয়েকৰ এনে সহানুভূতিৰ কথা শুনি আঠাইতকৈ ডাঙৰ বায়েকজনীয়ে ধ্যান কৰি জানিব পাৰিলে যে তিৰোতা এজনীয়ে কিবা বিপদত পৰি লেতেকু গছজোপাৰ ডালত বহি কান্দি আছে। গতিকে তাই চিঞৰি থকাৰ পিনে মুখ কৰি চিঞৰি চিঞৰি কলে "হেৰা মানুহজনী! তুমি লেতেকু গছ জোপাৰ আগত উঠি থকা। গছ জোপাৰ আগত শ্যেন চৰাইৰ এটা বাঁহ আছে, তাতে দুটা কণী আছে। তাৰে তুমি এটা কণী ভাঙি তলত পেলাই দিয়া আৰু আনটো কণী ভাঙি কুহুমটো খাই পেলোৱা।" উপায়হীন তিৰোতাজনীয়ে শুনামতেই কাম কৰিলে। লেতেকু গছৰ ওপৰতেই থাকি শ্যেন চৰাইৰ বাঁহৰ এটা কণী ভাঙি তলত পেলাই দিলে, আৰু আনটো ভাঙি নিজে খাই পেলালে। তাকে দেখি লেতেকু গছৰ ওপৰত বগাই ফুৰা সাপকেইটা আৰু বিষাক্ত পোক-পৰুৱাবোৰে মাটিত পৰি থকা কণীৰ কুহুমটো খাবলৈ গছৰ পৰা নামি যাবলৈ ধৰিলে।



ইপিনে তিৰোতাজনীয়ে শ্যেন চৰাইৰ কণী খোৱাৰ ফলস্বৰূপে শ্যেন চৰাইত ৰূপান্তৰিত হ'ল। কেৱল ডেউকা দুখনহে নাথাকিল। ডেউকা নথকাৰ কাৰণে মানুহজনীয়ে নিজৰ ৰিঝাম্পাই (ৰিহা) ৰিকাউছা (ওৰণী) দুখনকেই নিজৰ ডেউকা বনাই আকাশলৈ উৰি গ'ল। তাকে দেখি অসৎ বাৰীজনীয়ে বৰ আনন্দিত হ'ল। তাই ভাবিলে ঘৈণীজনী চৰাই হৈ আকাশলৈ উৰি গ'ল যেতিয়া তাইৰ বৰলা গিৰীয়েকক লৈ তাই সংসাৰ পাতিব পাৰিব। এনে ভাবি ঘৈণীজনীয়ে বোটলা শামুক আৰু পাৰা লেতেকু বিলাক লৈ মানুহজনীৰ ঘৰলৈ গৈ থাকিবলৈ ল'লে।

মানুহ জনীৰ দুয়ো জীয়ৰীয়ে মাক উভতি নহা দেখি বাৰীজনীক সিঁহতৰ মাক কিয় অহা নাই বুলি সুধিলে। বাৰীজনীয়ে উত্তৰত কলে যে "তহঁতৰ মাৰে ইমানবোৰ লেতেকু পাৰিও হেপাহ পলোৱা নাই।" তাই লেতেকু গছৰ ওপৰত উঠি লেতেকু পাৰিয়েই আছে। মই কিমান য়ে মাতিলো, তথাপি তাই নাহিল। মই ৰ'ব নোৱাৰি গুচি আহিছো।" মাকৰ খবৰ শুনি ছোৱালী দুজনীয়ে কন্দাকটা কৰি থাকিল।

ইপিনে সেই অসৎ বাৰীজনীয়ে সেই ঘৰত সোমাই নোযোৱাই হ'ল। ছোৱালী দুজনীৰ সৎমাক হৈ থাকিবলৈ ল'লে। দিনক দিনে সৎমাকে ছোৱালী দুজনীক দেখিব নোৱাৰা হ'ল। খোৱা-বোৱাৰ যতন নলয়। ঘৰৰ সকলো কাম-বন ছোৱালী দুজনীকহে কৰিবলৈ দিয়ে। ফটা কানিকেহে পিন্ধিব উৰিবলৈ দিয়ে। কিন্তু মাক নাই দুখৰ কথা কাকনো কব, দুই ভনীয়ে বেজাৰ মনেৰে চকুলো মচি দুখৰ দিন পাৰ কৰে। সিঁহতে বুজিব পাৰিলে যে, সিঁহতৰ মাকজনীক সৎমায়েই মাৰি পেলাইছে, নহ'লেনো সিঁহতৰ মাকে ইমান দিনে ঘৰত নাহিব কিয়?

এদিন অসৎ মাইকীজনীয়ে জ্বৰ হোৱা ভাও ধৰি শুই থাকিল। জ্বৰৰ কাৰণে তাই জুম খেতি চাবলৈ যাব নোৱাৰিব বুলি কৈ চোৱালী দুজনীক জুম চিকুনাবলৈ পঠিয়াই দিয়ে। জুমৰ কাম কৰি কৰি ভাগৰি গলে দুই ভনীয়ে এঠাইত বহি কথা পাতে। "সিঁহতৰ মাক থাকিলে কিমান সোৱাদ বস্তু খাবলৈ দিলেহেতেন।" এনে কথা-বতৰা হোৱাৰ লগে লগে আকাশৰ পৰা শ্যেন চৰাই এজনী উৰি আহি সিঁহতক সোৱাদ বস্তু

খাবলৈ দিয়ে। মূৰত তেল ঘঁহি দিয়ে, চুলি ফণীয়াই দিয়ে। জুমৰ পৰা চোৱালী দুজনী উভতি আহিলে সদায় সিঁহতৰ মূৰ পৰিপাতিকৈ আছে। তাকে দেখি অসৎ মানুহজনীয়ে চোৱালী দুজনীৰ পৰা কথা খুচৰি খুচৰি কথা উলিয়ালে। যে সদায় সিঁহত দুই ভনী জুমত গলে শ্যেন চৰাই জনীয়ে আকাশৰ পৰা উৰি আহি সিঁহতক ভাল ভাল সোৱাদ বস্তু খাবলৈ দি যায়। আৰু মূৰত তেল দি চুলি ফণীয়াই দি যায়। অসৎ মাইকীজনীয়ে বুজি পালে যে শ্যেন চৰাই জনী নিশ্চয় ছোৱালী দুজনীৰ মাক। মানুহ দুনুহ নথকা ছেগ দেখি শ্যেন চৰাই জনীয়ে ছোৱালী দুজনীক মৰম কৰি যায়। ভাল ভাল সোৱাদ বস্তু খাবলৈ দি যায়। গতিকে শ্যেন চৰাই জনীক কি উপায়েৰে মাৰিব পৰা যায় তাৰ চিন্তা কৰি থাকিল।

এদিন ছোৱালী দুজনী জুম খেতিলৈ গলে অসৎ মাইকীজনীয়ে কলা কুকুৰৰ ৰূপ ধৰি জুম খেতিত ওলালগৈ। কলা কুকুৰক দেখি শ্যেন চৰাই হোৱা তিৰোতা জনীয়ে বুজি পালে যে এই ডাইনীজনীয়ে তাইৰ মৰমৰ ছোৱালী দুজনীক মাৰি পেলাব। গতিকে শ্যেন চৰাই জনীয়ে সিঁহত থকা ঠাইৰ ওচৰ পাজৰৰ বননীত বহি ছোৱালী দুজনীৰ প্ৰতি চকু দি থাকিল। শ্যেন চৰাই জনীয়ে মনে মনে ঠিক কৰিলে যে কুকুৰ ৰূপী ডাইনীজনীয়ে যদি ছোৱালী দুজনীক কিবা কৰিবলৈ ধৰে, তেনেহ'লে তাইৰ দীঘল নখেৰে আচুৰি আচুৰি আধামৰা কৰি পেলাব। আৰু তাইৰ দীঘল ঠোটেৰে তাইৰ চকুবোৰ উলিয়াই খাই পেলাব। এনে ভাবি ছোৱালী দুজনীৰ মূৰৰ ওপৰ ফালে আকাশত উৰি উৰি শ্যেন চৰাইৰ মাত মাতিলে দাউ-কা-ক্লিং-ক্লিং-ক্লিং। মাতি ছোৱালী দুজনীক হুচিয়াৰ হৈ থাকিবলৈ ইঙ্গিত দিলে।

শ্যেন চৰাইজনী এনেদৰে উৰি ফুৰা দেখি কুকুৰ ৰূপী মানুহজনীয়ে ভাবিলে যে আৰু একো কৰিব নোৱাৰিব। ঘৰলৈ উভতি যোৱাই ভাল বুলি উভতি আহি ঘৰ পালেহি। আৰু কি উপায়েৰে শ্যেন চৰাইজনীক মাৰিব পৰা যায় মনে মনে চিন্তা কৰি থাকিল। অসৎ মানুহজনীয়ে জ্বৰৰ ভাও জুৰি দিনে ৰাতিয়ে শুই থাকিল। বিছনাৰ পৰা উঠিব নোৱাৰা ভাও



ধৰিলে। গিৰীয়েকক মঙ্গলতিৰ ওচৰত গৈ মঙ্গল চোৱাব লাগে বুলি ধৰিলে। উপায়হীন গিৰীয়েকেও মঙ্গল চোৱাবলৈ যাব লগীয়া হ'ল। কিন্তু মঙ্গলতিয়ে কৈ পঠালে যে কোনো দেব-দেবী, ভূত-প্ৰেত লগা নাই, গতিকে একো কৰিব নালাগে । গিৰিয়েকে ঘৰলৈ উভতি আহি সকলো কথা বিবৰি ক'লে। কথাষাৰ শুনি মানুহজনীৰ পেটে পেটে বৰ খঙ উঠিল। গিৰিয়েকক ক'লে "কিয় একো নোলাৰাব, মই নিজে গৈ মঙ্গল চোৱাব লাগিব। তেহে কাম হ'ব। যেনে বিচাৰ তেনে কাম, অসৎ মানুহজনীয়ে পিছদিনা নিজে মঙ্গল চোৱাবলৈ বুলি ঘৰৰ পৰা ওলাই গ'ল। কৰবাত ফুৰি-চাকি ঘৰলৈ আহি গিৰীয়েকক কলেহি। "কিয়? দেও লগা নাই বুলি মঙ্গলতিয়ে মিছাকে কৈ পঠিয়াইছে। মই অইন এজনক মঙ্গল চোৱালো। কলে দেখোন "শ্যেন চৰাই বলি কাটি পূজা দিব লাগিব। তেহে মোৰ বেমাৰ ভাল হ'ব।" অকৰা গিৰীয়েকে ঘৈণীয়েকক কলে শ্যেন চৰাইনো ক'ত পাবি?" উত্তৰত কলে বোলে "তোৰ চোৱালী দুজনী য'ত জুমৰ হাবি চিকুণাই আছে তাতেই সিঁহতৰ মূৰৰ ওপৰৰ আকাশত চিঞৰি চিঞৰি উৰি ফুৰে, সেই শ্যেন চৰাই জনীকে ধৰিবি। গিৰীয়েকে চৰাইজনীক কেনেকৈ ধৰিব পৰা যাব বুলি সুধিলে। তেতিয়া উত্তৰত ঘৈণীয়েকে ধমক দি কলে, কিয় ফান্দ পাতি ধৰিবি। অসৎ মানুহজীনৰ হুকুম মতে শ্যেন চৰাই ধৰিবলৈ বুলি ফান্দ লগত লৈ ঘৰৰ পৰা ৰাওনা দিলে। তেওঁ গোটেই দিনটো জুম খেতিৰ ওপৰত ফান্দ পাতি ৰৈ থাকিও ধৰিব নোৱাৰিলে। ঘৰত উভতি আহি গিৰীয়েকে ভয়ে ভয়ে ঘৈণীয়েকক জনালে যে ফান্দৰ ওপৰত নপৰাত শ্যেন চৰাই ধৰিব পৰা নাই। কথাষাৰ শুনি ডাইনী জনীৰ বিৰাট খং উঠিল। চিঞৰি চিঞৰি ক'লে, মঙ্গল চোৱাবলৈও মই নিজে যোৱাতহে কাম হ'ল, এতিয়া চৰাই ধৰিবলৈকো মই নিজে যাব লাগিব। "অকৰ্মণ্য, গাধা।"

পিছদিনা পুৱাবেলা জুম খেতিত গৈ ফান্দ পাতি থৈ আহিবলৈ গিৰীয়েকক পুনৰ হুকুম কৰাত পুনৰ ফান্দ পাতি থৈ আহিলে। অলপ পৰ পিছত ছোৱালী দুজনীয়ে জুমখেতিত গৈ ওলাল। দেখিবলৈ পালে

যে সিঁহতক অতি মৰম কৰা মাতৃ স্বৰূপ শ্যেন চৰাইজনী ফান্দত লাগি চটফটাই আছে। তাকে দেখি দুই ভনীয়ে শ্যেন চৰাইজনীক ফান্দৰ পৰা এৰাই দিলে। দুপৰীয়া ছোৱালী দুজনীৰ বাপেকে ফান্দত শ্যেন চৰাই লাগিছে নে নাই চাবলৈ গ'ল, কিন্তু লগা নাই দেখি উভতি আহিল, আৰু ঘৈণীয়েকক লগা নাই বুলি কয়। তাকে শুনি অসৎ মানুহজনী খঙত "টিঙিৰি তুলা" হ'ল। তাই জেদ ধৰি কলে যে আকৌ এদিন চোৱা যাওক।

পিছদিনা দোকমোকালিতে গিৰীয়েকক শোৱাৰ পৰা জগাই জুমত ফান্দ পাতিবৰ কাৰণে যাবলৈ বাধ্য কৰালে। ছোৱালী দুজনী জুমলৈ বুলি নোযোৱাৰ আগতে তাই ঘৰৰ পৰা ৰাওনা হ'ল। পিছে এইবাৰ কুকুৰৰ ৰূপ ধৰি নহয়, সঁচাসচিঁকৈ নিজৰ ৰূপটো লৈয়েই গ'ল। গৈ দেখিবলৈ পালে যে ফান্দত শ্যেন চৰাইটো লাগি চটফটাই আছে। তাকে দেখি অসৎ মানুহজনী বৰ আনন্দিত হ'ল। থাপ মাৰি ধৰি খাঙত ভৰাই ঘৰত আনিলে। ইপিনে ছোৱালী দুজনীয়ে শ্যেন চৰাইটোক ধৰি অনা দেখি বৰ দুখ পালে, দুই ভনীয়ে কাণে কাণে কথা পাতিলে, বোলে "আমাৰ মাক অসৎ মানুহজনীয়ে শ্যেন চৰাই বনাই থৈছিল। তাকে কৰিও সন্তুষ্ট হ'ব পৰা নাই। এতিয়া তাকে হত্যা কৰিহে এৰিব।" এই বুলি দুই ভনীয়ে কান্দি চকুলো মচিলে। শ্যেন চৰাইটো পোৱাত অসৎ মানুহজনীয়ে গিৰীয়েকক পূজা দিয়াৰ বাবে যা-জোগাৰ কৰিবলৈ হুকুম দিয়ে। যা-জোগাৰ হৈ গলে শ্যেন চৰাইটোক বলি কাটি পূজা দিলে।

দুই ভনীয়ে আগতেই ধৰি লৈছিল যে বলিৰ মঙহ ৰন্ধা হলে সিঁহতকো শ্যেন চৰাইৰ ঠেং দুটা খাবলৈ দিব। গতিকে নৈৰ পৰা পানী আনিবৰ চলেৰে দুই ভনী এটাকৈ কলহ লৈ নৈৰ পাৰ গ'ল। তাতে দুই ভনীয়ে কথা পাতিলে যে সৎমাকে যদি সিঁহতৰ পাতত শ্যেন চৰাইৰ ঠেংটো খাবলৈ দিয়ে তেন্তে আমি মঙহ খোৱাৰ ভাও ধৰি সৰু সৰু পাথৰ কেইটাকে চোবাই থাকিম বুলি নৈৰ পাৰৰ পৰা কিছু গুৰি পাথৰ বুটলি ঘৰত নি লুকুৱাই থলে।

শ্যেন চৰাইয়েৰে দেউ পূজা হৈ গ'ল। অসৎ মানুহজনীয়ে আনন্দ



মনেৰে চৰাইটোক কাটি-কুটি মঙহৰ আঞ্জা ৰান্ধিবলৈ ললে। আৰু ডেউকা, পাখী আদি নৈৰ পাৰত পুতি পেলাবলৈ ছোৱালী দুজনীক হুকুম কৰি পঠালে। সৎ মাকৰ হুকুম মতে ছোৱালী দুজনীয়ে ডেউকা পাখী আদি পুতি আহিল। অইনপিনে শ্যেন চৰাইৰ মঙহৰ আঞ্জা ৰন্ধা হৈ গলে ভাত খোৱাৰ আলপৈচান ধৰিলে। ছোৱালী দুজনীক শ্যেন চৰাইৰ ঠেং পাতত দিলে। সিঁহত দুজনীয়ে আগতেই মাহী মাকে তেনে কাম কৰিব বুলি ধাৰণা কৰি গুৰি পাথৰ আগতেই যোগাৰ কৰি থৈছিল। মাহী মাকে শ্যেন চৰাইৰ ঠেং খাবলৈ দিয়াত সিঁহতে তাকে লুকুৱাই ৰাখিলে আৰু গুৰি পাথৰ কেইটামান মুখত ভৰাই কুৰুৎ কুৰুৎ কৰি চোবাই থাকিল। ওচৰৰ পৰা মাইকীজনীয়ে শুনি বৰ আনন্দ পালে, ভাবিলে যে ছোৱালী দুজনীয়ে মাকৰ ঠেং চোবাই চোবাই খাই আছে। ভাত খোৱা হৈ যোৱাৰ পিছত দুই ভনীয়ে লুকোৱাই থোৱা ঠেং দুটালৈ ঘৰৰ পৰা ওলাল আৰু পদুলি মুখত গৈ পালে ওচৰত জাবৰ-জোথৰ পেলোৱা ঠাইত বায়েকে ঠেং দুটাৰ এটা সোঁফালে ৰুই থলে আৰু ভনীয়েকে বাওঁফালে ৰুলে। কি আচৰিত! এসপ্তাহমান পাছতে সেই দুটা ঠেং ৰোৱা ঠাইৰ পৰা এটা সোণৰ খুঁটি আৰু এটা ৰূপৰ খুঁটি গজি উঠিল। আৰু দিনক দিনে বাঢ়ি গৈ থাকিল।

এনে আচৰিত বতৰা ইকাণ-সিকাণ হৈ ৰজাৰ কাণত পৰিল। ৰজাই মানুহ পঠিয়াই সেই খুঁটি দুটা উভালি ৰজাৰ কাৰেঙত নি লগাবলৈ মনতে পাঙিলে, কিন্তু ৰজাৰ মানুহে সেই খুঁটি দুটা উভালিব নোৱাৰিলে। গতিকে ৰজাই হাতী যোৱাৰে উভালিবৰ কাৰণে পঠালে। তথাপি নোৱাৰিলে। এনে কাণ্ড চাবৰ কাৰণে দূৰ-দূৰণিৰ পৰা মানুহ আহি সেই ঠাই ভৰি পৰিল। ৰজাই হাতী-ঘোৰাৰেও উভালিব নোৱাৰাত জুম বান্ধি থকা মানুহবোৰকো সহায় কৰিবলৈ হুকুম দিলে। হুকুম মতে সকলো মানুহ লগ লাগি খুঁটি দুটা উভালিবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। এনে কাণ্ড আঁতৰৰ পৰা মাউৰা ছোৱালী দুজনীয়ে চাই আছিল। সৰু ভনীয়েকে বায়েকক কৈ আছে, বাই! আমি হ'লে সোঁহাতেৰেও পৎ বাওঁহাতেৰেও পৎ কৰি উভালিব পাৰিলোহেতেন, নহয় বাই? বায়েকে

ভনীয়েকক কৈ আছে মনে মনে থাক ৰজাই শুনিলে কিবা অঘটন ঘটিব। কিন্তু ভনীয়েকে আকৌ কলে। কথাটো ৰজাৰ মানুহে শুনিবলৈ পালে। ফলত ৰজাৰ কাণলৈও গ'ল। কথাটো শুনি ৰজা আচৰিত হ'ল। আৰু মানুহ পঠিয়াই দুই ভনীক ওচৰত অনালে। ৰজাই দুই ভনীক সুধিলে বোলে তহঁতে কি খুঁটি দুটা উভালিব পাৰিবি? পাৰিম বুলি কোৱাত উভালিবলৈ হুকুম দিলে। ৰজা, পাত্ৰ, মিত্ৰ আৰু জনতা সকলোৱে আগ্ৰহেৰে চাই থাকিল। দুই ভনীয়ে খুঁটি উভালিবলৈ আগবাঢ়িল। ওচৰত গৈ বায়েকে সোণৰ খুঁটিতো পৎ কৰি উভালি পেলালে, ভনীয়েকে ৰূপৰ খুঁটিতো তেনেই পৎ কৰি উভালি খুঁটি দুটা ৰজাৰ সন্মুখত থলে। ৰজাই হাতী-ঘোঁৰাৰে টানিব দি সোণৰ আৰু ৰূপৰ খুঁটি দুটা ৰাজকাৰেঙত ৰাখিলে গৈ লগতে সেই মাউৰা ছোৱালী দুজনীকে লৈ গ'ল। সিঁহত দুজনীকো নিজৰ জীয়ৰীৰ দৰে পোহ-পাল কৰি ডাঙৰ-দীঘল কৰিলে। পাছত নিজৰ দুজন পুতেকৰ লগত দুই ভনীক বিয়া দিলে।

বিয়া হৈ যোৱাৰ পিছত ৰজাৰ পুতেকে লাহে লাহে সিঁহতৰ দুৰ্ভাগ্যৰ সকলো কথা গম ল'লে। ৰজাৰ পুতেকে অসৎ শাহুৱেক জনীক নিমন্ত্ৰণ জনালে। মানুহজনীৰ আগৰ বিয়াৰ এটা ল'ৰা আছিল, তাৰোপৰি ৰৰলা গিৰিয়েকৰ লগত আৰু এটা ল'ৰা হৈছিল। তাকে লগত লৈ জোঁৱায়েকৰ ঘৰত নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ গ'ল। ৰজাৰ পুতেক এতিয়া ৰজা হ'ল। ৰজাই হুকুম কৰিলে যে, সেই সৰু ল'ৰাটোক চাবলৈ ৰজাৰ ওচৰলৈ আনিব লাগে। দুই ভনীয়ে সৰু ল'ৰাটোক ৰজাৰ ওচৰলৈ নি দেখুৱালে। ৰজাই অসৎ শাহুজনীয়ে নজনাকৈ ল'ৰাটোক কাটিবলৈ দিলে, তাকে আঞ্জা ৰান্ধিবলৈ দিলে। ভাত খাই থাকোতে আগৰ ডাঙৰ ল'ৰাটোৱে মাকক ক'লে—"আই! চোৱাছোন এই মঙহডোখৰ দেখোন সৰু ভাইটীৰ আঙুলিৰ দৰে হয়।" অসৎ মানুহজনীয়ে ল'ৰাটোক কলে—"মনে মনে থাক, ৰজাই শুনিলে ডাঙৰ বিপদ হ'ব। খোৱা-বোৱা হৈ যোৱাৰ পিছত মানুহজনীয়ে ৰজাক ক'লে—"সৰু ল'ৰাটো ক'ত আছে মোক আনি দিয়ক, আমি যাওঁগৈ।" ৰজাই ক'লে বোলে—"সৰু ল'ৰাটো ক'ত আছে, তোৰ নিজৰ পেটক সুধি ল'।"

❖ ❖ ❖



# মুসূভুৰ্মানী খাৰমূন

## [ভালুকৰ সাধু]

অতি পুৰণি কালত এখন গাঁৱত এহাল দন্দুৰা গিৰিয়েক ঘৈণীয়েক বাস কৰিছিল। তেওঁলোকে ওচৰ চুবুৰীয়াৰ লগত নিতৌ দন্দ্ব, হাই কাজিয়া কৰি থাকে, গতিকে মানুহে তেওঁলোকক গাঁৱৰ পৰা গুচি যাবলৈ বাধ্য কৰালে। উপায়হীন মানুহ হালে এখন হাবিৰ কাষত এটা জুপৰী ঘৰ সাজি এঘৰীয়াকৈ বাস কৰিবলৈ বাধ্য হ'ল। তাতে তেওঁলোকৰ বাহিৰে কোনো মানুহ নাছিল। গতিকে দ্বন্দ্ব-হাই কৰিব কাৰ লগত? সিঁহত দুজনৰ ভিতৰতে এজনে আনজনক দোষ ধৰি কিবা নহয় কিবা এটা চেলু উলিয়াই দ্বন্দ্ব কৰিবলৈ ধৰিলে। ঘৈণীয়েকজনী বৰ জেদী আৰু অতিপাত চোকা মুখৰ আছিল। গতিকে গিৰিয়েকে সদায় ঘৈণীয়েকৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছিল। এনেকৈয়ে দ্বন্দ্ব-হাই, হাঁহি-কান্দোনৰ মাজেৰে দিন পাৰ কৰিছিল। এনেতে ঘৈণীয়েক অন্তঃসত্বা হ'ল। ফলত তিৰোতাজনীৰ এলাহ বাঢ়িবলৈ ল'লে, ঘৰৰ কাম-বন একোকেই কৰিব নোৱাৰা হ'ল আৰু ইটো খাওঁ সিটো খাওঁ কৰি গিৰিয়েকক আমনি দি থাকিল। ঘৈণীয়েকজনীয়ে গিৰিয়েকৰ ওচৰত দাবী জনালে যে, তাইৰ তাইব্ৰেং গুটি খাবলৈ মন গৈছে আনি দিবই লাগিব। নিবোকা গিৰিয়েকে সদায় দূৰ-দূৰণীৰ পৰা বিচাৰি ঘৈণীয়েকক তাইব্ৰেং গুটি আনি দিয়ে। সদায় আনি দিওঁতে দিওঁতে ওচৰত আৰু নোপোৱা হ'ল। ঘৰৰ কাম-বন কৰিব লাগে, ঘৈণীয়েকৰ আলপৈচান ধৰিব লাগে, তাৰোপৰি তাইব্ৰেং গুটি আনি দিব লাগে। কি কৰিম নকৰিম কৰি উপায় নোপোৱা হ'ল। তথাপি মুখচোকা ঘৈণীয়েকৰ ভয়ত সকলো কথা মানি গৈছিল। এদিন গিৰিয়েকে তাইব্ৰেং গুটি আনি

দিব নোৱাৰিলে; কাৰণ তাইব্ৰেং গুটি বিচাৰি পোৱ নাছিল। গতিকে তাইব্ৰেং গুটি আনি দিব নোৱাৰাৰ কথা লৈ গিৰিয়েক, ঘৈণীয়েকৰ মাজত আকৌ কাজিয়া লাগিল। গিৰিয়েকক কয় "এতিয়া তাইব্ৰেং টেঙা লাগিবই।" উপাই নাপাই গিৰিয়েকে কলে "বাৰু হ'ব।" ওচৰৰ জঙ্গলত তাইব্ৰেং টেঙা শেষ হলেও গাঁৱৰ মানুহ যাব নোৱাৰা আৰু নেদেখা ঠাইত নিশ্চয় তাইব্ৰেং টেঙা এতিয়াও থাকিব পাৰে। গতিকে তোমাক তেনে এখন জঙ্গললৈ লৈ যাম আৰু তাইব্ৰেং টেঙাৰ গছৰ তলত তোমাক এটা সৰু জুপুৰী ঘৰ সাজি দিম। তুমি সেই জুপুৰীটোত থাকি যেতিয়া তাইব্ৰেং খাবলৈ মন যায় নিজে হাঁকুটিৰে পাৰি হেঁপাহ পলুৱাই তাইব্ৰেং খাই থাকিবা।" ঘৈণীয়েকে গিৰিয়েকৰ এনে প্ৰস্তাৱত মান্তি হ'ল। এদিনাখন গিৰিয়েক, ঘৈণীয়েক দয়ো দূৰণীৰ হাবিলৈ বুলি ৰাওনা হ'ল। খোজ কাঢ়ি গৈ থাকোতে ঘৈণীয়েকে আৰু খোজ কাঢ়িব নোৱাৰো বুলি কলে। গিৰিয়েকে পিঠিত তুলি নিব লগীয়া হৈছিল। এনেকৈ মাজে মাজে খোজ কাঢ়ি মাজে মাজে গিৰিয়েকৰ পিঠিত উঠি গৈ আছিল। গৈ গৈ তেওঁলোকে নিবিড় বননি পালেগৈ। ওচৰত এজোপা তাইব্ৰেং গছ দেখিবলৈ পালে। তাকে ঘৈণীয়েকক দেখুৱাই গিৰিয়েকে কলে "সৌৱা দেখিছা গছত কিমান ধুনীয়া তাইব্ৰেং থোকা-থোকে ভৰি আছে। তুমি সদায় পাৰি খাই থাকিবা। এইয়া মই হাকুঁটি দিলো" বুলি হাকুটি এডাল দি গিৰিয়েকে তাইব্ৰেং গছৰ তলত এটা সৰু জুপুৰী সাজি দিলে আৰু কলে ৰাতি হ'লে তুমি জুপুৰীৰ তলত শুই থাকিবা। দুদিন মানৰ পিছত মই তোমাক ইয়াৰ পৰা লৈ যামহি। এই বুলি গিৰীয়েকে ঘৈণীয়েকৰ পৰা আঁতৰি আহিল। গাঁৱলৈ আহি আৰামত থাকিবলৈ ল'লে। গিৰিয়েকে দিনৰ দিনটো আনৰ ঘৰত গৈ কাম-বন কৰে। সন্ধিয়া হ'লে ঘৰলৈ উভতি দুমুঠি ৰান্ধি বাঢ়ি খায়। দন্দুৰী ঘৈণীয়েক নথকাত তাৰ লগত কাজিয়া কৰোতা কোনো নাই। সি আৰামত থাকিব পৰা হৈছে। শুব পৰা হৈছে ঘৈণীয়েকৰ কথা মনত পৰিলে সি ভাবে, দন্দুৰী জনী নথকাত মই আৰামত খাব-শুব পাৰিছো। গতিকে আৰু কিছুদিন তাইব্ৰেং গছৰ তলতে থাকক। কেতিয়াবা গৈ



লৈ আহিম। এনেদৰে বহু দিন পাৰ হ'ল

আনহাতে ঘৈণীয়েকে বহুত দিন ধৰি খাবলৈ নোপোৱাত শুকাই খীণাই যাবলৈ ধৰিলে। গাঁৱলৈ উভতি আহিবলৈকো তাইৰ ভয় লাগে। বাটত কিজানিবা কিবা হয়। উপায়হীন হৈ তিৰোতাজনীয়ে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তাই জুপুৰীৰ তলত শুই শুই ইয়াকে প্ৰাৰ্থনা কৰি থাকিল যে, "প্ৰভু চোৱা মই এতিয়া অন্তঃসত্বা তিৰোতা মোৰ তাইব্ৰেং গুটি খাবলৈ বৰ মন হৈছিল, মোৰ স্বমীয়ে সদায় সদায় তাইব্ৰেং গুটি যোগাৰ কৰি দিবলৈ টান পাই এই নিজান বননিৰ মাজত এই তাইব্ৰেং গছৰ তলত মোক এৰি থৈ যায়। দুদিন মানৰ পাছতেই মোক ঘুৰাই-লৈ যাব বুলি কথা দিছিল। কিন্তু আজি বহুত দিন হ'ল, তেওঁ আৰু মোক ঘুৰাই নিবলৈ নাহিল। মোৰ মুখচোকা স্বভাৱৰ কাৰণে তেওঁ চাগে মোক এৰিলে। আৰু তেওঁ মোক ঘুৰাই নিবলৈ কেতিয়াও নাহিব। গতিকে প্ৰভু! মোক এটা বনৰীয়া জন্তুলৈ ৰূপান্তৰিত কৰা মই নোখোৱাকৈ আৰু কিমান দিন থাকিম, মোক বনৰীয়া জন্তুলৈ ৰূপান্তৰিত কৰিলে জন্তুৱে খোৱা আহাৰ খাই থাকিব পাৰিম।

দেৱতাসকলে তিৰোতাজনীৰ প্ৰাৰ্থনাৰ বিষয়ে আলোচনা কৰি এটি কিম্ভুট-কিমাকাৰ জন্তুলৈ ৰূপান্তৰিত কৰাৰ ঠিক কৰিলে আৰু ৰাতি তিৰোতাজনীয়ে ভোকে পিয়াহে লালকাল হৈ জুপুৰীৰ তলত শুই থাকোতেই তিৰোতা জনীয়ে গম নোপোৱাকৈ ভালুকলৈ ৰূপান্তৰিত কৰিলে। এই নতুন জীৱ ভালুক জনীয়ে নিজ মনেৰে হাবিত খাদ্য বিচাৰি খাই বাচি থাকিল। পিছে তাই জুপুৰী ঘৰটো এৰিব পৰা নাছিল, খাদ্য বিচাৰি ফুৰি ভাগৰ লাগিলে তাই জুপুৰী ঘৰত আহি জিৰণি লৈছিল।

বহুত দিনৰ পাছত গিৰিয়েকৰ এদিন ঘৈণীয়েকলৈ মনত পৰিল। ঘৈণীয়েক জনী বনৰ মাজত অকলে পৰি থকাৰ কথা ভাবি দুখো লাগিল। এতিয়া সি ঘৈণীয়েকৰ ওচৰত গৈ ওলালে মুখচোকা ঘৈণীয়েকে খুব গালি পাৰিব কিন্তু উপায়তো নাই, বনৰ মাজত আৰু কিমান দিন ৰখা যায়। তাকে ভাবি যি হয় হ'ব বুলি মনতে ভাবি এদিন হাবিৰ পৰা

ঘৈণীয়েকক আনিবলৈ ৰাওনা হ'ল। তাইৰেং গছৰ তল দূৰৰ পৰা দেখি পোৱাৰে পৰা মানুহ জনে লক্ষ্য কৰি চাই আহি আছে কিন্তু মানুহ জনীক দেখা নেপালে। সি ভাবিলে মানুহ জনীয়ে পঁজা ঘৰটো এৰি কৰবালৈ গুচি গ'ল নেকি? নে বনৰীয়া হিংস্ৰ জন্তুৱে মানুহ জনীক মাৰি পেলালে। এনেদৰে ভাবি ভাবি পঁজাটো পাই দেখিলে যে পঁজাৰ ভিতৰত তাৰ ঘৈণীয়েক নাই। পঁজাৰ ভিতৰত দীঘল দীঘল ক'লা নোমৰ আৰু দীঘল দীঘল নখৰ ভয়ানক জন্তু এটা শুই আছে। মানুহ জন দুৱাৰ মুখত থিয় হৈ থকা দেখি ভয়ানক জন্তুটোৱে চকু ৰঙা কৰি মানুহ জনৰ ওপৰত জাপ মাৰি পৰি দীঘল চোকা নখেৰে আচুৰিবলৈ ধৰিলে। মানুহ জনে ভয়ানক জন্তুৰ লগত যুঁজি যুঁজি কোনোৰকমে এৰাই তাৰ পৰা পলাল।

ডিমাছা সকলৰ বিশ্বাস যে, ভালুকৰ সৃষ্টি হৈছিল তিৰোতা মানুহৰ পৰা। গা ভাৰি তিৰোতা জন্তু হোৱাৰ বাবে ভালুকৰ আকৃতি আগফালৰ তুলনাত পাছফাল বেছি ডাঙৰ। গিৰিয়েকৰ প্ৰতি খং কৰি জন্তু হোৱাত ভালুকৰ চকু ৰঙা। তিৰোতা মানুহ জন্তু হোৱা বাবে ভালুকে তিৰোতা মানুহক আক্ৰমণ নকৰে। গিৰিয়েকে তাইক হাবিৰ মাজত পেলাই থৈ যৈছিল বুলি পুৰুষ মানুহৰ প্ৰতি ভালুকৰ খং বেছি। ভালুকে পুৰুষ মানুহক আক্ৰমণ কৰে।

*উপসংহাৰ : বেচি লোভী আৰু জেদী হোৱা ভাল নহয়। হকে বিহকে অতিপাত কথা কোৱা উচিত নহয়। তিৰোতা জনী লোভী, জেদি আৰু মুখচোকা আছিল বুলি অসহ্য হৈ ঘৈণীয়েকক বনত থৈ আহিবলৈ বাধ্য হৈছিল। লোভ, জেদ আৰু মুখচোকা আছিল বাবেহে তাই মানুহৰ পৰা ভালুকলৈ পৰিণত হ'ল।*

❖ ❖ ❖



# য়াউ জো মাঃ নী খাৰমূন

## [হাত টুকুৰা জনীৰ সাধুকথা]

পোনতে "য়াউ জো মাঃ নী" শব্দৰ অৰ্থ ব্যাখ্যা কৰোঁ। য়াউ (হাত), জো (টুকুৰা) মাঃ (বয়সস্থ তিৰোতা বা বুঢ়ীজনী) নী (ৰ প্ৰত্যয় বুজায়)। এতিয়া হাত টুকুৰা বা হাত নোহোৱা ডাইনী বুঢ়ীৰ কাণ্ডৰ বিষয়েই তোমালোকক ক'বলৈ লৈছো। আগতে ডাইনী বুঢ়ীৰ হাত ভালেই আছিল। পাছত কেনেকৈ টুকুৰা হ'ল কওঁ শুনা :

অতি পুৰণি কালত এখন গাঁৱত এহাল মুনিহ তিৰোতা আছিল। এবাৰ গিৰিহঁত জনৰ ম'হ বেপাৰ কৰিবলৈ মন গ'ল। মন যোৱা মতেই কাম কৰিব ওলাল। ম'হ কিনা-বেচা কৰিবলৈ বহু দূৰ দেশলৈ যাত্ৰা কৰিলে। আজিকালিৰ দৰে পুৰণি যুগত গাড়ী নাছিল। নিজৰ ভৰি দুখনেৰেই খোজ কাঢ়ি দূৰ দেশলৈ যাব লগা হৈছিল। গতিকে সময়ো লাগিছিল বহুদিন। প্ৰায় এমাহ মানেই পাৰ হ'ল গিৰিয়েক ঘৰলৈ উভতি আহি পোৱাৰ দিন ওচৰ চাপি আহিছে। বুলি ঘৈণীয়েকে মদ ভাত বনাই থৈছিল। ভাগৰে জুগৰে গিৰিয়েক আহি ঘৰ পালেতো আলপৈচান ধৰিব লাগিব। সেই গাঁৱতেই এজনী ডাইনী বুঢ়ী আছিল। তাই কেনেবাকৈ মদ ভাতৰ গোন্ধ পালে। তেতিয়াৰ পৰা বুঢ়ীজনী সদায় আহি থাকে। তাই চোতালত থিয় হৈয়েই গাবলৈ ধৰে :

ঘৰত কোন আছে, কোন নাই
মদভাত অলপ দে
হাতখন খজুৱাই দে।

বুঢ়ীজনীৰ মাত শুনি ঘৰত অকলে অকলে থকা তিৰোতা জনীৰ বৰ

ভয় লাগিল। তাই ভাবিলে এতিয়া বুঢ়ী জনীক মদভাত দিলেও বিপদ নিদিলেও বিপদ। কিয়নো মদভাত দিলে বুঢ়ীজনীয়ে সদাই আহি বিচাৰি থাকিব। নিদিলেও তাই ঘৰত গিৰিয়েক নথকা অৱস্থাত অকলশৰীয়াকৈ শোৱে, এনে সুযোগ পাই ডাইনী জনী যদি ৰাতি আহি তাইক খাই পেলায় গতিকে অলপ মদভাত দি বিদায় দিয়াই ভাল বুলি বিবেচনা কৰি কলপাতত অলপ মদভাত দি আৰু হাতৰ তলুৱা খজুৱাই বিদাই দিলে। কিন্তু তিৰোতাজনীয়ে সন্দেহ কৰা মতেই ঘটনা ঘটি থাকিল। ডাইনী জনী নিতৌ আহি মদভাত খুজি খাবলৈ ধৰিলে। নিতৌ মদভাত দিওঁতে দিওঁতে তিৰোতাজনীৰ মদভাত প্ৰায় শেষ হ'বলৈ ধৰিলে। তাইৰ মনত বৰ বেজাৰ লাগিল আৰু কিবা এটা উপায়েৰে ডাইনী বুঢ়ীজনীক তাইৰ ঘৰলৈ অহা বন্ধ কৰিব লাগিব বুলি এটা উপায় ভাবি উলিয়ালে। তাই ঘৰৰ দা খন ধাৰ দিয়াই থলে আৰু নিজে বেমাৰৰ ভাওঁ জুৰি মনে মনে বিছনা পাৰি শুই থাকিল। দুপৰ ৰাতি ডাইনী বুঢ়ীজনী আহি আৰু মাতিবলৈ ধৰিলে

ঘৰত কোন আছে কোন নাই
মদভাত অলপ দে
হাতৰ তলুৱা খজুৱাই দে।

তিৰোতাজনীয়ে ভয়ে ভয়ে উত্তৰ দিলে। ঘৰত কোনো নাই। মই বেমাৰ হৈ বিছনাত পৰি আছো। মই বিছনাৰ পৰা উঠিব নোৱাৰো। গতিকে মই আজি তোমাক মদ ভাত দিব নোৱাৰো। তুমিয়েই নিজে নিজে বেৰৰ ফাঁকেদি হাতখন সৰকাই দিয়া আৰু খেপিয়াই চালে মদভাত থোৱা পাত্ৰ পাবা। তাৰ পৰা তুমি নিজে লৈ খোৱা। ডাইনী বুঢ়ী কথাষাৰ শুনি বৰ আনন্দিত হ'ল কিয়নো তাই ভাবিলে যে মানুহ জনীয়ে মদভাত দিলে অলপহে দিয়ে নিজে নিজে লৈ খালে হেপাহ পলুৱাই খাব পাৰিম। ইয়াকে ভাবি বুঢ়ীজনীয়ে বেৰৰ ফাঁকেদি হাতখন সৰকাই দিলে আৰু সৰকাই দি খেপিয়াই থাকিল। বুঢ়ীজনীয়ে চিঞৰি চিঞৰি কৈ আছে, ক'তা? মদ ভাত ৰখা পাত্ৰটো মোৰ হাতেৰে চুব পৰা নাই।



ভিতৰৰ পৰা তিৰোতাজনীয়ে উত্তৰ দিলে হাতখন আৰু অলপ দীঘল কৰা আৰু অ-ল-প আৰু অ-ল-প। ডাইনী বুঢ়ীয়েও মদ ভাত পোৱাৰ আশাত যিমান পাৰে হাতখন দীঘল কৰি ভিতৰলৈ সৰকাই দিলে মুহূৰ্ততে তিৰোতাজনীয়ে ধাৰ কৰি থোৱা দা খনেৰে ডাইনী বুঢ়ীৰ হাতত কোব মাৰি হাতখন দুটুকুৰা কৰি দিলে। ডাইনী বুঢ়ীয়ে দুটুকুৰা হোৱা হাতখন লৈ চিঞৰি চিঞৰি কান্দি কান্দি তিৰোতা জনীৰ ঘৰ এৰিলে। বাট তেজেৰে ৰাঙলী হ'ল। যি গছ পায় যি পাত পায় তাতেই টুকুৰা হোৱা হাতৰ পৰা ওলোৱা তেজ মুচি মুচি গৈ আছিল আৰু কান্দি কান্দি কৈ আছিল—

| ডিমাছা | অসমীয়া |
|---|---|
| আয়াউ য়াউ, আ-য়াউ য়াউ | আয়া, আয়া, আয়া |
| ডি খাউবা লামাহা মাইনাংটি | পানী তোলা বাটত পাম জানো |
| বন দাঁইবা লামাহা মাইনাংটি | খৰি কটা বাটত পাম জানো |
| আয়াউ য়াউ, আ-য়াউ -য়াউ | আয়া, আয়া, আয়া |

তোমালোকে জানানে? আমি দেখা বনৰীয়া বা ঘৰত হোৱা যিকোনো লতাপাত ৰঙচুৱা বৰণৰ যে হয় এইবোৰ গোটেই বিলাক বুঢ়ীজনীৰ কটা হাতৰ পৰা ওলোৱা তেজ লাগি লাগি ৰঙচুৱা বৰণৰ হ'ল। ন'হলে আগতে গোটেই বিলাক লতা পাত সেউজীয়াহে আছিল। যি কি নহওক, সেই দিনৰ পৰা সকলোৱেই বুঢ়ীজনীক "য়াউ-জোমা" (হাত টুকুৰা জনী) বুলি ক'বলৈ ধৰিলে। আনহাতে বুঢ়ীজনীয়ে তিৰোতা জনীৰ ওপৰত প্ৰতিশোধ লবলৈ স্থিৰ কৰিলে। কেতিয়া কোন সময়ত তিৰোতা জনী পানী আনিবলৈ যায়, খৰি লুৰিবলৈ যায় তাৰেই খবৰ কৰি থাকিল।

এনে ঘটনাৰ কিছু দিনৰ পাছতেই গিৰিয়েক ঘৰলৈ উভতি আহি পালেহি। ঘৈণীয়েকে থাকি যোৱা মদ ভাতেৰেই আলপৈচান ধৰিলে আৰু ডাইনী বুঢ়ীৰ দ্বাৰা আমনি পোৱাৰ কথা গিৰিয়েকৰ আগত বিবৰি

ক'লে। তাইৰ যে অসহ্য হৈ দাৰে কোব মাৰি বুঢ়ীজনীৰ হাতখন দুটুকুৰা কৰি দিলে তাকে শুনি গিৰিয়েক বৰ আনন্দিত হ'ল। তুই ভাল কামেই কৰিলি বুলি শলাগ ললে।

এদিন গাঁৱৰ সকলো তিৰোতা মানুহ একগোট হৈ খৰি লুৰিবলৈ ওলাল। লগতে বেপাৰী জনৰ ঘৈণীয়েকো গ'ল। সকলো তিৰোতাৰ খৰি কটা হ'ল বন্দা হ'ল, আহিবৰ হ'ল। বেপাৰী জনৰ ঘৈণীয়েকৰো খৰি কটা হৈছিল, কিন্তু খৰিৰ মুঠিকে বান্ধিব পৰা নাছিল। বাৰে বাৰে খৰি বান্ধে কিন্তু খৰি বন্ধা হৈ নুঠে। বাৰে বাৰে খৰি বন্ধা জৰীড়াল চিঙি যায়। কাৰণ ডাইনী বুঢ়ীয়ে জোপোহাৰ আঁৰত লুকাই মন্ত্ৰৰ বলেৰে বেপাৰীৰ ঘৈণীয়েকে খৰি বন্ধা জৰীডাল চিঙি দিছিল। ইপিনে লগৰীয়া তিৰোতাসকল বৈ বৈ ৰ'ব নোৱাৰিলে। সিঁহতৰ খৰি বন্ধা জৰী চিঙা নাই অকল বেপাৰীৰ ঘৈণীয়েকৰ খৰি বন্ধা জৰিডালহে কিয় চিঙে সিঁহতে দেখি আচৰিত হ'ল। আনহাতে তিৰোতা বিলাকৰ কোনোবাই কেচুৱা এৰি থৈ গৈছে, কোনোবাই শাহু, শহুৰ, গিৰিয়েকৰ খোৱা-বোৱাৰ আলপৈচান গৈ ধৰিব লাগিব। এনেকৈ কিমান সময় থকা যায়? গতিকে লগত যোৱা তিৰোতা বিলাকে ক'লে "সখী, আমি আগবাঢ়ি গৈ আছো তুমি পিছে পিছে আহি থাকিবা।" এই বুলি লগৰীয়া তিৰোতা বিলাক হাবিৰ মাজৰ পৰা ৰাওনা হ'ল। ইপিনে তিৰোতা জনীয়ে তেতিয়াও জৰিডালেৰে বাৰে বাৰে খৰি বান্ধি আছিল আৰু প্ৰত্যেক বাৰতে জৰিড়াল চিঙি যোৱাত খৰি বান্ধিব নোৱাৰি অইন লগৰীয়া তিৰোতা বিলাককো লগ ধৰিব নোৱাৰিলে।

আনহাতে হাবিৰ মাজত বেপাৰী জনৰ ঘৈণীয়েকে অকলশৰীয়াকৈ থাকি যোৱা দেখি য়াউ জোমা বুঢ়ী হাবিৰ পৰা মনে মনে ওলাই আহি বেপাৰী জনৰ ঘৈণীয়েকৰ ডিঙিটো কাটি পেলালে আৰু দেহাটো খাবলৈ বুলি চোছোৰাই টানি লৈ গ'ল। মুৰটো এটা গছৰ মুঢ়াত আওজাই থৈ ঘৈণীয়েক জনীয়ে লৈ যোৱা ওৰণি দি ওজনী তিৰোতা মানুহ বহি থকা যেন লগাকৈ সজাই থলে।

ইফালে বেলি মাৰ গ'ল। ঘৈণীয়েক হাবিৰ পৰা ঘূৰি নহাত বেপাৰী



জনৰ বৰ চিন্তা লাগিল। তেওঁ তিৰোতা বিলাকৰ ওচৰত খবৰ লবলৈ গ'ল। তিৰোতা বিলাকে সকলো কথা বিবৰি কলে। বেপাৰী জনে কিবা এটা বিঘিনী ঘটিছে বুলি সন্দেহ কৰি হাবিৰ ফালে ঘৈণীয়েকক বিচাৰি গ'ল। তেওঁ হাবিত সোমোৱাৰ লগে লগেই দেখিলে যে ঘৈণীয়েক মূৰত কাপোৰ লৈ বহি আছে। তাকে দেখি বেপাৰী জনৰ বৰ খং উঠিল। ওচৰলৈ গৈ কলে "লগৰীয়া তিৰোতা বিলাক কেতিয়াবাই ঘৰলৈ উভতি গ'ল! তই আৰু ঘৰ-দুৱাৰ পাহৰি ইয়াত কি কৰি আছ?" এই বুলি এক গোৰ মাৰিলে। গোৰ মৰাৰ লগে লগে ঘৈণীয়েকৰ মূৰটো মাথোন মাটিত বাগৰি পৰিল। তেওঁ ঘৈণীয়েকৰ এনে অৱস্থা দেখি কন্দা-কটা কৰিলে আৰু দুখ মনেৰে ঘৰলৈ উভতি আহিল। বেপাৰী জনে এনে কাম য়াউজো মাৰ বাহিৰে কোনেও কৰা নাই বুলি বুজি পালে আৰু য়াউজোমাৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথা মনতে পাঙিলে।

ঘৰলৈ উভতি আহি বেপাৰী জনে য়াউজোমাক কাটিবলৈ দা এখন ধৰাই আছিল। এনে সময়তে কিছুমান পৰুৱা আহি বেপাৰীজনক সুধিলে—"ককাই! দা খননো কি কৰিবলৈ ওলাইছ অ'?" বেপাৰীজনে উত্তৰ দিলে "য়াউজোমাক কাটিবলৈ।" পৰুৱা বিলাকে কলে "তোমাৰ লগত আমিও যাম?" বেপাৰীজনে ক'লে "ভাল কথা যাবা।", কিছু পৰৰ পিছত জলকীয়া আৰু কণী আহিল। সিঁহতেও সুধিলে "অ ককাই! কি কামৰ বাবেনো দা ধাৰ কৰি আছা?" বেপাৰীজনে য়াউজোমাক কাটিবলৈ দা ধৰাইছে বুলি কোৱাত জলকীয়া আৰু কণীও লগত যাবলৈ মন কৰিলে। বেপাৰী জনেও বাৰু যাবা বুলি কৈ দা খন ধৰাই থাকিল। এনেতে মৌ মাখি আৰু শিঙি মাছ আহিও লগত যাব বুলি কলেহি। এই বুলি যেয়ে আহে দা খন কিহৰ বাবে ধাৰ কৰি আছে সোধে আৰু সকলোৱে লগত যোৱাৰ বাবে সাজু হয়। বেপাৰীজনেও সকলোকে একে উত্তৰ দিছিল। একেবাৰে শেষত আহিল বৰশি আৰু বাঘ। সিঁহতেও য়াউজোমাক কটাত বেপাৰীজনক সহায় কৰিবৰ কাৰণে যাবলৈ আগ্ৰহ দেখুৱালে।

ৰাতি দুপৰ হ'লত বেপাৰীয়ে টঙালি বান্ধি দা খন কান্ধত লৈ বুঢ়ীৰ

ঘৰৰ ফালে ৰাওনা হ'ল। লগত পৰুৱা, জলকীয়া, কণী, শিঙি মাছ, মৌ মাখি, বৰশী আৰু বাঘো গ'ল। সকলোৱেই সমদল যাত্ৰা কৰি য়াউজোমা বুঢ়ীৰ ঘৰ পালেগৈ তেতিয়া বেচেৰী বুঢ়ীজনী টোপনীত লালকাল। পোনতে প্ৰত্যেকেই কোন ক'ত তাকে সিহঁতৰ ভিতৰত ঠিক কৰি ল'লে। বেপাৰী গৈ দুবুৰমুখত মনে মনে বহি থাকিল। বাকী বিলাক দুৱাৰৰ ফাঁকেদি ভিতৰলৈ সোমাল। তাৰ পিছত পৰুৱা বুঢ়ীৰ বিছনাত উঠিল। জলকীয়া আৰু কণী জু-হালৰ ভিতৰত সোমাল আৰু শিঙি মাছ সোমাল কলহৰ ভিতৰত। মৌ মাখি কাপোৰ থোৱা তাৰত বহিল। বৰশী দুৱাৰ মুখত থিয় হৈ থাকিল আৰু বাঘ বাৰান্দাতে বহি থাকিল। পোনতে পৰুৱা বিলাকে শুই থকা য়াউজোমাক কামুৰিলে। য়াউজোমায়ো পৰুৱাৰ কামোৰত শুই থাকিব নোৱাৰি বিছনাত উঠি বহিল। কাপোৰ-কানি জাৰি-জোকাৰি আকৌ শুবলৈ ল'লে, কিন্তু পৰুৱাৰ কামোৰত এইবাৰো শুব নোৱাৰিলে। য়াউজোমাই দিগ্‌দাৰ পাই আৰু নোশোওঁ জুই পুৱাই থাকো বুলি জু-হাললৈ বুলি গৈ জুই ধৰিলে লগে লগে আগতে সোমাই থকা জলকীয়া পুৰি নাকত গোন্ধ সোমাবলৈ ধৰিলে। বুঢ়ীজনীৰ হাঁচি ভ'াহি থাকিল, পোৱা জলকীয়াটো উলিয়াই পেলাব খুজিছিল।

সেই মুহূৰ্ততে জু-হালৰ ভিতৰত থকা কণীটো ধুমকৈ ফুটি উঠিল আৰু য়াউজোমাৰ নাকত, মুখত আৰু চকুত সোমাল। বুঢ়ীজনীয়ে চকু মেলিব নোৱাৰা হ'ল আৰু হাত দুখনেৰে খেপিয়াই খেপিয়াই লেই বিচাৰি গ'ল। কলহৰ পৰা পানী লবলৈ তাই ঘটী, বাটি বিচাৰিব পৰা অৱস্থাত নাই। কোনো ৰকমে কলহৰ ভিতৰৰ পৰা হাতেৰে একাজলি পানী লৈ মুখ ধুই পেলোৱাৰ বাবে কলহৰ ভিতৰত হাতখন সুমাই দিছিল। সেই মুহূৰ্ততে কলহৰ ভিতৰত সোমাই থকা শিঙি মাছে হাতখনত বিন্ধি দিলে। বুঢ়ীজনী কান্দি-কাতি অস্থিৰ হ'ল। 'আয়া আয়া' কৰি চিঞৰি কাপোৰ থোৱা তাৰ ডালৰ ফালে খেপিয়াই খেপিয়াই গ'ল। এখন কাপোৰ পালে চকু, মুখ মচি পেলাওঁ বুলি কাপোৰ টানি দিয়াৰ লগে লগে কাপোৰৰ ভিতৰত লুকাই থকা মৌ মাখি ওলাই আহি গোটেই গাত বিন্ধিবলৈ ধৰিলে। য়াউজোমা জনীয়ে কান্দি কান্দি আজি



মৰিলো বুলি বাহিৰলৈ ওলাই গৈছিল লগে লগে বৰশীত লাগি আৰু আগবাঢ়িব নোৱাৰিলে। এনে মুহূৰ্ততে বেপাৰীজনে দা খনেৰে য়াউজোমাৰ ডিঙিটো কাটি পেলালে। লগে লগে ছট ফটাই থকা দেহাটোৰ ওপৰত বাঘে জাপ মাৰি ধৰি দেহাটো খাবলৈ বনৰ ভিতৰলৈ লৈ গ'ল। বুঢ়ীৰ মুৰটো বেপাৰীজনে পুৰি পেলালে। য়াউজোমাৰ সাধু কথা এইখিনিতে শেষ হ'ল।

*উপসংহাৰ : উপকাৰীৰ প্ৰতি মানুহৰ মৰম, শ্ৰদ্ধা ওপজে কিন্তু অপকাৰীৰ প্ৰতি তাৰ বিপৰীত হয়। অপকাৰীক মানুহে ঘিণ কৰে। অন্যায় কৰিলে তাৰ প্ৰতিশোধ লবলৈ যত্ন কৰে। য়াউজোমা জনীয়ে বেপাৰীৰ ঘৈণীয়েকক কাটি পেলাইছিল গতিকে বেপাৰীজনে তাৰ প্ৰতিশোধ ল'লে। উপকাৰীক মৰাৰ বাবে অন্যান্য সকলোও সমদল যাত্ৰা কৰি গৈ য়াউজোমাক হত্যা কৰাত সহায় কৰিলে।*

❖ ❖ ❖

# বেপাৰী বাছা

## [বেপাৰী ল'ৰা]

অতি পুৰণি কালত এজন মাউৰা ল'ৰা আছিল। ল'ৰাটি সৰু থাকোতেই বাপেকৰ মৃত্যু হোৱাত মাকে ল'ৰাটিক অতি কষ্টেৰে ডাঙৰ দীঘল কৰিব লগীয়া হৈছিল। দিনক দিনে ল'ৰাটি ডাঙৰ হৈ ডেকা হ'ল আৰু সি তাৰ বাপেকে জিৰীকাৰ বাবে কি কাম কৰিছিল এদিন মাকক সুধিলে। উত্তৰত মাকে ক'লে যে তাৰ পিতাকে অতি দূৰণীৰ ৰাজ্যত গৈ বেপাৰ কৰিছিল। আৰু ঘৰলৈ উভতি আহোতে বহুতো টকা-পইচা লৈ আহিছিল। কিন্তু সিঁহতৰ কপাল বেয়া হোৱাৰ কাৰণে অকালতে পিতাকৰ মৃত্যু হ'ল বুলি কৈ এটা দীঘল হুমুনিয়াহ কাঢ়িলে আৰু ক'লে "তোৰ দেউতাৰ জীয়াই থকা হ'লে আমাৰ ইমান কষ্ট নহ'লহেতেন।" তাকে শুনি পুতেকে মাকক সান্তনা দি ক'লে "আই! মই এতিয়া ডাঙৰ হৈছো, গতিকে ময়ো দেউতাৰ দৰে বেপাৰ কৰিম।" পুতেকৰ কথা শুনি মাকৰ ডাঙৰ চিন্তা হ'ল। তাই ভাবিলে তাইৰ মাথোন এটি ল'ৰা, কেতিয়াও ঘৰৰ পৰা কলৈকো নোযোৱা ল'ৰা, তাক বিদেশলৈ যাবলৈ দিলে যানোচা কিবা বিঘিনী ঘটে, কি বা হয়, এই ভাবি ল'ৰাৰ কথাত মাক মান্তি হোৱা নাছিল। কিন্তু ল'ৰাই জেদ ধৰিলে, সি যাবই। ডেকা হৈ কিয় ঘৰত বহি থাকিব? সি ডেকা হ'ল অথচ ঘৰত নিতৌ ইটোৰ অভাৱ, সিটোৰ অভাৱ আৰু সহ্য নহয়। সি মাকক ক'লে "তোৰ হাতত যিমান টকা-পইচা সাঁচি থোৱা আছে তাকে দিব লাগিব।" একমাত্ৰ ল'ৰাই এনেদৰে কোৱাত মাকে কি কৰিব কি নকৰিব একো ভাবি নোপোৱা হ'ল। তথাপি তেওঁ এবাৰ পুতেকক ক'লে যে খুজি মাগি হ'লেও মাক, পুতেক দুজনে খাই বাচি থাকিব তথাপি পুতেকক দূৰ দেশলৈ বেপাৰ কৰিবৰ বাবে যাবলৈ দিব নোৱাৰে।

পুতেকো জেদী, বেপাৰলৈ যাবই। সি বহুতো কাকতি-মিনতি কৰি বুজাই বঢ়াই শেষত মাকক মান্তি কৰাব পাৰিলে। এদিন মাকৰ পৰা টকা লৈ কিছু টকাৰে এখন নাও কিনি ল'লে। আৰু কিছু টকাৰে



বেপাৰৰ বাবে কিছু মাল বস্তুও কিনিলে। এদিন ভাল দিন, ভাল ক্ষণ চাই মাকৰ আশীৰ্ব্বাদ লৈ লগত দুজন লগুৱাৰ সৈতে বেপাৰ কৰিবলৈ দূৰ দেশলৈ যাত্ৰা কৰিলে। তেওঁলোকে নাৱেৰে গৈ গৈ এদিন এটা ঘাটত নাও চপালে গৈ, সেইদিনা সিঁহতে নৈৰ পাৰতে ৰান্ধি-বাঢ়ি খোৱা-বোৱা কৰিলে। পিছদিনা লগুৱা দুজনক ওচৰৰ গাঁৱত বস্তু বেচিবলৈ পঠিয়াই ডেকাজন নাৱতে থাকিল।

নাও বন্ধা ঘাটৰ ওচৰতে এহাল বুঢ়া-বুঢ়ীৰ ঘৰ। বুঢ়া-বুঢ়ীৰ এটা অতি ধুনীয়া ৰাজহাঁহ আছিল। বুঢ়া-বুঢ়ীয়ে এই ৰাজহাঁহ জনীক বৰ মৰমেৰে প্ৰতিপাল কৰি পুহিছিল। বেপাৰীজনে সেই ঠাইতে আৰু কিছু দিন কিনা-বেচা কৰিব বুলি স্থিৰ কৰি সেই ঠাইতে থাকিল। সেইদিনাও লগুৱা দজনক বস্তু কিনা-বেচা কৰিবলৈ পঠিয়াই নিজে নাৱতে আছিল। লগুৱা দুজন ওলাই যোৱাৰ পিছত বেপাৰী ডেকাজনে নাৱত বহি ভাত খাই আছিল। ডেকাজনে খাই থাকোতেই বাহিৰ ফালে চকু ফুৰাই আছিল। এনে সময়তে দেখিবলৈ পালে যে বুঢ়া-বুঢ়ীৰ ৰাজহাঁহজনী ঘৰৰ পৰা ওলাই আহি নৈৰ পাৰ পালেহি আৰু চৌদিশে চকু ফুৰাই কাকো নেদেখাত লাহে লাহে নদীৰ পাৰত পাখী আৰু ডেউকা সোলোকাই থৈ এজনী দিপ্‌লিপ্ গাভৰু হৈ নৈত গা ধুবলৈ নামিছে। বেপাৰী ডেকাজনে মনে মনে চাই আছিল। ৰাজহাঁহৰ পৰা ওলোৱা গাভৰু ছোৱালীজনীৰ ৰূপত মুগ্ধ হ'ল। কিন্তু ৰাজহাঁহৰ পৰা ধুনীয়া গাভৰু হোৱা আৰু পুনৰ ৰাজহাঁহলৈ ৰূপান্তৰিত হোৱাতো তাৰ আচৰিত লাগিল। আকৌ সি ভাবিলে, ধুনীয়া গাভৰু হৈ ওলোৱা অৱস্থাত যদি ধৰি ৰাখিব পৰা যায় তেনেহ'লেতো তাই পুনৰ ৰাজহাঁহলৈ ৰূপান্তৰিত হ'ব নোৱাৰিব আৰু এই গাভৰুজনীকেই সি বিয়া কৰিব পাৰিব। এই ভাবি মনে মনে প্ৰতিজ্ঞা কৰিলে যে ছোৱালীজনী আকৌ নদীত গা ধুবলৈ আহিলে পুনৰ ৰাজহাঁহ হ'বলৈ নিদিয়াকৈ ধৰি ৰাখি সি ছোৱালীজনী বিয়া কৰাব। এনে দৃশ্য দেখাৰ পৰা ডেকাজনে বুঢ়-বুঢ়ী হালক বেছি মৰম, বেছি শ্ৰদ্ধা কৰিবলৈ ধৰিলে। মাজে সময়ে তাৰ বেপাৰৰ দুই এপদ বস্তু মূল্য নোলোৱাকৈ বুঢ়া-বুঢ়ী হালক দিয়ে। কেতিয়াবা বুঢ়া-বুঢ়ীৰ ঘৰলৈ গৈ

কথা পাতি আহেগৈ। ৰাজহাঁহজনীৰ পৰা ধুনীয়া গাভৰুলৈ ৰূপান্তৰিত হোৱাৰ বিষয়ে গোপন কথা উলিয়াব পাৰে নেকি ভাবে যদিও এনে প্ৰশ্ন কৰিলে হয়তো বুঢ়া-বুঢ়ীয়ে ৰাজহাঁহজনী তাক নিদিব বুলি ভাবি সুধিবলৈকো সাহ নকৰে। বেপাৰী ডেকাজনে ভাবিলে পিছত যি কৰা উচিত তাকে কৰিব। পোনতে ৰাজহাঁহজনী তাৰ নিজৰ কৰি লোৱাটোহে ভাল হ'ব।

ইপিনে বেপাৰৰ কাৰণে ঘৰৰ পৰা ওলোৱা কেইবা মাহো পাৰ হ'ল। তাৰ মাকলৈ মনত পৰিল। গতিকে ঘৰলৈ উভতি যোৱাৰ ঠিক কৰিলে। বেপাৰৰ মাল-বস্তু শেষ হৈ আহিছে। এদিন ডেকাজনে কিছু মাল-বস্তু লৈ বুঢ়া-বুঢ়ীক লগ ধৰিবলৈ গ'ল। বুঢ়া-বুঢ়ী হালে ডেকাজনৰ পৰা মাল বস্তুখিনি দান পোৱাত অতি আনন্দিত হ'ল প্ৰতিদানত ডেকাজনক কি দিম কি নিদিম বুলি ক'লে "তুমি নিজ ঘৰলৈ উভতি যাবা কিন্তু তোমাক দিবলৈ একোৱেই যে নাইবুলি দুখ কৰিলে। ডেকাজনে এই সুযোগত ৰাজহাঁহটো বিচৰা ঠিক হ'ব বুলি ভাবি ক'লে " আই-দেউতা! মোক একোকেই নালাগে। তোমালোকে যদি মোক মৰম কৰা তেন্তে ৰাজহাঁহজনীক দিয়া। তোমালোকে যি মূল্য ল'ব খোজা মই দিম। বুঢ়া-বুঢ়ী হালে ৰাজহাঁহটো দিয়াত কোনো আপত্তিয়েই নকৰিলে। বিনা মূল্যতেই ৰাজহাঁহজনী দিয়া হ'ব বুলি ক'লে। কিন্তু ডেকাজনে বিনা মূল্যত ৰাজহাঁহজনী নিবলৈ মান্তি নহ'ল। সেয়ে বুঢ়া-বুঢ়ীক যথেষ্ট মূল্য দি ৰাজহাঁহজনী লৈ আহিল আৰু ঘৰলৈ উভতি যাবলৈ নাও মেলি দিলে।

বেপাৰীজন বিদেশৰ পৰা মাল-বস্তু, টকা-পইচা লৈ আহি ঘৰ পালেহি। ডেকাজনৰ মাকে পুতেক অহা দেখি অতি আনন্দিত হ'ল। লগতে ধুনীয়া ৰাজহাঁহ এজনী অনা দেখি আৰু ভাল পালে। ল'ৰাক কিহেৰে আলপৈচান ধৰিম, কি খুৱাম, কি নুখুৱাম কৰিলে। ৰাজহাঁহজনীকো মৰমেৰে আহাৰ আগবঢ়ালে। ডেকাজনে হাঁহজনী অতি মৰমেৰে প্ৰতিপাল কৰিলে। দিন যায় আকৌ ৰাতি পুৱায়, এনেকৈ দিনৰ পিছত দিন, মাহৰ পিছত মাহ গৈ আছে। গৈ আছে। কিন্তু কোনোদিনেই



ৰাজহাঁহজনী গাভৰু ৰূপ নেলোৱাত ডেকাজন বৰ হতাশ হ'ল। ইপিনে ৰাজহাঁহজনীৰ গোপন কথাটো মাকৰ আগতো কোৱা নাই। বেপাৰী ডেকাজনে দিনে ৰাতিয়ে একে কথাকে ভাবি ভাবি শুকাই খীণাই গৈ আছে। সি ভাবি থৈছিল ৰাজহাঁহজনী এবাৰ মাথোন গাভৰুৰ ৰূপ ধৰিলে তাইক পুনৰ ৰাজহাঁহ হ'ব নোৱাৰাকৈ ধৰি ৰখা হ'ব আৰু তাইক বিয়া কৰাব। কিন্তু তাৰ ঘৰলৈ অনাৰ পিছত এবাৰো গাভৰু ৰূপ নধৰাত আশা ভঙ্গ হৈ মনত বৰ দুখ পালে। পুতেক শুকাই খীণাই যোৱাত মাকৰ বৰ চিন্তা হ'ল, মাকে এদিন গাঁৱৰ এজন ওজাৰ ওচৰলৈ গৈ মঙ্গল চোৱালে। ওজাই ক'লে যে বিদেশলৈ যাওঁতেই তাৰ বিঘিনী আৰম্ভ হৈছে। এতিয়া তাক ভাল কৰিবলৈ হ'লে এজনী ধুনীয়া গাভৰুৰ হতুৱাই তাৰ মুৰ আচুৰিবলৈ দিব লাগিব আৰু মুৰ আচুৰি থাকোতে গাভৰুজনীয়ে কান্দি কান্দি তাৰ মুৰত চকুলো পেলাব লাগিব। তেতিয়া সি গাভৰুজনীয়ে কন্দাৰ কাৰণ সুধিব। তেতিয়া গাভৰুজনীয়ে সি এনেদৰে নেখাই নবৈ শুকাই খীণাই যোৱাৰ কাৰণে কান্দিছে বুলি ক'ব লাগিব। তেনে কৰিলেহে তাইৰ ল'ৰাই তাৰ মনৰ দুখৰ কথা ক'ব। ওজাৰ নিৰ্দ্দেশ মতে কাম কৰাবলৈ মাকে ধুনীয়া গাভৰু বিচাৰি ফুৰিলে। শেষত কেনেবাকৈ এজনী ধুনীয়া গাভৰু পোৱা গ'ল। তাইক আনি ওজাই কৈ দিয়া মতে মুৰ আচুৰিবলৈ দিলে, মুৰত চকুলো পেলাবলৈ দিলে। তেতিয়া বেপাৰী ল'ৰাই গাভৰু কিয় কান্দিছে বুলি সুধিলে। গাভৰুজনীয়ে সি নেখাই শুকাই খীণাই যোৱাত দুখ পাই কন্দা বুলি কোৱাত ডেকাজনে তাৰ মনৰ দুখৰ কথা কবলৈ ছেগ পাই ক'লে যে বিদেশত থকা কালত সি লগত অনা হাঁহজনীক এদিন নৈৰ পাৰত ধুনীয়া গাভুৰুৰ ৰূপ ধৰা দেখিছিল, সেই গাভৰুজনীক দেখি সি মুগ্ধ হৈছিল, তাইকেই বিয়া কৰিম বুলি মনে মনে শপত খাইছিল আৰু সেই ভাবিয়েই হাঁহজনীক লগত অনা হৈছিল। কিন্তু আজিকোপতি হাঁহজনী গাভৰু ৰূপ ধাৰণ নকৰাৰ বাবে সি মনত দুখ পাই আছে।

মুৰ আচুৰি দিয়া গাভৰুজনীয়ে তাৰ মনৰ গোপন কথা উলিয়াব পৰাত বৰ আনন্দিত হ'ল আৰু সকলো কথা ডেকাৰ মাকক ক'লে।

মাকে এতয়া ল'ৰাৰ মনৰ দুখৰ কথা জানিব পৰাত আকৌ ওজাৰ ওচৰলৈ গ'ল আৰু ওজাৰ ওচৰত সবিস্তাৰে সকলো কথা ক'লে। ওজাই আকৌ মঙ্গল চাই ক'লে যে ডেকাজনে লগত অনা হাঁহজনীয়ে দুপৰ ৰাতি কোনেও নেদেখা নজনাকৈ মনে মনে বাহিৰলৈ ওলাই চোতালত তাইৰ ডেউকা, পাখী খুলি থৈ নিজান ঠাইত ঈশ্বৰৰ পূজা কৰিবলৈ যায়। সেই মুহূৰ্ততে যদি ডেকাজনে গৈ হাঁহজনীয়ে খুলি থোৱা ডেউকা আৰু পাখীবোৰ পুৰি পেলাব পাৰে তেন্তে তাই সেই গাভৰু ৰূপতেই থাকি যাব। পুনৰ হাঁহৰ ৰূপ ল'ব নোৱাৰিব। তেনে কৰিলেহে তাইক বিয়া কৰাব পাৰিব।

ওজাৰ মুখৰ পৰা এনে উপায় পোৱাত বেপাৰী ডেকাজনৰ মাক অতি আনন্দিত হ'ল। তাই ৰং মনেৰে কিছু অৰিহণা আগবঢ়াই ঘৰলৈ উভতিল আৰু ওজাই কৈ দিয়া উপায়বোৰ পুতেকক বিবৰি ক'লে। ওজাৰ নিৰ্দ্দেশ মতে পুতেকে এৰাতি টোপনীৰ ভাও ধৰি শুই থাকিল। বাহিৰ চোতালৰ ফালেও মন দি থাকিল। সঁচাকৈয়ে ৰাতি দুপৰ হ'লত ৰাজহাঁহজনী ঘৰৰ পৰা ওলাই চোতালত ডেউকা আৰু পাখী খুলি থৈ ঈশ্বৰৰ আৰাধনা কৰিবলৈ চোতালৰ পৰা আঁতৰি গ'ল। এনে মুহূৰ্ততে ডেকাজনে বিছনাৰ পৰা উঠি মনে মনে গৈ হাঁহজনীৰ ডেউকা, পাখী পুৰি পেলালে, পূজাৰ অন্তত গাভৰুৱে ডেউকা, পাখী পোৰাৰ গোন্ধ পালে। খৰধৰকৈ আহি দেখিবলৈ পালে যে তাইৰ ডেউকা পাখী পুৰি শেষ হ'ল। তাকে দেখি গাভৰুজনী মূৰ্চ্ছা গ'ল। ডেকা শোৱা কোঠালিৰ পৰা ওলাই আহি মূৰ্চ্ছা যোৱা গাভৰুজনীক উঠাই চকুমুখত পানী চতিয়াই আলপৈচান ধৰাৰ পাছত গাভৰুজনীয়ে চকু মেলি চালে। ডেকালৈ চাই তাই এটি মিচিকিয়া হাঁহি মাৰিলে। দুয়োৰে চকুৰে চকুৰে মিলি মধুৰ মিলন হৈ গ'ল।

তাৰ পাছৰ পৰা দুয়ো পতি-পত্নী ৰূপে থাকিবলৈ ল'লে। দুয়োৰে যত্নত তেওঁলোকৰ অৱস্থাৰ উন্নতি হ'ল। মাকেও অপাৰ আনন্দ পালে। মাক আৰু পুতেক বোৱাৰীৰ সৈতে সিঁহতৰ পৰিয়াল সুখী হ'ল।

❖ ❖ ❖



# ছিব্লীংডি জাং মাঙ্গৰাং ডি

## [তিলজনী আৰু চাউলজনী]

অতি পুৰণি কালত এজনী মাউৰী ছোৱালী আছিল। ছোৱালীজনীৰ মৰম লগা আছিল। গতিকে বাপেকে নাম ৰাখিলে তিলজনী। তিলজনীক চোৰচিতা কৰোঁতা নাই বুলি বাপেকে পুনৰ বিয়া কৰালে। এবছৰৰ পিছতেই তিৰোতাজনীৰো এজনী ছোৱালী হ'ল। তাইৰ নাম ৰাখিলে চাউলজনী। দিনক দিনে দুয়োজনী প্ৰায় সমানে সমানে ডাঙৰ দীঘল হৈ উঠিছিল। সিঁহতৰ ভায়েক এটাও জন্ম হ'ল। তাৰ কিছু দিনৰ পিছতেই তিলজনী আৰু চাউলজনীৰ পিতাকৰ মৃত্যু হ'ল। পিতাকৰ মৃত্যুৰ পিছৰে পৰা মাহীমাকে তিলজনীক দেখিব নোৱাৰা হ'ল। খোৱা-বোৱা, পিন্ধা-উৰা, কাম-কাজ সকলো ক্ষেত্ৰতে তিলজনীৰ দোষ ধৰি থাকে। নৈৰ পৰা পানী আনিবলৈ পঠিয়ালেও তিলজনীক ডিঙি ভঙা মাটিৰ কলহ দি পঠিয়ায় আৰু চাউলজনীক নতুনকৈ কিনি অনা কলহ দি পঠিয়ায়। এদিন ৰজাৰ পুতেকে নৈৰ পাৰত ফুৰি আছিল। দুয়ো বাই ভনী পানী আনিবলৈ যোৱা দেখি চাই আছিল। তিলজনী স্বাভাৱিকতে বৰ ধুনীয়া আছিল। ৰজাৰ পুতেকে তিলজনীক চাই বৰ মুগ্ধ হ'ল আৰু ৰজাৰ পুতেকে ক'লে—

ডিমাছা ঃ ডিহু মড়ঃ কেপয়াবা আং হি জা জা ডিহু গেব্লেং কেপয়াবা আওঁয়াইমা জা জা।

অসমীয়া ঃ যি জনীয়ে ডিঙি ভঙা কলহ লৈছে, মোৰ ঘৈণী হওঁক, যি জনীয়ে ভাল কলহ লৈছে মোৰ দাসীজনী হঁক।

চাউলজনীয়ে আহি মাকৰ ওচৰত ৰজাৰ পুতেকে কোৱা কথা সকলো বিবৰি ক'লে। কথাষাৰ শুনাৰ পিছত চাউলজনীৰ মাকৰ খং কোনে চায়। তাই ক'লে "তিলজনীৰ মাকো নাই, দেউতাকো নাই তথাপি

ৰজাৰ পুতেকে তিলজনীকহে ভাল দেখিলে? চাউলজনীৰতো মই মাকজনী জীয়াই আছো। দেখা য'ক ৰজাৰ পুতেকে কেনেকৈ তিলজনীক বিয়া কৰায়।" সেইবুলি চাউলজনীৰ মাকে আন এদিন নৈ লৈ পানী আনিবলৈ পঠিয়াওঁতে কলহ সলাই পঠিয়ায়। তিলজনীক ভাল কলহটো আৰু চাউলজনীক ভঙা কলহটো নিবলৈ দিলে। সেইদিনাও ৰজাৰ পুতেকে দুয়ো বাই ভনীয়ে পানী আনিবলৈ যোৱালৈ বাট চাই আছিল। দুয়ো বাই ভনীক দেখি ৰজাৰ পুতেকে গাবলৈ ধৰিলে—

ডিমাছা ঃ ডিহু গেব্লেং কেপয়াৱা আংহি জা জা ডিহু মড়ঃ কেপয়াবা আওঁয়াই মাঃ জা জা।

অসমীয়া ঃ ভাল কলহ লোৱাজনী মোৰ ঘৈণী হওঁক, ভঙা কলহ লোৱাজনী মোৰ দাসীজনী হঁক।

এইবাৰ চাউলজনীৰো বৰ খং উঠিল। ভঙা কলহ কি ভাল কলহ যিয়েই নলওক ৰজাৰ পুতেকে সেই তিলজনীকহে তেওঁৰ ঘৈণী হোৱাৰ উপযুক্ত বুলি ভাৱে। তিলজনী মোতকৈ ৰূপৱতী, গুণৱতী নে কি? ৰূপৱতী, গুণৱতী হ'লেও কিন্তু ভাগ্যৱতী হ'বলৈ নিদিও, তিলজনী হ'ব ৰজাৰ ঘৈণীয়েক আৰু মই হ'ম ৰজাৰ দাসী? মাকেও কৈছে যে কিবা উপায়েৰে এইটো বাধা দিবই লাগিব। পানী লৈ ঘৰলৈ উভতি অহাৰ পিছত মাকে চাউলজনীক সুধিলে—"ৰজাৰ পুতেকে আজি কি ক'লে?" চাউলজনীয়ে সকলো কথা বিবৰি ক'লে। কলহ সলাই দিয়াৰ পিছতো ৰজাৰ পুতেকে তিলজনীকহে তেওঁৰ ঘৈণীয়েক হওঁক বুলি কৈছে। তাকে শুনি চাউলজনীৰ মাকৰ খং দুগুণ বাঢ়িল। তাই মনে মনে আলচ কৰিলে যে মোৰ জীয়ৰী চাউলজনী থাকোতে ৰজাৰ পুতেকে তিলজনীকহে বিয়া কৰাবৰ কাৰণে উপযুক্ত দেখিছে। এনে কাম মই কেতিয়াও হ'বলৈ নিদিওঁ বুলি প্ৰতিজ্ঞা কৰি ক'লে—"তিলজনীক পৃথিৱীৰ পৰা নাইকীয়া কৰিলেই ৰজাৰ পুতেকে মোৰ জীয়ৰীক বিয়া কৰাব, কোনো চিন্তা নাই মই ৰজাৰ শাহু হ'মেই।"

চাউলজনীৰ মাকে তিলজনীক কি উপায়েৰে পৃথিৱীৰ পৰা নাইকীয়া কৰা যায় তাৰ চিন্তা কৰি কিছু দিন পাৰ কৰিলে। এদিন চাউলজনীৰ



মাকে চোতালত এখন চাং পাতিবলৈ দিলে। তিলজনী আৰু চাউলজনীক চুলি ফণীয়াই দিয়াৰ ছলেৰে মৰম কৰি দুয়ো বাই ভনীক মাতি নি চাঙৰ ওপৰত বহুৱালে। দুয়োজনীকে চুলি ফণীয়াই দি আছিল। হঠাত চাউলজনীৰ মাকে চাঙৰ ফাঁকেদি ফণীখন পেলাই দিলে। তিলজনীক ক'লে—"যাচোন যা ফণীখন চাঙৰ তলত পৰি গ'ল তুলি লৈ আহ।" বেচেৰী তিলজনী তলৰ পৰা ফণী তুলি আনিবলৈ নামি গ'ল। চাউলজনীৰ মাকে আগতেই ডাঙৰ চৰু এটাত পানী উতলাই থৈ দিছিল। তিলজনীয়ে চাঙৰ তলৰ পৰা ফণীখন তুলিবলৈ হাত দিছে মাথোন এনেতে চাঙৰ ওপৰৰ পৰা উতলা পানী ঢালি দিলে। তিলজনীয়ে যন্ত্ৰণাত চিঞৰ বাখৰ কৰি ছটফটাই মৰি থাকিল। ইপিনে চাউলজনীৰ মাকে তিলজনীয়ে নিজে নিজে উতলা পানী গাত ঢালি আত্মহত্যা কৰিছে বুলি প্ৰচাৰ কৰি দিলে।

চাউলজনীৰ মাকৰ মনত অতি আনন্দ। কিয়নো তাই ৰজাৰ পুতেকৰ শাহু হ'বলৈ আৰু বেচি দিন নাই, তাই চাউলজনীয়ে ভাল কাপোৰ ব'ব পাৰে, ধুনীয়া চানেকী বাচিব জানে যেন দেখুৱাবৰ কাৰণেও চাউলজনীয়ে কাপোৰ ব'ব বুলি তাঁত বাতি কাঢ়িলে। বাতি কঢ়াৰ কাম শেষ হোৱাৰ পিছত চাউলজনী কাপোৰ ব'বলৈ তাঁতৰ শালত বহিল কিন্তু জানে ক'ত? সূতা চিঙে, কেনা লগায়। মাকে সদায় শিকাই থাকে তথাপিও নিশিকে। এদিন ফুল বাচিবলৈ ল'লে। কিন্তু একোকেই নাজানে। সকলো ওলট পালট কৰিলে। ভনীজনীয়ে ভুলকৈ ফুল বচা গম পাই তিলজনীৰ আত্মা কপৌ চৰাই হৈ গাবলৈ ধৰিলে—

গুগুৰু গুউ গুউ (কপৌ চৰাইৰ মাত)
এটি পেলা দুটা উঠা
দুটা পেলা তিনিটা উঠা

ফুল বচাত সূতা তল ওপৰ কৰাৰ কথা কপৌ চৰাই তথা তিলজনীৰ মৃতাত্মাই গাই আছে। চাউলজনীৰো কপৌ চৰাইৰ এনে মাত শুনি বৰ খং উঠিল। তাঁতৰ চিৰি এটা হাতত লৈ কপৌ চৰাইটোক মাৰিবলৈ উদ্যত হ'ল। কপৌ চৰাইটো সেই ঠাইৰ পৰা পুৰুৎ কৰি উৰি গ'ল।

চাউলজনীয়ে আকৌ ফুল বচাত লাগিল, আগৰ দৰেই ভুলকৈ ফুল বাচি আছে বুলি গম পাই আকৌ গাবলৈ ধৰিলে—

গুগুৰু গুউ গুউ (কপৌ চৰাইৰ মাত)
এটি পেলা দুটা উঠা
দুটা পেলা তিনিটা উঠা

চাউলজনীয়ে এইবাৰো কপৌ চৰাইক মাৰিবলৈ চিৰি দাঙিলে। এইবাৰো কপৌ চৰায়ে পুৰুৎ কৰি উৰি পলাল। ইপিনে চাউলজনীৰ মাকে জীয়েকে ফুল বাচিবলৈ বহি কেনা লগাই থৈ দিয়া দেখি বৰ খং উঠিল। ৰজাৰ পুতেকক জোঁৱাই পালে তাইৰ জীয়ৰীয়ে বোৱা ফুলাম গামোছা বুলি কেনেকৈ দেখুৱাব সেই কথা ভাবি চিন্তা লাগিল। সেই মুহূৰ্ততে চাউলজনীৰ মাকৰ এবাৰ তিলজনীলৈ মনত পৰিল। বেচেৰী তিলজনী সকলো কামতে পাৰ্গত আছিল। তাই থকা হ'লে ফুলাম গামোছাখন ধুনীয়াকৈ ফুল বাচি উলিয়ালেহেতেন।

ৰজাৰ পুতেকে তিলজনীৰ কৰুণ মৃত্যুৰ খবৰ পালে। ৰাজপুত্ৰই তিলজনীৰ মৃত্যুৰ বাবে বৰ আঘাট পালে। মানুহৰ মুখে মুখে কথাটো বাগৰি কেনেকৈ মৰিল তাৰ আচল খবৰটো পালে, তেতিয়াৰ পৰা ৰজাৰ পুতেকে চাউলজনী আৰু তাইৰ মাক আৰু ভায়েকক মাৰি পেলোৱাৰ উপায় চিন্তা কৰিবলৈ ধৰিলে।

এদিন ৰাতিপুৱাতে ৰজাৰ পুতেকে আহি তেওঁলোকক দুপৰীয়াৰ আহাৰৰ কাৰণে নিমন্ত্ৰণ কৰিলে, ৰজাৰ ঘৰত নিমন্ত্ৰণ অতি আনন্দৰ কথা। কিজানি চাউলজনীক ৰাখি থব নেকি? মাকৰ নানান কথা, নানান চিন্তা মনলৈ আহিল। ৰজাৰ পুতেকে সৰু ভায়েকক তেওঁৰ লগতেই লৈ গ'ল। চাউলজনী আৰু তাইৰ মাকক কৈ গ'ল— তোমালোকে দুপৰীয়াৰ আহাৰ খোৱাকৈ আহিলেই হ'ব।"

ইপিনে ৰজাৰ পুতেকে চাউলজনী আৰু তাইৰ মাকক পুতি পেলাবৰ কাৰণে এটা বৰ ডাঙৰ গাঁত খন্দাই থৈ দিছিল। ৰজাৰ পুতেকে তেওঁৰ লগত অনা সৰু ভায়েকেক কাটি তাৰ মঙহৰ তৰকাৰী ৰান্ধিবলৈ দিলে। ৰন্ধা হৈ গ'লত চাউলজনী আৰু মাকক দুপৰীয়াৰ আহাৰ খাবলৈ দিয়া



হ'ল। চাউলজনীৰ খোৱা পাতত তাইৰ সৰু ভায়েকৰ কেঙা আঙুলিৰ এটুকুৰা পৰিল। তাকে দেখি চাউলজনীয়ে মাকক ক'লে "অ' মা! চোৱাছোন মঙহৰ তৰকাৰিৰ এই টুকুৰ মঙহ সঁচা-সঁচিকৈ যেন মোৰ সৰু ভাইটিৰ কেঞা আঙুলি।" মাকে বাধা দি ক'লে "চুপ থাক! ৰজাই শুনিলে ডাঙৰ বিপদ হ'ব।" কিন্তু চাউলজনীৰ তাইৰ সৰু ভায়েকৰৰ কথা মনত পৰি থাকিল। পুনৰ মাকক ক'লে "মা মোৰ পাতত পৰা মঙহ ডোখৰ সঁচাকৈয়ে ভাইটিৰ আঙুলিৰ দৰে।" মাকে তেতিয়াও বাধা দিলে "নকবিচোন তোৰ ভায়েৰে ৰজাৰ ঘৰৰ ভিতৰত ক'ৰবাত খেলি আছে।" খোৱা-বোৱা হৈ যোৱাৰ পিছত চাউলজনীৰ মাকে পুতেকৰ খবৰ কৰিলে। তেতিয়া ৰজাৰ পুতেকে চাউলজনীৰ মাকক পুতেকক লগ পোৱাই দিম বুলি ডাঙৰ গাঁত খান্দি থোৱাৰ ফালে লৈ গ'ল। গাঁতৰ ভিতৰফালে আঙুলি দেখুৱাই ক'লে "সৌৱা চা ভিতৰত লগৰীয়াহঁতৰ লগত খেলি আছে। মাকে ক'লে "ক'তা? মইতো দেখা নাই।" চাউলজনীক ৰজাৰ পুতেকে সুধিলে "চাউলজনী তুমি তোমাৰ ভাইটিক দেখা পাইছানে?" চাউলজনীয়ে দেখা নাই বুলি উত্তৰ দিলে, লগে লগে মাক, জীয়েক দুয়োজনীকে গাঁতটোৰ ভিতৰলৈ ঠেলি পেলাই দিলে আৰু লগুৱা লিগিৰিবোৰক গাঁতটো মাটিৰে পুতি পেলাবলৈ আদেশ দিলে। গাঁতৰ ওপৰত মাটি দিয়াৰ পিছত এটা হাতী অনাই তাৰ ওপৰত গছকিবলৈ দিলে। এনেকৈ মাক, জীয়ক দুইজনীকে ৰজাৰ পুতেকে জীয়াই জীয়াই পুতি মাৰি পেলায় আৰু চাউলজনীৰ মাকৰ ৰজাৰ পুতেকৰ শাহু হোৱাৰ সপোন এইখিনিতে শেষ হয়।

*উপসংহাৰ ঃ আনক হিংসা কৰিলে প্ৰতিহিংসাৰ বশ ভোগ কৰিব লগা হয়। চাউলজনীৰ মাকেৰো সেয়ে হ'ল। গতিকে আনক হিংসা নকৰিবা।*

❖ ❖ ❖

# জাৱা স্নীনী খাৰমূন

## [অজলা সাতজনৰ সাধু]

অতি পুৰণি কালত এঠাইত সাতজন অজলা ডেকা ল'ৰাই মিতিৰ পাতি আছিল। স্বাভাৱিক বুধিয়ক ডেকা ল'ৰাসকলে এই সাতজনৰ এজনকো সিহঁতৰ কামত লগ নধৰে। কাৰণ এই সাতজন অজলা, বুদ্ধিহীন। কিবা এটা কৰিবলৈ ক'লে অইন কিবা এটাহে কৰি পেলায়। গতিকে কোনো কাম-বন নোহোৱা লগ ভাগ নথকা এনে সাতজন মিলি মিতিৰ পাতিলে। এতিয়া এই সাতজন অজলাই কেনেকৈ কি কাম কৰে তাকে ক'বলৈ ওলাইছো।

এবাৰ সিঁহত সাতজন কৰবালৈ যাব লগীয়া হ'ল কিন্তু মাজত এখন বিল আছিল এই বিলখন পাৰ হয় কেনেকৈ? বৰ চিন্তাত পৰিল। বিলখন ঘুৰি যাবলৈ হ'লে বহুতো সময় লাগিব। শেষত সাতজনৰ ভিতৰত আটাইতকৈ ডাঙৰজনে এটা বুদ্ধি উলিয়াই ক'লে "পোন প্ৰথমে বিলখন মই পাৰ হৈ যাওঁ। তাৰ পাছত তহঁত ছয়জনে এখন এখনকৈ গামোছা গাঁঠি দি দীঘল কৰি লবি তাৰ পাছত গাঁঠি দিয়া এই দীঘল গামোছা এজনৰ পাছত এজনে কঁকালত বান্ধি মালা গঁথাৰ দৰে বান্ধি লৈ তহঁতে বিলখন পাৰ হবি। কথা মতে কাম হ'ল। এজনৰ পাছত আনজনে টনা-আজোৰা কৰি কোনো ৰকম বিলখন পাৰ হ'ল। পিছে বোকাৰে লেটিপেটি হৈ হাঁহাকাৰ অৱস্থা হ'ল। আটাইতকৈ ডাঙৰজন আগতেই বিলখন পাৰ হৈ বিলৰ পাৰত থিয় হয়গৈ আৰু বাকী ছয়জন পাৰ হৈ যোৱাৰ পাছত সিঁহতৰ পূৰা সাতজন হ'ল নে নাই গনি চালে। কিন্তু সাতজন নহয় মাথোঁন ছজনহে হয়। সিঁহতৰ বৰ চিন্তা লাগিল। ক'ত গ'ল এজন? বিলৰ পানীৰ মাজৰ পৰা ওলাই আহিব নোৱাৰি মৰি থাকিল নেকি? তেতিয়া বেলেগ এজনে গনি চালে, সিও ছজনহে



পালে। এনেকৈ এজনে গনি চায় তাৰ পাছত অইন এজনে চায় এনেদৰে পূৰা সাতজনেই গনি চালে প্ৰত্যেকে ছয়জনহে মাথোঁন হিচাপত পালে। তেতিয়া সিঁহত সাতজন জুম বান্ধি বহি কান্দিবলৈ ধৰিলে। এনে সময়তে এজন বামুণ কৰবাৰ পৰা সেই ঠাইত আহি ওলালহি। বামুনে সাতজন ডেকা ল'ৰাই এনেকৈ জুম বান্ধি কন্দা-কটা কৰাৰ কাৰণ সিঁহতক সুধিলে—"হেৰা ডেকাহঁত! তহঁতেনো কিহৰ দুখত কান্দি আছ কচোন। অজলা ডেকা সাতজনে বামুনক দেখি কিছু সাহ পালে আৰু ক'লে বোলে—"আমি সাতজন এই বিলখন পাৰ হৈ আহিছিলো কিন্তু এতিয়া আমি ছজন মাথোঁন আছো, আমাৰ এজন পানীৰ পৰা উঠি নাহিল। সেই কাৰণে আমি কান্দি আছো।" বামুণে গনি চাই দেখিলে সাতজনেই আছে। বামুনে ক'লে "তহঁত সাতজনেইতো আছ।" "নাই নাই আমি মাথোঁন ছজন"—বুলি ডেকা কেইজনে দেখুৱালে। বামুনে এই অজলা কেইজনে যিয়েই গনে সিয়েই নিজক সংখ্যাত নধৰাৰ কাৰণে গনি ছজন পাইছে, আৰু বুজি পালে যে সিঁহত বৰ অজলা। বামুনে ক'লে বোলে তহঁতক মোৰ লগত আমাৰ ঘৰলৈ লৈ যাওঁ তাতে মই এটা কাম কৰিলেই তহঁতৰ হেৰুৱা মিতিৰক ঘুৰাই পাবি। বামুণৰ এনে কথা শুনি ডেকা সাতজনে বৰ আশ্বাস পালে আৰু বৰ আনন্দিত হ'ল। বামুণক—"আপনি যি কামেই কৰাওঁক"—বুলি সাতজনে বামুণৰ কথা মতে কাম কৰিবলৈ মান্তি হ'ল। বামুণে সিঁহত সাতজনক নিজৰ ঘৰলৈ লৈ গ'ল।

বামুণে সিঁহতক এডোখৰ বাঁহ ফালি সাত ফাল কৰি প্ৰত্যেকজনৰ হাতত এফাল এফাল বাঁহ ধৰিবলৈ দিলে। প্ৰত্যেকৰে হাতত থকা বাঁহ ফাল মাটিত জমা কৰি থবলৈ দিলে। তাৰ পিছত এজন এজনকৈ সাতজনকে ফলা বাঁহ মুঠতে কিমান আছে গনি চাবলৈ দিলে। এতিয়া সাতজনেই সাত ফলা হয় বুলি ক'লে। তেতিয়া বামুণে ক'লে বোলে—তহঁত যদি কেৱল ছয়জনহে মানুহ তেন্তে সাত ফলা বাঁহ কেনেকৈ হ'ল? আচলতে তহঁত সাতজন হোৱা বাবেহে বাঁহো সাতফলা হ'ল। গতিকে তহঁতে বুজিলি যে তহঁতৰ সাতজন মানুহ ইয়াতেই আছে। তহঁতে তহঁতৰ সাতজনক গনোতে নিজক গনিবলৈ পাহৰি গৈছিলি

কাৰণে ছজন বুলি কৈছিলি। এইবুলি কোৱা বামুণৰ কথাষাৰ শুনাৰ পাছতহে সিহঁতে গভীৰ টোপনীৰ পৰা সাৰ পোৱাৰ দৰে হ'ল। সিঁহতে সাতজনেই এতিয়া বুজি পালে যে সিঁহতৰ মানুহ হেৰাই যোৱা নাই। এই কথা বুজি সিঁহত আনন্দিত হ'ল। বামুণকো অতি ভাল পালে গতিকে সিঁহতে কৃতজ্ঞতাৰ চিন স্বৰূপে সিঁহত সাতজন বামুণৰ ঘৰতে থাকি বামুণে যি কামকে কৰিবলৈ দিয়ে সকলো কাম কৰি দিবলৈ অঙ্গীকাৰ কৰিলে।

এদিনাখন বামুণে সিঁহত সাতজনক খেতিৰ পথাৰলৈ গৈ শস্যৰ মাজত হোৱা ঘাঁহ বিলাক উভালি পেলাবলৈ কৈ পঠিয়ালে লগতে সিঁহতৰ কাম-কাজ চাবলৈ বামুণৰ ল'ৰাটোকো যাবলৈ দিলে। বামুণে পুতেকক কৈ পঠিয়ালে যে অজলা সাতজনে যদি কাম কৰাত এলাহ কৰে আৰু কামত যদি অইনতকৈ পিছ পৰি থাকে তেন্তে সিঁহতক ভালকৈ শিকাই দিব লাগে।

সিঁহত সাতজনেও স্ফুৰ্ত্তি কৰি খেতিৰ পথাৰলৈ গ'ল। পোনতে ঘাঁহ চাই কাঁচিৰে কাটিলে। বামুণৰ ল'ৰাটোৱেও সিঁহতৰ লগতেই কাম কৰি আছিল। পিচত তাৰ বৰ ভাগৰ লগাত সকলোতকৈ পিছ পৰি গ'ল। তাকে দেখি সিঁহতে ঘৰৰ পৰা যোৱাৰ আগতে বামুণে কৈ পঠিওৱা কথাষাৰ মনত পৰিল। যদি পিছ পৰি যায় তেন্তে শিকাই দিব লাগে। সিঁহতৰ ডাঙৰজনে ক'লে "বামুণে কোৱামতে কাম কৰিব লাগিব। সাতজনেই শিকাই দিয়া মানে কাটি শিকাই দিবলৈ কৈছে বুলি বামুণে দিয়া দা আৰু কাঁচিৰে কাটি বামুনৰ ল'ৰাক কামত আগবাঢ়ি যাবলৈ ক'লে। বামুনৰ ল'ৰা অকলে, অজলাহঁতে সাতজন পাৰে কেনেকৈ? বেচেৰা সহায়হীন বামুণৰ ল'ৰাটো মৰি থাকিল।

বিয়লি অজলা সাতজন গৈ ঘৰ ওলালগৈ। বামুণে সিঁহতৰ সাতজন আছে অথচ নিজৰ ল'ৰাজনক নেদেখাত ক'ত আছে বুলি সুধিলে, উত্তৰত ক'লে যে আমি সাতজনে আপুনি কৈ দিয়া মতে কাম কৰিলো। আপোনাৰ ল'ৰাজনে ঘাঁহ কটাৰ ভাগৰত কাম কৰা নাছিল, গতিকে আমি ল'ৰাটোক দাৰে ঠেলাঠেলি কৰিলো আৰু কাঁচিৰে কটাত সি মৰি থাকিল। বামুণে



অজলাহঁতৰ মুখত ল'ৰাৰ মৰণৰ খবৰ পাই মৰ্ম্মাহত হ'ল আৰু একোকেই ক'ব নোৱাৰা হৈ মনে মনে বহি থাকিল। বামুণ পগলাৰ দৰে হ'ল কিন্তু কি আৰু হ'ব এই অজলা সাতজনক ঘৰলৈ মাতি অনাৰ বাবেই এনে ঘটনা ঘটিবলৈ পালে বুলি দুখ কৰি থাকিল।

বহু দিন পাৰ হৈ গ'ল। পুনৰ বাৰিষা আহিল। খেতিৰ সময় হ'ল বুলি বামুণে অজলা সাতজনক হাল বাবলৈ পথাৰলৈ যাবলৈ দিলে। বামুণে ক'লে তহঁত শিমলু গছৰ ওপৰৰ খেতিত হাল বাবলৈ যাব লাগিব। বামুণৰ কথামতে অজলা সাতজনে পুৰা হাল বাবলৈ গৰু, নাঙল, ৰচি আদি লাগতিয়াল বস্তুবোৰ লগত লৈ ওলাই গৈ শিমলু গছৰ তল পালেগৈ। সিঁহতৰ কেইজনমানে শিমলু গছত উঠিল, কেইজনমান তলত থাকিল। তাৰ পাছত গৰুহালক ৰছিৰে বান্ধি শিমলু গছৰ ওপৰলৈ টানি উঠাবলৈ চেষ্টা কৰিলে। কিন্তু নোৱাৰিলে। বিপৰীতে গৰু কেইহাল গছৰ ওপৰত উঠাবলৈ চেষ্টা কৰোঁতে ৰছি চিঙি মৰি থাকিল। নাঙলবোৰৰ ওপৰত গৰু পৰি যোৱাত নাঙলবোৰ টুকুৰা টুকুৰ হৈ ভাঙি গ'ল। বামুণে অজলাহঁতৰ পৰা সবিস্তাৰ কথা শুনি মনৰ দুখত হাত দি নিৰ্বাক হৈ বহি থাকিল।

এনেকৈ বহু দিন পাৰ হ'ল, পথাৰৰ ধান পকিল। বামুণে এদিন অজলাহঁতক ধান কাটিবলৈ পথাৰলৈ পঠিয়ালে। অজলাহঁতে ধান কাটি ডাঙৰীবোৰ ঘৰলৈ আনিলে। ক'ত থব লাগিব সোধত বামুণে তেওঁৰ ঘৈণায়েকক সুধিবলৈ ক'লে আৰু লগতে ক'লে তেওঁ য'ত থবলৈ কয় তাতে থবি।

অজলাহঁতে ধান কাটি ডাঙৰীবোৰ ঘৰলৈ আনিলে। বামুণ সেই সময়ত ঘৰত নাছিল। সিঁহতে বামুণৰ কথামতে ঘৈণীয়েকক ডাঙৰীবোৰ ক'ত ৰখা হ'ব বুলি সুধিলে। বামুণী তেতিয়া অইন কামত ব্যস্ত আছিল তাৰোপৰি ডাঙৰীবোৰ ক'ত থব লাগে সেইটোও ক'ব লাগেনে বুলি মনে মনে খঙো উঠিল। বামুণীয়ে ক'লে "মোৰ মুৰতে থ।" কোৱামতে কাম। ধানৰ ডাঙৰীবোৰ আনি বামুণীৰ মুৰত পেলাবলৈ ধৰিলে। বামুণীয়ে চিঞৰ-বাখৰ কৰিলে, ছটফটালে, আৰু ওলাই যাবলৈ চেষ্টা

কৰিলে। কিন্তু পাৰে কেনেকৈ? বামুণী অকলশৰীয়া, সিঁহত সাতজনৰ দুজনমানে সাৱট মাৰি ধৰি ৰাখি বাকী কেইজনে মূৰৰ ওপৰত ডাঙৰীবোৰ পেলাই পেলাই থলে। ডাঙৰীবোৰ এটাৰ ওপৰত এটা পেলাই থোৱাত বামুণী ডাঙৰীবোৰৰ তলতে চেপেটা হৈ মৰি থাকিল।

যথা সময়ত বামুণ ঘৰলৈ উভতি আহিল। ঘৰত বামুণীৰ কোনো সাৰ শব্দ নাপালে। বামুণীক বিচাৰি মাত দি ফুৰিলে কিন্তু মাতবোল নেপালে। বামুণে অজলাহঁতক সুধিলে—বামুণী কলৈ গ'ল? তেতিয়া সিঁহতে কলে যে আপুনী কৈ যোৱা মতে ধানৰ ডাঙৰীবোৰ ক'ত ৰখা হ'ব বুলি সুধিছিলো তেতিয়া তেওঁ মূৰৰ ওপৰত থবলৈ ক'লে। গতিকে আমি আটায়ে ডাঙৰীবোৰ তেওঁৰ মূৰৰ ওপৰত থৈছো। তেওঁ ডাঙৰীবোৰৰ তলতেই আছে।" বামুণে কান্দি-কাটি অধিৰ হ'ল। সিঁহতকেই ডাঙৰীবোৰ আতৰাবলৈ ক'লে। ডাঙৰীবোৰ আতৰাই দেখে যে বামুণীৰ প্ৰাণহীন দেহ চেপেটা হৈ পৰি আছে। বামুণে ভবিলে যে এই অজলা সাতজনক ঘৰত আশ্ৰয় দিয়াৰ ফলত তেওঁৰ সৰ্বনাশ হ'ল। আগতে পুতেকক হেৰুৱালে এতিয়া ঘৈণীয়েকক। গতিকে এই অজলা সাতজনক পৃথিৱীৰ পৰা কেনেকৈ নোহোৱা কৰিব পৰা যায় তাৰ চিন্তা কৰাবলৈ ধৰিলে। বামুণে অজলাহঁতক ক'লে "যা তহঁতে বামুণীক মাটি দিয়াৰ ব্যৱস্থা কৰ। কেইজনমানে গাঁত খান্দিবি আৰু বাকী কেইজনে বাঁহ কাটি চাঙি বনাই গাঁত কৰা ঠাইলৈ লৈ যাবি।

বামুনৰ হুকুম মতে সিঁহতৰ কেইজনমান গাঁত খান্দিবলৈ গ'ল। বাকী কেইজনে এখন দীঘল চাঙি সাজি বান্ধিবলৈ গাঁত কৰা ঠাইৰ ফালে লৈ গ'ল। আধা বাট যোৱাৰ পাছত দীঘল চাঙিখন গছত লাগি ধৰি যাব নোৱাৰা হ'ল। সিপিনে মাটি খন্দা সকলে গাঁত হৈ যোৱৰ পিছত মৰা শৰ কাৰণে ৰৈ আছিল। এনে সময়তে গাঁৱৰ এজনী তিৰোতা মানুহে গৰু বিচাৰি বিচাৰি সেই ঠাই পালেহি, গাঁত খান্দি থকা কেইজনে ভাবিলে মৰা বামুণীয়ে পুনৰ জীয়াই সিঁহতৰ কাম চাবলৈ আহিছে। তাকে দেখি গাঁত খান্দি থকা কেইজনে ক'লে—"হেৰা পাগলী। তুমি মাটিৰ তলত পোত খাবলৈ ভয় কৰিছা নেকি? আমিতো তোমাৰ ভাল



কৰিবলৈহে খুজিছো। নকৰিলেতো তুমি গেলি পচি পোক লাগি দুৰ্গন্ধত থাকিব নোৱাৰাহে হ'বা।" সেইবুলি সিঁহত কেইজনে ধৰি বলপূৰ্বক গাঁতত পেলাই মানুহজনীক জীয়াই জীয়াই পুতি পেলালে।

আনপিনে বামুণীৰ মৰাশটো মাটি দিয়া নহ'ল। এইবোৰ কাণ্ড দেখি বামুণ অধৈৰ্য হ'ল। এইতয়া এই অজলা সাতজনক অনুধ্বংসকৰিবলৈ জীয়াই ৰখাতকৈ মাৰি পেলোৱাই উত্তম বুলি ভাবি এদিন অজলা সাতজনক লগ ধৰিলে, ক'লে বোলে "বোপাহঁত! ব'লা আজি সেই ডাঙৰ শিমলু গছজোপা কাটিবলৈ যাওঁ।" অজলাহঁতে দা, কুঠাৰ লগত লৈ বামুণৰ লগত শিমলু গছ কাটিবলৈ গৈ শিমলু গছৰ গুৰি এজনৰ পাছত আনজনে কাটিবলৈ ধৰিলে। বামুণে যেতিয়া দেখিলে শিমলু গছজোপা পৰি যাবলৈ বেছি দেৰি নাই তেতিয়া বামুণে ক'লে বোপাহঁত! বুজিছ শিমলু গছজোপা মাটিত পৰি গ'লে সৰু ডাঙৰ ডালবোৰ ভাঙি যাব। গতিকে তহঁত গোটেই কেইজনে তলত থিয় হৈ ওপৰ ফালে হাত দাঙি থাকি গছজোপা ধৰিবি। পাছত লাহে লাহে মাটিত থবি। শিমলু গছজোপা পৰি যাবলৈ ধৰাত অজলাহঁতে ওপৰফালে চাই হাত দুটা দাঙি ধৰিবৰ কাৰণে ৰৈ থাকিল। ইতিমধ্যে গছজোপা পৰি গ'ল। অজলা সাতজন গছৰ তলত পৰি মৰি থাকিল। সিঁহত মৰি যোৱাত বামুনে শান্তি পালে।

❖ ❖ ❖

# হিমব্রু নী খাৰমূন

## [ভেকুলীৰ সাধু]

অতি পুৰণি কালত এঠাইত এহাল বুঢ়া-বুঢ়ী আছিল, সিঁহত অতি দুখীয়া। গতিকে জীৱিকা নিৰ্বাহৰ কাৰণে সদায় ৰাতিতে জান, খাল, বিলত চেপা পাতি থয়। মাছ পালে মানুহৰ ঘৰত বেচি চাউল কিনে। ৰাতি চেপাত মাছ নালাগিলে পিচদিনা সিঁহতে লঘোণে থাকিব লগীয়া হয়। এৰাতি এনেকৈ মাছৰ কাৰণে চেপা পাতি থৈ আহিল। পিছদিনা গৈ দেখে যে মাছৰ সলনি চেপাৰ ভিতৰত ভেকুলীহে সোমাই আছে।

পুৱতি নিশা কাউৰীয়ে কা কা কৰাৰ লগে লগে বুঢ়াজনে চেপা পাতি যোৱা ঠাইতে ঢাপলি মেলিলে। চেপাটো উঠাই চালে বৰ গধুৰ লাগিল। বুঢ়জনে ভাবিলে আজি চেপাত বহুতো মাছ সোমাইছে। কি সোমাইছে মাছ নে কি একো নেদেখাকৈ চেপাটো কান্দত তুলি লৈ ঘৰলৈ গ'ল। বুঢ়াৰ আজি অতি আনন্দ, বুঢ়া ঘৰ গৈ পোৱাৰ লগে লগে বুঢ়ী শোৱাৰ পৰা উঠিলে। বুঢ়ীয়েও লৰালৰিকৈ উঠি জুহালত জুই ধৰিলে আৰু বুঢ়া-বুঢ়ী দুয়ো জুই ফুৱাবলৈ ধৰিলে। বুঢ়াই বুঢ়ীক ওচৰত পাই ক'লে, আজি আমাৰ দুয়োৰে দিন ভাল, বহুত মাছ চেপাত লাগিছে। বুঢ়ীয়ে বুঢ়াক দেখুৱাবলৈ ক'লে, বুঢ়ীক দেখুৱাবলৈ চেপাটো দাঙি আনি বুঢ়ীক দেখুৱালে, বুঢ়ীয়ে দেখিবলৈ পালে যে চেপাৰ ভিতৰত কেৱল ভেকুলীয়েই ভেকুলী। তাকে দেখি বুঢ়ীয়েও ৰং পালে আৰু ক'লে, আজিৰ দিনটো সিঁহতৰ কাৰণে বৰ ভাল। হেপাহ পলুৱাই খাবলৈ পাব।

ৰাতিপুৱা বুঢ়া-বুঢ়ী হালে ভেকুলী বিলাক চেপাৰ পৰা এৰি দিলে আৰু দুয়ো দুডাল লাখুটি লৈ ভেকুলী বিলাকৰ পিছে পিছে খেদি এটা



এটাকৈ মাৰি থাকিল। জীয়া ভেকুলী আৰু নাই বুলি ভাবিলে কিন্তু এটা যে পীৰাৰ তলত আধামৰা হৈ লুকাই আছে। সেইটো জনা নাছিল। বুঢ়ীজনে ঘৰ সাৰিবৰ কাৰণে পীৰাখন উঠাই দিয়াত লুকাই থকা ভেকুলীটো দেখিবলৈ পালে। বুঢ়াই বুঢ়ীক চিঞৰি মাতিলে আৰু ক'লে এই ভেকুলীটো পীৰাৰ তলত লুকাই আছিল, মই পীৰাখন তোলোতে দেখা পালো। আহা, ইয়াকো মাৰি শেষ কৰিম, ভেকুলীটোৱে তাক মাৰি পেলোৱাৰ কথা শুনি নামাৰিবলৈ কাকুতি মিনতি কৰিলে। ক'লে বোলে "মোক ৰক্ষা কৰা। মই তুমি হাল বাওঁতে আৰু ধান কাটোতে সহায় কৰিম।" ভেকুলীৰ কথা শুনি বুঢ়াৰ মৰম উপজিল আৰু ভাবিলে, ভেকুলী ইমান সৰু জীৱ, ইনো মোক হাল বোৱাত আৰু ধান কটাত কেনেকৈ সহায় কৰিব? মৃত্যুৰ পৰা ৰক্ষা পাবৰ কাৰণে ভেকুলীটোৱে এনে কথা কৈছে। বুঢ়া-বুঢ়ীয়ে এনেদৰে কথা পতা শুনি ভেকুলীটোৰ বৰ দুখ লাগিল আৰু ক'লে তোমালোকে পাচতহে বুজিব পাৰিবা। শেষত বুঢ়া-বুঢ়ী হালৰ ভেকুলীৰ প্ৰতি মৰম উপজিল, গতিকে ভেকুলীটোক ক'লে "তোক প্ৰাণে নামাৰি ৰক্ষা কৰিলো।"

তেতিয়াৰ পৰা ভেকুলীটো বাৰিষা নহালৈকে ঘৰৰ ভিতৰত থাকিল আৰু তাৰ পাছত বাৰিষা হোৱাত খেতিলৈ যাওঁ বুলি ওলাল। এদিনাখন ভেকুলী খেতিৰ কামত ব্যস্ত আছিল, এনে সময়ত সেই দেশৰ ৰজাই হাতীৰ ওপৰত উঠি খেতিৰ ওচৰেদি গৈ আছিল। তাকে দেখি ভেকুলীটোৱে চিঞৰি ক'লে "হেৰা তুমি কোন? মোৰ খেতিৰ ওপৰেদি পাৰ হৈ গৈছা? কথাটো শুনি ৰজাৰ খং উঠিল আৰু ক'লে "মোক এনেদৰে ক'বলৈ কাৰ সাহস হ'ল? ৰজাই মানুহজনক বিচাৰি ধৰি আনিবলৈ তাৰ লগুৱাবোৰক পঠিয়ালে। ভেকুলীটোৱে ৰজাই কোৱা কথাষাৰ শুনিবলৈ পালে। ভেকুলীটো লৰালৰিকৈ লুকাই থাকিল আৰু ৰজাৰ লগুৱাবোৰে তাক বিচাৰি নাপালে। সিঁহতে ৰজাক কোনো মানুহ দেখা নাই বুলি ক'লে ৰজাৰ বৰ খং উঠিল আৰু হুকুম দিলে যে হাল বোৱা গৰু হালকে লৈ আন। হুকুম মতে কাম। ৰজাৰ লগুৱা বিলাকে হাল বোৱা গৰুহালক টানি টানি লৈ গৈ আছে। তাৰ পিছে পিছে

ভেকুলীটোও গৈ থাকিল আৰু গৰুহাল য'ত বন্ধা হৈছে সেই গোহালী ঘৰৰ চুকতে লুকাই থাকিল। এনেদৰে লুকাই লুকায়েই ৰজাক কৈ থাকিল, "আনৰ গৰুহাল লৈ অহা ৰজানো কি ৰজা।" কথাটো ৰজাই শুনিবলৈ পালে, ৰজাই খঙতে সেই গৰুহাল থকা গোহালি ঘৰটো ভাঙি পেলাবলৈ হুকুম দিলে। ৰজাৰ হুকুম মতে কাম হ'ল। কিন্তু ৰজাক লাজ দিয়া মানুহজনক কোনেও দেখিবলৈ নাপালে। ৰজাই অইন ঠাইত নতুনকৈ গোহালী ঘৰ সাজিবলৈ হুকুম দিলে। নতুন গোহালী ঘৰত গৰুহাল বন্ধা হ'ল। তথাপি দেখোন ৰজাক লাজ দি কথা কোৱাতো বন্ধ হোৱা নাই। ৰজা আচৰিত হ'ল, ধৈৰ্য্যহাৰা হ'ল। মনে মনে ভয়ো লাগি আছে। তথাপি উপাই নাই কোনে এনেকৈ কথা কৈ থাকে সেইটো জানিব লাগিব। নহ'লে ৰজাৰ মনত শান্তি নাই। টোপনি নহা হৈছে। এদিন ৰাতি ভেকুলীয়ে ৰজাক এনেদৰে লাজ দি কথা কৈ আছিল।" তেনে মুহূৰ্তত ৰজাই প্ৰশ্ন কৰিলে—"তুমি কোন? তুমি দেৱ নে মনুষ্য? ভেকুলীয়ে উত্তৰ দিলে—"মই মানুহ বা দেৱ যিয়েই নহওঁ তুমি মোৰ গৰুহাল লৈ আনিছা গতিকে মই তোমাক কৈ আছো যে তুমি মোৰ লগত তোমাৰ জীয়ৰীক বিয়া দিব লাগিব। বিয়া দিবলৈ মান্তি নোহোৱালৈ মই তোমাক দেখা নিদিওঁ।" ৰজাৰ ভয় লাগিল। সি ভাবিলে ই সাধাৰণ মানুহ হ'ব নোৱাৰে, যি অদৃশ্য থাকি কথা ক'ব পাৰে সি দেৱ হোৱাটোৱেই স্বাভাৱিক এনে ভাবি ৰজাই ক'লে "মই শপত খাই কৈছো তোমালৈ মই মোৰ জীয়ৰীক বিয়া দিম।" অঙ্গীকাৰ শুনাৰ লগে লগে ভেকুলীটো জপিয়াই ৰজাৰ সন্মুখলৈ আহিল। ৰজাই ভেকুলীক দেখি ভেকুলীৰ ৰূপ লৈ স্বয়ং দেৱেই আহিছে বুলি ভাবি নিজৰ জীয়ৰীক বিয়া দিলে আৰু মহা আড়ম্বৰ কৰি হাতী, ঘোৰাৰে পাত্ৰ, মন্ত্ৰীৰ লগত জীয়েকক ভেকুলীৰ ঘৰলৈ পঠিয়াই দিলে। ঘৰৰ ওচৰ আহি পোৱাত বুঢ়া-বুঢ়ীহালৰ ভয়ত তৎ নাইকীয়া হ'ল। সিঁহতে ঘৰৰ পৰা ওলাই অইন ঠাইলৈ গুচি যাবলৈ সাজু হ'ল। এনে সময়তে ভেকুলীয়ে সিঁহতক দেখিবলৈ পালে আৰু বুঢ়া-বুঢ়ীহালক ভয় নকৰিবলৈ আশ্বাস দিলে। বুঢ়া-বুঢ়ী দুয়ো ভেকুলী আৰু ৰাজকন্যাৰ



থাকিল।

এদিন ৰজাৰ জীয়েকে ভেকুলী গিৰিয়েকক লেতেৰা হৈছে বুলি গা ধুবলৈ ক'লে। তেতিয়া ভেকুলী স্বামীয়ে উত্তৰ দিয়ে যে মই গা ধুই কি হ'ব। মই সকলো সময়তে গা ধুই থাকো। ৰজাৰ জীয়েকে পুনৰ ক'লে—"সেইটো মই ভালদৰে জানো। তথাপি মই তোমাৰ পিঠি বেছি লেতেৰা হৈছে কাৰণেহে ঘঁহি দিম বুলি গা ধুবলৈ কৈছো। ভেকুলীয়ে তাৰ ঘৈণীয়েকৰ কথা শুনিলে। ঘৈণীয়েকে গা ধুবলৈ পানী গৰম কৰি গিৰিয়েকক আহিবলৈ ক'লে। ভেকুলী আহিল আৰু ঘৈণীয়েকক ক'লে আগতে কি কাম কৰিব লাগিব কোৱা।" ঘৈণীয়েকে ক'লে তুমি ইয়াত জপিয়াই পৰা, তাৰ পাছত মই তোমাক গা ধুৱাম। ভেকুলীয়ে তাৰ ঘৈণীয়েকৰ কথামতে গৰম পানীত জাপ দিয়াৰ লগে লগে চিৎ হৈ গ'ল। ভেকুলীৰ এনেকৈয়ে মৃত্যু হ'ল।

*উপসংহাৰে : ভেকুলীৰ সাধু কথাটোৱে এইটোকে প্ৰমাণ কৰিলে যে সামান্য প্ৰাণী বুলি আমি হেয়জ্ঞান কৰা ভেকুলী এটায়ো ৰাজকন্যা বিয়া কৰাই অসাধ্য সাধন কৰি দেখুৱালে। ভেকুলীটো ৰজাৰ জীয়েকক বিয়া কৰাই বুঢ়া-বুঢ়ীকো ধন-সম্পত্তি দি গ'ল। গতিকে সৰু বুলি কাকো অৱহেলা কৰিব নালাগে।*

❖ ❖ ❖

# যেংগ্লঙ মান্দেৰনী খাৰমূন

## [ৰামধেনু সৃষ্টিৰ সাধু]

পুৰণি যুগত কছাৰী ৰাজ্যত ৰাম আৰু ৰাভ নামৰ দুজন ৰজা আছিল। তেওঁলোক ওচৰ চুবুৰীয়া গতিকে আপদে বিপদে ৰঙ ধেমালিত এজনে আনজনক খা-খবৰ দিয়া নিয়া কৰি আছিল। দুয়োজন মনৰ মিলৰ মিতিৰ আছিল। কিন্তু এনেকৈ মিলাপ্রিতী থকাৰ মাজত তেওঁলোকৰ এটা বিঘিনী আহিল। ৰামৰ ঘৈণীয়েক নাগডি, ডেচ্‌ডিৰ দৰে দেখাত ধুনীয়া আছিল। ৰাভে পেটে পেটে নাগডিলৰ প্রতি মুগ্ধ হৈছিল। দিনক দিনে নাগডিৰ কথা চিন্তা কৰি ৰাভে শেষত নাগডিক আপোন ঘৈণীয়েক হিচাবে পাবলৈ বাঞ্ছা কৰিলে। কি উপায়েৰে নাগডিক আপোন স্ত্রী কৰিব পৰা যায় তাকে চিন্তা কৰি থাকিল. এনেকৈ ভাবি ভাবি কোনো উপায় নেদেখি বলপূৰ্বক হ'লেও নাগডিক হৰণ কৰি লৈ যোৱাৰ কথা ভাবিলে।

আনপিনে ৰামৰ নিজৰ ৰাজ্যত অতি সাহসী আৰু সুদক্ষ বুলি সুনাম আছিল। গতিকে ৰাভে ৰামৰ ঘৈণীয়েকক হৰণ কৰাৰ কামটো বৰ সহজ নহ'ব বুলি বুজি পাইছিল। ৰাভো ধাৰ্ম্মিক মানুহ আছিল তাৰোপৰি মৰমিয়াল আছিল। গতিকে ৰাজ্যৰ মানুহে ৰাভক অতি ভাল পাইছিল। ইপিনে ৰাভে ৰামৰ ঘৈণীয়েক নাগডিক আপোন স্ত্রী ৰূপে পোৱাৰ হেঁপাহ মনৰ পৰা আতৰাব নোৱাৰা হ'ল। নাগডিক কি উপায়েৰে ৰামৰ হাউলীৰ পৰা উলিয়াই আনিব পৰা যায় তাকে চিন্তা কৰিবলৈ ধৰিলে। ৰাভে চিন্তা কৰি কৰি এটা উপায় ভাবি পালে আৰু এই কামৰ বাবে যাদু মন্ত্র জনা এজনী তিৰোতাক হাত কৰি ল'লে। ৰাম ৰজা, কেইদিনমানৰ কাৰণে ৰাজ্যৰ বাহিৰলৈ যাব লগীয়া হ'ল। সেই ছেগতে ৰভে যাদু মন্ত্র জনা তিৰোতাজনীক ছদ্মবেশ ধৰি ৰামৰ ঘৰলৈ গৈ নাগডিৰ



মন পগলা কৰি ঘৰৰ পৰা উলিয়াই আনিবলৈ পঠিয়ালে। তিৰোতাজনী ৰাতি ৰাম ৰজাৰ ঘৰলৈ গ'ল আৰু ৰামৰ অনুপস্থিতিত নাগডিক মোহ লগালে আৰু ৰাভৰ বিষয়ে বহুতো প্রলোভনৰ কথা কৈ কৈ মন পগলা কৰিলে। ৰাণী নাগডীয়ে তিৰোতাজনীৰ লগত হাউলিৰ পৰা ওলাই আহি ৰাভৰ ঘৰলৈ আহিবলৈ ৰাজি হ'ল। দুপৰ ৰাতি মোহিনী মন্ত্র জনা তিৰোতাজনীয়ে নাগডিক আনি ঘৰত থৈ গ'ল।

ইয়াৰ দুদিন পিছতেই ৰাম ৰজা উভতি আহি নিজৰ হাউলি পালেহি। ৰাম আহি পোৱাৰ খবৰ পাই ঘৈণীয়েক ভিতৰৰ পৰা ওলাই নহা দেখি আচৰিত হ'ল। নিজেই ভিতৰত সোমাই ৰাজ হাউলিৰ কোঠালি বিলাকত ঘৈণীয়েকক বিচাৰি ফুৰিলে কিন্তু ক'তো নাই। ৰাম ৰজা, নিজৰ আত্মসন্মানৰ কথা ভাবি উন্মাদৰ দৰে অধীৰ হ'ল। মনৰ দুখ, আত্ম সন্মান, খং সকলো মিলি ৰাজ হাউলিৰ পাত্র মিত্র সকলক গালি শপনি দিলে। ৰাজ হাউলিৰ দুৱৰীসকলে ভয়তে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। ৰজাৰ লগুৱা লিগিৰী সকলক কাটি নিঃশেষ কৰিলে। শেষত ঘৈণীয়েক ৰাভৰ ঘৰলৈ গুচি যোৱাৰ কথা জানিব পাৰিলে। ৰাম ৰজাই নিজৰ ৰঙা, সুমথিৰা বৰণীয়া নীলা, সেউজীয়া, গুলপীয়া আৰু হালধীয়া বৰণ সানমিহলি কৰি বোৱা সাতবৰণীয়া পাগুৰীটো মূৰত মাৰি, হাতত এখন হেংদান লৈ ৰাভৰ হাউলিলৈ ঢাপলি মেলিলে। গৈ পোৱাৰ লগে লগেই ৰাভক কাটিলে, ঘৈণীয়েক নাগডিয়ে ৰাভৰ হাউলিৰ পৰা পলাই কোনোমতে প্রাণ ৰক্ষা কৰিলে।

ৰাভৰ তেতিয়াও প্রাণ শেষ হোৱা নাছিল। ৰজা ৰামে তেওঁৰ অন্তৰঙ্গ মিতিৰক এনে ডাঙৰ জখম কৰি পেলোৱাত মনত ডাঙৰ আঘাত পালে। তেওঁ কান্দি কান্দি ৰাভক ক'লে "মিতিৰ! তুমি অতি ভাল মানুহ আছিলা কিন্তু তুমি মোৰ ঘৈণীক পলুৱাই আনি এনে বেয়া কাম কৰিলা তাৰ বাবে মোৰ ঘৈণী নাগডিয়েই দোষী বুলি মই সন্দেহ কৰিছো। তিৰোতা মানুহক বিশ্বাস কৰা উচিত নহয়। মই ঈশ্বৰৰ ওচৰত প্রাৰ্থনা কৰিছো তোমাক ঈশ্বৰে ক্ষমা কৰক, আৰু ঈশ্বৰে যেন কোনো কষ্ট নিদিয়াকৈ স্বৰ্গপূৰীলৈ লৈ যায়।"

ৰাভেও ৰামৰ কথা শুনি এই বুলি ক'লে যে "মই ডাঙৰ পাপ কৰিলো। তুমি মোৰ ত্ৰুটিক ক্ষমা কৰিবা।" ৰাভে আৰু ক'লে— "মিতিৰ! মই তোমাক আৰু এটা কথা কম। তুমি ভাল মানুহ, সুদক্ষ ৰজা, সাহিয়াল তাৰোপৰি তুমি মোৰ অন্তৰঙ্গ মিতিৰ হোৱা স্বত্বেও আমি দুজনৰ মাজত যে এনে ডাঙৰ কাণ্ড ঘটিল তাৰ কাৰণ মাথোন এটাই, তিৰোতা মানুহৰ কাৰণেই এনে হ'ল। মোৰ প্ৰাণ শেষ হোৱাৰ আগতেতোমাৰ কাৰণে ঈশ্বৰৰ ওচৰত এই প্ৰাৰ্থনা কৰিছো। মৰ্ত্ত্যত তোমাৰ যেনে সুনাম আছিল। পৃথিৱীৰ মানুহে তোমাক চিৰদিন মনত ৰখাৰ বাবে ঈশ্বৰে তোমাৰ পাগুৰিৰ ৰংবোৰ যেন বাৰিষা কালত মাজে মাজে আকাশত মেলি দিয়ে। তুমি জীয়াই থাকোতে পৃথিৱীৰ মানুহৰ কাৰণে যি উপকাৰ সাধিলা তাৰ সোঁৱৰণীৰ বাবে সাত বুলিয়া পাগুৰিৰ ৰং বোৰ আকাশত মানুহে দেখা পাই থাকক।"

ঈশ্বৰে ৰাভে কোৱা কথাষাৰ ৰক্ষা কৰিলে। ৰাম ৰজাৰ মৃত্যুৰ পাছত ৰামৰ পাগুৰি ঈশ্বৰে আকাশলৈ লৈ গ'ল। বৰষুণৰ সম্ভাৱনা দেখিলেই পাগুৰিটো আকাশত শুকাবলৈ দিয়ে। আজিকোপতি বাৰিষা কালত মাজে মাজে আকাশত পাগুৰি শুকুৱা দেখিবলৈ পোৱা যায়। তাকেই পৃথিৱীৰ মানুহে ৰামধেনু বা ডিমাছা কছাৰীসকলে "যেংগ্লেভ মান্দেৰ" বুলি কয়।

❖ ❖ ❖

সমাপ্ত